SELF LEARNING MATERIAL

# ASSAMESE

**COURSE : ASM – 201**
**(Second Semester)**

# COMPARATIVE INDIAN LITERATURE

**Directorate of Open and Distance Learning**
**DIBRUGARH UNIVERSITY**
**DIBRUGARH – 786 004**

# ASSAMESE

## COURSE : ASM – 201
## (Second Semester)

## COMPARATIVE INDIAN LITERATURE

**Contributor :**

Prof. (Mrs.) K. D. Hazarika
Department of Assamese
Dibrugarh University

**Editor :**

Dr. (Mrs.) Pallabi Buzarbaruah
Department of Assamese
Dibrugarh University

ISBN : 978-81-947907-7-8

© Copy right by Directorate of Open and Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form or by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open and Distance Learning, Dibrugarh University by the Director, DDE, D.U. and printed at Designer Graphics, Dibrugarh – 786 001. Year, 2022.

# তুলনামূলক ভাৰতীয় সাহিত্য
# (Comparative Indian Literature)

## সূচীপত্ৰ


পৃষ্ঠা

**খণ্ড ১ ঃ তুলনামূলক সাহিত্য (Comparative Literature)** **১–২৬**

গোটট ১ ঃ তুলনামূলক সাহিত্যৰ সংজ্ঞা আৰু পৰিচয়, বিকাশ আৰু বিৰ্ৱৰ্তন ২

গোটট ২ ঃ তুলনামূলক সাহিত্যৰ প্ৰয়োজন আৰু পদ্ধতি ১৬

**খণ্ড ২ ঃ তুলনামূলক ভাৰতীয় সাহিত্য (Comparative Indian Literature)** **২৭–৪৪**

গোটট ১ ঃ ভাৰতত তুলনামূলক সাহিত্যৰ বিকাশ, তুলনামূলক দৃষ্টিভংগীত ভাৰতীয় সাহিত্যৰ প্ৰকৃতি আৰু লক্ষণ ২৮

গোটট ২ ঃ তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নৰ উপযোগিতা, অসমত তুলনামূলক সাহিত্য ৩৬

**খণ্ড ৩ ঃ পৰিভাষাৰ অধ্যয়ন (Introduction to the Study of the Themes)** **৪৫–৬৪**

গোটট ১ ঃ বিষয়সাৰতত্ত্ব (Thematology), প্ৰকাৰতত্ত্ব (Geneology), প্ৰভাৱ (Influence), স্ব-বৰ্তন (Survival), পাঠকৰ সহঁাৰি (Reader response) ৪৬

গোটট ২ ঃ অনুকুলন (Adaptation), প্ৰতিফলন (Reflection), অত্যধিক প্ৰভাৱ (Impact), অনুকৰণ (Imitation), আন্তঃপাঠগততা (Inter Textuality), পুনঃসৃজন (Recreation) ৫৮

**খণ্ড ৪ ঃ অনুবাদ (Translation)** **৬৫–৯৪**

গোটট ১ ঃ অনুবাদৰ সংজ্ঞা আৰু পৰিচয়; অনুবাদৰ পদ্ধতি আৰু প্ৰকাৰ ৬৬

গোটট ২ ঃ অনুবাদৰ সমস্যা, সৃষ্টিশীল সাহিত্যৰ অনুবাদ ৮০

**খণ্ড ৫ ঃ তুলনাৰ অনুশীলন (Comparison Practice)** **৯৫-১১৩**

গোটট ১ ঃ নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' আৰু মহাদেৱী বাৰ্মাৰ 'দীপশিখা'
অথবা
মাধৱকন্দলিৰ 'অযোধ্যাকাণ্ড' আৰু কীৰ্তিবাসৰ 'অযোধ্যাকাণ্ড' ৯৫

গোটট ২ ঃ সুৰদাস আৰু মাধৱদেৱৰ ৰচনাত বাৎসল্য ৰস ১১০

# খণ্ড ১

# তুলনামূলক সাহিত্য
# (Comparative Literature)

## ১.০ উদ্দেশ্য

তুলনামূলক সাহিত্য সাম্প্ৰতিক কালৰ এক গুৰুত্বপূৰ্ণ সাহিত্য অধ্যয়নৰ পদ্ধতি। সমগ্ৰ বিশ্বতে এই পদ্ধতিৰ চিন্তা-চৰ্চা জনপ্ৰিয় হৈ উঠিছে। সেই বিষয়ে বিশদ জ্ঞান প্ৰদান কৰাই এই খণ্ডৰ মূল উদ্দেশ্য।

## ১.১ প্ৰস্তাৱনা

এতিয়া আমি তুলনামূলক সাহিত্যৰ বিষয়ে কেইটিমান গুৰুত্বপূৰ্ণ কথা আলোচনা কৰিম। তোমালোকে ইতিমধ্যে গম পালা যে তুলনামূলক সাহিত্য পদ্ধতিৰ দ্বাৰা সাহিত্যৰ বিচাৰ-বিশ্লেষণ কৰিব পাৰি। এই পদ্ধতিৰ বিষয়ে আৰু কেইটিমান কথা জানো আহাঁ।

## গোট ১ ঃ তুলনামূলক সাহিত্যৰ সংজ্ঞা আৰু পৰিচয়, বিকাশ আৰু বিৱৰ্তন

১.১.০ উদ্দেশ্য
১.১.১ প্ৰস্তাৱনা
১.১.২ তুলনামূলক সাহিত্যৰ সংজ্ঞা আৰু পৰিচয়
১.১.৩ তুলনামূলক সাহিত্যৰ বিকাশ আৰু বিৱৰ্তন
১.১.৪ সাৰাংশ
১.১.৫ অনুশীলনী
১.১.৬ সম্ভাৱ্য প্ৰশ্নোত্তৰ

### ১.১.০ উদ্দেশ্য ঃ

- তুলনামূলক সাহিত্যৰ বিষয়ে সম্যক ধাৰণা প্ৰদান।
- তুলনামূলক সাহিত্যৰ বিকাশৰ স্তৰসমূহৰ বিষয়ে ধাৰণা প্ৰদান।
- তুলনামূলক সাহিত্যৰ বিৱৰ্তনৰ ইতিহাসৰ বিষয়ে জ্ঞান প্ৰদান।

### ১.১.১ প্ৰস্তাৱনা ঃ

তুলনামূলক সাহিত্য বিষয়টো আপেক্ষিকভাৱে নতুন যদিও সমগ্ৰ বিশ্বতে ইয়াৰ গুৰুত্ব স্বীকৃত হৈছে। সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতে সচেতন পণ্ডিত, গৱেষক, শিক্ষাবিদ, তুলনাকাৰীয়ে বিভিন্ন ক্ষেত্ৰত এই পদ্ধতি প্ৰয়োগ কৰাত আগ্ৰহী হৈছে। অৱশ্যে এই কথা সঁচা যে এচাম ব্যক্তিয়ে এতিয়াও তুলনামূলক সাহিত্যৰ প্ৰকৃত স্বৰূপ সম্যকভাৱে উপলব্ধি কৰিব পৰা নাই আৰু ইয়াক পৰম্পৰাগত তুলনা কৰা ৰীতিৰ লগত এক কৰি পেলাইছে। সেয়েহে তুলনামূলক সাহিত্যৰ প্ৰকৃত স্বৰূপ সম্পৰ্কে অৱগত কৰিবৰ বাবে আলোচনা আগবঢ়োৱা হ'ল।

### ১.১.২ তুলনামূলক সাহিত্যৰ সংজ্ঞা আৰু পৰিচয়

তুলনামূলক সাহিত্য নামেৰে কোনো বিশেষ সাহিত্যক বুজোৱা

নহয়। ই হ'ল সাহিত্য-অধ্যয়নৰ এটি বিশেষ পদ্ধতি মাথোন। বৌদ্ধিক, সাংস্কৃতিক আৰু আনুভূতিক স্তৰত সমগ্ৰ বিশ্বৰে জনমানসক একেটি আধাৰ পাত্ৰতে থৈ চাবলৈ বিচৰা আধুনিক মনৰ তাগিদাতে উদ্ভৱ হৈছে তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতিৰ। ই এটি গভীৰ, সূক্ষ্ম আৰু বিস্তৃত কিন্তু সীমা-সচেতন বিষয়। তুলনামূলক সাহিত্যৰ শিপাডাল থাকে জাতীয় সাহিত্যত, শাখা-প্ৰশাখাই প্ৰস্ফুটিত হৈ বিকাশ লাভ কৰে বিশ্ব-সাহিত্যত। ইয়াক সীমা-সচেতন বুলি এইবাবেই কোৱা হৈছে যে অধ্যয়ন পদ্ধতিৰ হেৰফেৰ হ'লে নাইবা বিষয় নিৰ্বাচনত অসাৱধান হ'লে ই নিজৰ মহত্ত্ব হেৰুৱাব আৰু পৰম্পৰাগত তুলনালৈ ৰূপান্তৰিত হ'ব। বহল অৰ্থত তুলনামূলক সাহিত্যৰ কোনো সীমাৰেখা নাই। এই কথাকে Remark নামৰ তুলনাকাৰীজনে এনেকৈ কৈছে যে জাতীয় সাহিত্য সীমাবদ্ধ, কিন্তু তুলনামূলক সাহিত্যই সীমাৰেখা পাৰ হৈ যাব পাৰে (National literature would be the study of literature within walla, comparative literature across walls, and general literature above walls.)। যেতিয়া বিভিন্ন ভাষা আৰু দেশৰ সাহিত্যৰ মাজত সীমাৰেখাডাল নোহোৱা হৈ পৰে তেতিয়া দেখা যায় যে ভাষা আৰু আঞ্চলিকতাৰ আৱৰণৰ আঁৰত প্ৰায় একেবোৰ ধ্যান-ধাৰণা নানা ৰূপ আৰু গঢ়ৰ মাজত প্ৰকাশি উঠে। কেতিয়াবা দুই বা তাতোকৈ বেছি ভাষাৰ সাহিত্যত কিছুমান এনে ছবি বা পৰিবেশৰ জীৱন্ত বৰ্ণনা সদৃশ ৰূপত ফুটি উঠে যে তুলনামূলক অধ্যয়নৰ দ্বাৰা তাৰ স্বৰূপ উপলব্ধি কৰি বিস্মিত হ'ব লগা হয়। এক একাত্মতাৰ ভাব পাঠকৰ মনলৈ নামি আহে। ভিন্ ভিন্ ভাষা, সমাজ আৰু সংস্কৃতিৰ প্ৰভাৱত দেশে দেশে সাহিত্যৰ উপৰুৱা গঢ় বেলেগ বেলেগ হ'ব পাৰে। এই ভিন্নতাৰ মাজত ক'ৰবাত ৰৈ যোৱা সাদৃশ্য তুলনামূলক অধ্যয়নৰ দ্বাৰা বিচাৰি উলিয়াব পাৰি। কেৱল বিচাৰি উলিওৱাই নহয়; তাৰ কাৰণ প্ৰকৃতি আৰু জোখৰ বিষয়েও সিদ্ধান্ত কৰিব পাৰি। এই সিদ্ধান্তৰ পৰা হোৱা উপকাৰ হ'ল কোনো এবিধ বা একাধিক সাহিত্যৰ প্ৰকৃত মান স্থিৰ কৰা। মনত ৰখা উচিত, তুলনামূলক সাহিত্যৰ প্ৰয়োজন তুলনা কৰিবৰ বাবে নহয়, সাহিত্য বুজিবৰ বাবেহে।

সাহিত্যৰ মহত্ত্ব উপলব্ধি কৰিবলৈও তুলনামূলক সাহিত্যৰ

প্ৰয়োজন। কিছুকাল আগলৈকে ভবা হৈছিল যে কোনো সাহিত্য অধ্যয়ন কৰিবৰ বাবে এবিধ সাহিত্যই যথেষ্ট। কেতিয়াবা মাথোন মাজে-সময়ে অন্য ভাষাৰ সাহিত্যৰ উদ্ধৃতি আদিৰে সাধাৰণভাৱে তুলনা কৰা হৈছিল। তাৰ ফলত দেখা গৈছিল যে অত্যধিক প্ৰশংসা বা অত্যধিক নিন্দাৰ দ্বাৰা একোটা আলোচনা সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছিল। অৰ্থাৎ প্ৰকৃত মূল্যায়ন সেইবোৰত সম্ভৱপৰ নাছিল। সেয়েহে এই কথা আজি স্বীকৃত যে কোনো সাহিত্যক অকলশৰে অধ্যয়ন কৰিলে তাৰ পূৰ্ণাঙ্গ ৰূপ বুজি পোৱা নাযায়। যিদৰে 'যিজনে কেৱল বাইবেলখনহে পঢ়িছে, তেওঁ বাইবেলৰ বিষয়ে একো নাজানে'' (One who knows Bible alone, knows nothing of the Bible) বুলি কোৱা হয়, সেইদৰে সীমিত বৃত্তৰ মাজত কেৱল এবিধ সাহিত্যতে মনপুতি থকা সকলে সেই বিশেষ সাহিত্যৰ বিষয়ে প্ৰকৃত জ্ঞান উপলব্ধি কৰিব নোৱাৰে। সেয়েহে একাধিক ভাষা, দেশ আৰু অঞ্চলৰ সাহিত্যৰ অধ্যয়ন এক জৰুৰী বিষয় বুলি গণ্য হ'ব ধৰিছে, আৰু এনেকৈয়ে জনপ্ৰিয় হৈ উঠিছে তুলনামূলক অধ্যয়ন পদ্ধতি। জাৰ্মান কবি গ্যেটেৰ ৰচনাত বহুকালৰ আগতেই এই পদ্ধতিৰ বীজ দেখা গৈছিল। পশ্চিমে নজনা-নুশুনা প্ৰাচ্যৰ সাহিত্য-কৰ্মৰ আধাৰত তেওঁ নিজা মাতৃভাষাৰ সাহিত্যৰ আলোচনা কৰিছিল। পিছে সেই চিন্তাই এক সুদৃঢ়, সুনিৰ্দিষ্ট গঠন লাভ কৰি এক বিশিষ্ট পদ্ধতিৰ ৰূপ ল'বলৈ ভালেমান বছৰ ৰ'ব লগা হ'ল।

পৰিস্থিতি, মূল্যবোধ, সভ্যতাৰ মান, সামাজিক ৰুচিবোধ আৰু সাংস্কৃতিক বাতাবৰণৰ পাৰ্থক্য থকা সত্বেও পৃথিৱীৰ সকলো মানুহৰ আবেগ-অনুভূতি আৰু আশা-আকাংক্ষাৰ মাজত সাদৃশ্য আছে – এই গাঁথনিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে তুলনামূলক সাহিত্য অধ্যয়ন। বিভিন্ন অঞ্চলৰ সাহিত্যৰ মাজত এই মানৱীয় গুণৰ সামঞ্জস্য ক'ত কেনেকৈ ৰক্ষিত হৈছে সেই কথা এই অধ্যয়ন পদ্ধতিৰ যোগেদি ধৰা পৰে। সাধাৰণতে দুবিধ বিশিষ্ট ভাষাৰ একে প্ৰকাৰ (genre)ৰ দুটি শ্ৰেষ্ঠ সাহিত্য-কৰ্মক একেলগে তুলনা কৰি চোৱা হয়। সাদৃশ্য আৰু বৈপৰীত্যৰ তুলনাৰে এক মান প্ৰস্তুত কৰি লোৱা হয়। এম্প মানেৰে জুখি এবিধ সাহিত্যৰ, অথবা তৃতীয় কোনো সাহিত্যৰ একে প্ৰকাৰ চহকী অথবা হীন অৱস্থা সহজে জুখি উলিয়াব পৰা যায়। এই অধ্যয়নে প্ৰকৃততে

বিশ্ব-সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰাত সহায় কৰে, লগে লগে আন্তৰ্জাতিক সাহিত্যই অৰ্জন কৰা বিশিষ্ট মানৰ বিষয়েও ধাৰণা দিয়ে।

তুলনাৰ বাবে বাছি লোৱা দুজন লেখকৰ মান সাধাৰণভাৱে সমপৰ্যায়ৰ হোৱা উচিত। তুলনীয় সাহিত্য-কৰ্মবোৰো নিজৰ নিজৰ ক্ষেত্ৰত স্বতন্ত্ৰতাৰে বিশিষ্ট আৰু মৰ্যাদাৰ দিশত পৰস্পৰৰ সমমূল্যৰ হোৱা উচিত। একে বিধাৰ, অৰ্থাৎ গল্পৰ লগত গল্পৰ, কবিতাৰ লগত কবিতাৰ তুলনামূলক অধ্যয়ন সহজ। কিন্তু সহজ হোৱাৰ যুক্তিতে এজন উচ্চ পৰ্যায়ৰ শ্ৰেষ্ঠ লেখকৰ ৰচনা আৰু এজন সীমিত পৰ্যায়ৰ সাধাৰণ প্ৰতিভাৰ লেখকৰ ৰচনাৰ তুলনা যুক্তিসংগত নহয়। সাধাৰণভাৱে শ্ৰেষ্ঠ লেখকসকলৰ ৰচনাকে তুলনাৰ বাবে বাছি লোৱাৰ সপক্ষে ক'বলৈ গৈ Sainte Beuve নামৰ চিন্তাবিদজনে প্ৰতিনিধিত্বমূলকভাৱে প্ৰাচ্য আৰু পাশ্চাত্যৰ শ্ৰেষ্ঠ লেখকসকলৰ এখন তালিকা কৰি কৈছিল যে এনে লেখকসকলৰ মাজতহে তুলনা কৰা উচিত। তেওঁৰ মতে এই শ্ৰেষ্ঠ লেখকসকল হ'ল ইউৰোপীয় সাহিত্যৰ হোমাৰ, এছীয় সাহিত্যৰ বাল্মীকি, ব্যাস আৰু ফিৰ্দৌছি। এই তালিকাতে যে খামোচ মাৰি ধৰি নাথাকি আৰু অলপ বহল উদাৰ দৃষ্টিভংগী লোৱা উচিত, তাত আধুনিক তুলনাকাৰীৰ অৱশ্যে দ্বিমত নাই। তথাপিও এই কথা ঠিক যে জিলিকি থকা নাম আৰু প্ৰতিভাৰ অবিহনে তুলনামূলক অধ্যয়ন সাৰ্থক হৈ নুঠে। তদুপৰি যিবোৰ লেখাৰ মাজত স্পষ্টভাৱে এটা জাতি আৰু অঞ্চলৰ মানসিকতা ধৰা পৰে, অথবা লেখকৰ ব্যক্তিত্বই নিজেই এটা ধাৰাৰ জন্ম দিয়ে, সেইবোৰ তুলনামূলক অধ্যয়নৰ বেছি উপযোগী। সেই কথাকে অধ্যাপক মহেন্দ্ৰ বৰাই তেওঁৰ 'The Concept of Comparative Literature' নামৰ ৰচনাত কৈছে যে ক্ষুদ্ৰ আৰু অখ্যাত লেখকৰ মাজত কেতিয়াবা তুলনাৰে আলোচনা কৰিব লগা হয় বা কৰি থকা হয় যদিও সেই অধ্যয়ন প্ৰকৃততে তুলনামূলক পদ্ধতিৰ ভিতৰুৱা নহয় (It is of no use coming down a certain level and attempting any comparative study of pigmies writing in two or three different languages. At times, we do come across such critical essays, but those are never to be identifies as anything relevent to Comparative Literature.)। এইখিনিতে

এটা প্ৰশ্ন উঠে, তুলনা কৰিবলৈ লোৱা বিষয়সমূহৰ সাদৃশ্য আৰু বৈপৰীত্য আলোচনা কৰিবৰ বাবে কেনে নীতি গ্ৰহণ কৰা হ'ব? উত্তৰত ক'ব পাৰি, প্ৰথম প্ৰয়োজন হ'ল আলোচ্য বিষয়সমূহৰ নান্দনিক মূল্যৰ তুলনা কৰা। তাৰ পিছত মন কৰা উচিত বিষয়সমূহৰ সাৰ-বস্তু আৰু গঠন-ৰীতিৰ সাদৃশ্য-বৈসাদৃশ্যৰ ফালে। লগে লগে এৰি দিব নালাগে আলোচ্য বিষয়সমূহৰ গতি আৰু প্ৰকৃতি, প্ৰাণময়তা, ব্যতিক্ৰমধৰ্মিতা, দায়বদ্ধতাৰ দিশকো। প্ৰকৃততে এই আটাইবোৰ সামৰিহে তুলনামূলক সাহিত্যৰ অধ্যয়ন সম্পূৰ্ণ হৈ উঠে। এইবোৰৰ সচেতন আৰু সতৰ্ক প্ৰয়োগৰ দ্বাৰাহে দুজন লেখকৰ দুটুকুৰা ৰচনাৰ অধ্যয়ন কেৱল সাধাৰণ তুলনামূলক টোকাৰ পৰা ওপৰলৈ উঠি তুলনামূলক অধ্যয়নত পৰিণত হ'ব পাৰে। এই অধ্যয়নৰ লক্ষ্য হ'ল কোনো সাহিত্য যেন নিজানত থাকি অথলে নাযায় তাৰ প্ৰতি লক্ষ্য ৰখাটো। খোলা খিৰিকিৰে বতাহ চলাচল হোৱাৰ দৰে এই অধ্যয়ন পদ্ধতিৰ যোগেদি বিভিন্ন সাহিত্যৰ চিন্তা আৰু স্বভাৱৰ পৰস্পৰ বিনিময় হোৱা সম্ভৱপৰ। এনে অধ্যয়নৰ দ্বাৰা বহুতো নতুন কথা পোহৰলৈ আহে, যিবোৰ এটাৰ পৰা আনটোলৈ বিস্তাৰিত হ'ব পাৰে আৰু নতুনত্ব সৃষ্টি কৰিব পাৰে।

কোন কোন দিশ বা কোন কোন প্ৰকাৰৰ মাজত তুলনা কৰিব পাৰি, এনে কোনো ধৰা-বন্ধা ৰীতি নাই। সাহিত্যৰ বিবিধ প্ৰকাৰৰ ভিতৰত বিশেষ একোটা বা একাধিক দিশৰ মাজত তুলনা হ'ব পাৰে। আনহে নালাগে, অধুনালুপ্ত একোটা প্ৰকাৰ, যেনে– মহাকাব্যৰ লগতো তুলনা হ'ব পাৰে অত্যাধুনিক উপন্যাস অথবা নাটকৰ। তাৰ বাবে তুলনাকাৰীৰ বিচাৰ-শক্তিৰ তীক্ষ্ণতা আৰু পৰ্যবেক্ষণৰ সূক্ষ্মতা থকা আৱশ্যক। যিবোৰ 'তুলনীয়' সিহঁতৰ তুলনা, সাদৃশ্য আৰু বৈপৰীত্যৰ বিচাৰ কৰা হয়; সাধাৰণতে (সকলো ক্ষেত্ৰতে নহ'বও পাৰে) বিষয়-সাৰ, সমস্যা, প্ৰকাৰ, ৰীতি, উপৰুৱা সাদৃশ্য, সাংস্কৃতিক গুৰুত্ব আদিৰ অধ্যয়ন কৰি। তুলনা কৰাটো মানুহৰ এক স্বাভাৱিক প্ৰবৃত্তি। কোনো এটা বস্তুৰ গুণাগুণ নিৰ্ণয়ৰ বাবে মানুহে স্বতঃস্ফূৰ্তভাৱে তাক আন এটাৰ লগত তুলনা কৰি চায়। এই কামটোকে অধ্যয়ন পদ্ধতিত ৰত তুলনাকাৰীয়ে এক নিৰ্দিষ্ট পদ্ধতি অনুসৰণ কৰি কৰে।

তুলনাই সামৰি ল'ব পৰা বিষয়সমূহে কেতিয়াবা মানৱীয় অভিব্যক্তি প্ৰকাশৰ বিভিন্ন দিশ সামৰি লয়। ইয়াৰ দ্বাৰা ঘাইকৈ সাহিত্যৰ

বিশ্বজনীন দিশসমূহ বিস্তৃতভাৱে আলোচনা কৰিব পাৰি। বিশ্বজনীনতা এনে এটা বিষয় যাক অকলশৰীয়াকৈ আলোচনা কৰিব নোৱাৰি, আশে-পাশে বিবিধ দিশৰ প্ৰয়োজন হয়। এইবোৰ অধ্যয়নৰ দ্বাৰা নিজা জাতীয় সাহিত্যৰ জ্ঞানেই যে কেৱল গভীৰ আৰু শুদ্ধ হয়, এনে নহয়। বিশ্ব-সাহিত্য আৰু সাহিত্যৰ লগত সম্পৰ্কযুক্ত অন্যান্য দিশৰ সম্যক জ্ঞানো এক নিৰ্দিষ্ট সুসংহত ৰীতিৰে গঢ় লৈ উঠে। এই ৰীতিকে এক দৃঢ়বন্ধী পদ্ধতিত গঢ় দিবৰ বাবে পাঁচ খলপীয়া পদ্ধতি-সূত্ৰ কৰি লোৱা হৈছে। যেনে—

(ক) সাহিত্যৰ বিভিন্ন শাখাৰ মাজত আৰু মানৱীয় অভিব্যক্তি প্ৰকাশৰ অন্যান্য মাধ্যমৰ লগত থকা সম্পৰ্কৰ ভিত্তিত প্ৰভাৱ আৰু পৰম্পৰাৰ অধ্যয়ন।

(খ) বিভিন্ন আন্দোলন আৰু মতবাদৰ অধ্যয়ন।

(গ) সাহিত্যৰ নীতিগত অধ্যয়ন।

(ঘ) 'থিম' আৰু 'মটিফ'ৰ অধ্যয়ন।

(ঙ) সূত্ৰভিত্তিক অলংকাৰ শাস্ত্ৰ আৰু পাঠভিত্তিক সমালোচনাৰ অধ্যয়ন।

সাহিত্যৰ বিষয়ে মনত জাগি উঠা কৌতূহল আৰু প্ৰশ্নই সংহতি, গঠন, ভাষাৰ ক্ৰম, সাহিত্য আৰু সমাজৰ মাজত সম্পৰ্ক আদিৰ বিষয়েও প্ৰশ্ন আৰু কৌতুহলৰ সৃষ্টি কৰিব পাৰে। মানুহৰ বৌদ্ধিক চিন্তা আৰু কল্পনাৰ পৰিসৰৰ বিস্তৃতিৰ বিষয়েও ভবাই তুলিব পাৰে। গতিকে তুলনামূলক অধ্যয়নে সাহিত্যৰ লগত কিছুমান বেলেগ দিশৰ পাৰস্পৰিক সম্পৰ্কৰ অধ্যয়নো যে নকৰে এনে নহয়। তুলনাকাৰী ইন্দ্ৰনাথ চৌধুৰীয়ে দেখুৱাই দিয়াৰ দৰে (C.I.L.S.P., p. 5) ক'ব পাৰি যে হিন্দুধৰ্মৰ পৌৰাণিক কাহিনী আৰু ৰবি বৰ্মাৰ চিত্ৰকলা— এনেবোৰ বিষয়ো কেতিয়াবা এনে পদ্ধতিৰ ভিতৰুৱা হ'ব পাৰে। এনে 'সীমা পাৰ হোৱা' সাহিত্য-অধ্যয়ন পদ্ধতিৰ যোগেদি সাহিত্যৰ বিভিন্ন প্ৰকাৰৰ মাজত থকা প্ৰভাৱ আৰু সংগ্ৰহণৰ উপৰিও সাহিত্যৰ ওপৰত সমাজত তথা ভাব প্ৰকাশৰ অন্যান্য মাধ্যমৰ, তাৰ লগে লগে সেইবোৰৰ ওপৰত পৰা সাহিত্যৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰি। তুলনাৰ দ্বাৰা নান্দনিক মূল্য এটি জুখি উলিয়াবৰ বাবে বিশ্লেষণ শক্তি আৰু পৈণত অন্তৰ্দৃষ্টিৰ প্ৰয়োজন।

সাহিত্য আৰু সংগীত, সাহিত্য আৰু চিত্ৰকলা, সাহিত্য আৰু

কথাছবি পৰস্পৰ সম্পৰ্কযুক্ত হৈ পৰা চকুত পৰে। ৰবীন্দ্ৰনাথ আৰু পাৰ্বতিপ্ৰসাদৰ নাইবা পল ৰবচন আৰু ভূপেন হাজৰিকাৰ গীতৰ তুলনাত কথাংশৰ লগে লগে সুৰৰ ধাৰণাও আহি পৰিব। কথাছবিয়ে সাহিত্যৰ বাতৰি দূৰ দূৰলৈ বহন কৰিব পাৰে। 'পথেৰ পাঁচালি' কথাছবি ৰূপেৰে খ্যাত হোৱাৰ পিছতহে এই উত্তম সাহিত্য-কৰ্মৰ অস্তিত্বৰ বিষয়ে বহুলোক সচেতন হৈছিল। শৰৎচন্দ্ৰৰ বিখ্যাত সৃষ্টি 'দেৱসাদাস'ৰ ভিন্ ভিন্ চিত্ৰৰূপৰ তুলনাত তাৰ সাহিত্য-অংশৰ বৈচিত্ৰ্য আৰু পৰিৱৰ্তন নিজেই ফুটি উঠিছে। কেতিয়াবা সম্পূৰ্ণ যোগসূত্ৰ নথকা দুবিধ বিষয়ৰ মাজতো তুলনা কৰা হয়, যদিহে সিহঁতৰ গঠনৰ নাইবা মেজাজৰ নাইবা ষ্টাইল অথবা আইডিয়াৰ সাদৃশ্য থাকে; যেনে– কালিদাসৰ 'শকুন্তলা' আৰু ইব্ছেনৰ 'ডল্ছ হাউচ'।

তুলনাৰ খাতিৰতে অতুলনীয় যিকোনো দুটা বিষয়ৰ তুলনা কৰাটো মাৰাত্মক কথা। কলহ আৰু টেকেলিৰ দৰে, বাঘ আৰু জেঠিৰ দৰে একেই মাটিৰে গঢ়া বুলি, একেই চিকাৰী বুলি কৰা তুলনা যি দৰে অপ্ৰয়োজনীয় আৰু নিম্নখাপৰ, সেইদৰে মান, যোগ্যতা আৰু প্ৰয়োজনৰ দিশলৈ মন নিদিয়া সাহিত্যৰ তুলনাও মূল্যহীন। তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতিয়ে এনে তুলনাত গুৰুত্ব প্ৰদান নকৰে।

## ১.১.৩ তুলনামূলক সাহিত্যৰ বিকাশ আৰু বিৱৰ্তন

মেথিউ আৰ্ণল্ড আছিল প্ৰথমজন সাহিত্য সমালোচক যি তুলনামূলক সাহিত্য (Comparative Literature) শব্দ দুটা একেলগ কৰি, সাহিত্য সমালোচনাৰ এটা পদ্ধতি ৰূপে চিন্তা কৰিছিল। ১৮৪৮ চনত ভনীয়েকলৈ লিখা এখন চিঠিত তেওঁ Comparative Literature পৰিভাষাৰ প্ৰথম প্ৰয়োগ কৰিছিল।

আৰ্ণল্ডে কেৱল তুলনামূলক সাহিত্যক সমালোচনাৰ একপ্ৰকাৰ পদ্ধতি বুলি কোৱাই নহয়, ইয়াৰ বহু বিস্তৃত পৰিসৰৰ কথাও কৈ গৈছিল। বিশেষকৈ ইংলেণ্ডক ইউৰোপৰ বিস্তৃত ক্ষেত্ৰৰ লগত তুলনা কৰাৰ কথা কৈছিল। তুলনাৰ দ্বাৰা কেৱল পাৰ্থক্য নিৰ্ণয় কৰাই নহয় ইংলণ্ডৰ স্বতন্ত্ৰ বৈশিষ্ট্য নিৰ্ণয়ৰ কাৰণেও তেওঁ ইউৰোপৰ লগত তুলনামূলক অধ্যয়নৰ পোষকতা কৰিছিল। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ অৰ্

পয়েট্ৰি ৰূপে মুকলি কৰা প্ৰথম বক্তৃতাতে তেওঁ কৈছিল, 'কোনো একক পৰিঘটনা অথবা একক সাহিত্যক তাৰ লগত সম্পৰ্কিত আন ঘটনা অথবা সাহিত্যৰ পৰা বিচ্ছিন্নভাৱে বিচাৰ কৰিলে, তাক যথাৰ্থ ৰূপত অনুধাৱন কৰিব নোৱাৰি। উদাহৰণস্বৰূপে প্ৰাচীন গ্ৰীক সাহিত্য আৰু মধ্যযুগৰ খ্ৰীষ্টিয়ান সাহিত্যৰ মাজত বিস্তৰ পাৰ্থক্য থকাই নহয়, ইয়াৰ মাজত ব্যৱধানো বহুত। দুটা ভিন্ন ৰুচিৰ মানৱীয় উদ্যমৰ পৰিণতিত সৃষ্টি হোৱা এই দুয়োটা ধাৰাকে বেলেগে বেলেগে অধ্যয়ন কৰিলে। কিন্তু ইয়াৰ সঠিক স্বৰূপ উদ্ঘাটন কৰা অথবা তাৎপৰ্য অনুধাৱন সহজ নহয়। এই যুক্তিটোৰ সমৰ্থনত তেওঁৰ সমসাময়িক মানচেষ্টাৰৰ ৰাজকুমাৰ কনচৰ্ট্ (Consort)ৰ বক্তৃতাৰ উদ্ধৃতি এটালৈ আঙুলিয়াইছিল। সেইটো হ'ল, "...................... আমি নিজকে অন্য দেশ অথবা অন্য যুগৰ লগত তুলনা কৰা উচিত।" এই উদ্ধৃতিকে আকৌ সাহিত্যৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ আৰ্ণল্ডে পুনৰ ব্যাখ্যা কৰিছিল এইদৰে, "আনৰ অৱস্থিতি অনুধাৱন কৰিব পাৰিলেহে, নিজৰ অৱস্থানৰ সঠিক মূল্যায়ন কৰিব পাৰি" (to know how others stand, that we may know how we ourselves stand)।

জৰ্জ চেইণ্টচ্বেৰী (George Saintsbury)য়ে তুলনামূলক সাহিত্যৰ ধাৰণাত আৰ্ণল্ডৰ ভূমিকাৰ বিষয়ে এই বুলি কৈছে, "আৰ্ণল্ডেই হ'ল প্ৰথমজন সাহিত্য সমালোচক, যি সাহিত্যত তুলনামূলক বিশ্লেষণ পদ্ধতিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তালৈ আঙুলিয়াই দিছিল।" সেয়ে নহয়, তুলনামূলক সাহিত্য এক পৃথক সাহিত্য সমালোচনাৰ পদ্ধতি বুলি আৰু ইয়াত নিৰপেক্ষভাৱে সাহিত্যৰ বিচাৰ কৰা হয় বুলিও প্ৰতিষ্ঠা কৰিছিল।

তুলনামূলক সাহিত্যৰ আচল ধাৰণা হ'ল, সাহিত্য আৰু সংস্কৃতিৰ নিশ্চিত আৰু প্ৰভাৱশালী প্ৰৱণতাসমূহক বহল পৰিসৰলৈ নিয়া আৰু দুই বা ততোধিক সাহিত্যৰ সম্পৰ্কক দ্ব্যৰ্থহীনভাৱে স্পষ্ট ৰূপত বুজিব পৰা কৰা। তুলনামূলক সাহিত্য বৰ্তমান সৰ্বাত্মক অৰ্থত সমৃদ্ধ হৈছে। East Anglia বিশ্ববিদ্যালয়ে উলিওৱা সৰু পুস্তিকা এখনত এই অভিমত দিয়া হৈছে যে, তুলনামূলক সাহিত্য সাহিত্যক অধ্যয়ন কৰাৰ এনে এটা পদ্ধতি, যি পদ্ধতিয়ে নিজকে মৌলিক গাঁথনিৰ সৈতে জড়িত কৰে আৰু

সকলো ধৰণৰ সাহিত্যকেই সম গুৰুত্ব দিয়ে।

যথাৰ্থতে এইটো মন কৰিবলগীয়া কথা যে, সাহিত্যৰ তুলনামূলক অধ্যয়ন আচলতে কোনো নিৰ্দিষ্ট সাহিত্যৰ অধ্যয়নতকৈ বেলেগ নহয়। মাত্ৰ এইটোৱেই পাৰ্থক্য যে ইয়াত দুই বা ততোধিক সাহিত্যক তুলনামূলকভাৱে অধ্যয়ন কৰা হয় আৰু য'ত বিষয়বস্তুক বিশাল আৰু বিস্তৃত পৰিপ্ৰেক্ষালৈ লৈ যোৱা হয়। তুলনামূলক সাহিত্যৰ তুলনাই একমাত্ৰ বৈশিষ্ট্য নহয়। আনকি যিকোনো একক বা বিচ্ছিন্ন সাহিত্যৰ ব্যাখ্যা কৰোঁতেও তুলনামূলক অন্তৰ্দৃষ্টিৰ প্ৰয়োজন। Halliday ই আঙুলিয়াই দিয়ে যে, যিকোনো সাহিত্যিক পাঠ কেৱল সেই সাহিত্যত কি আছে, তাৰ কাৰণেই পঢ়া নহয়, সেই সাহিত্যই প্ৰকৃততে কি কৰিব পাৰে সেইটোও লক্ষ্যণীয়। আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাসংগিকতাৰ কথা হ'ল 'সাহিত্যই কি কৰিব পাৰে' তাক অনুধাৱন কৰা আৰু কোনো একক সাহিত্যৰ লগত অন্য সাহিত্যৰ তুলনাইহে তাক নিশ্চত কৰিবলৈ সুযোগ দিব পাৰে।

১৮৮৮ চনত আৰ্ণল্ডৰ মৃত্যু হয়। ইয়াৰ দুবছৰৰ আগতেই পচ্‌নেট্ (Posnett)ৰ 'Comparative Literature' নামৰ কিতাপখন প্ৰকাশ পায়। অৰ্থাৎ ১৮৮৬ চনত প্ৰকাশ পোৱা এইখনেই তুলনামূলক সাহিত্যৰ তত্ত্ব সম্পৰ্কীয় প্ৰথম গ্ৰন্থ।

ইয়াৰ পিছৰে পৰা তুলনামূলক সাহিত্যৰ কিছুমান সক্ৰিয় প্ৰক্ৰিয়া আৰম্ভ হ'ল। দুই বা ততোধিক ভিন্ন সংস্কৃতি অথবা দৰ্শনক একে সমতলত ৰাখি তুলনা কৰা হ'ল, উদাহৰণস্বৰূপে বেদান্তৰ আদৰ্শ আৰু জাৰ্মেনীৰ অত্যন্ত ভাববাদী ইমানুৱেল কাণ্টৰ উত্তৰসূৰী দৰ্শন অথবা হিন্দু চিন্তাৰ লগত উনবিংশ শতিকাৰ প্ৰথমভাগৰ আমেৰিকাৰ অতিন্দ্ৰীয় দৰ্শনৰ তুলনাৰ কথালৈ আঙুলিয়াব পাৰি। এনেদৰে আৰম্ভ হোৱা তুলনামূলক অধ্যয়ন প্ৰক্ৰিয়াই বিকাশ লাভ কৰে বিংশ শতিকাতহে। এইদৰেই তুলনামূলক সাহিত্য পৰিভাষা (term) টোৱে এক স্বতন্ত্ৰ ৰূপত প্ৰতিভাত হ'ল।

সাহিত্য বা কলাৰ অন্যান্য পৰিভাষাসমূহৰ দৰেই তুলনামূলক সাহিত্যৰ সমালোচকসকলেও ইয়াৰ সুনিৰ্দিষ্ট সংজ্ঞা এটি নিৰ্ধাৰণ কৰিব পৰা নাই। আনকি ইয়াৰ দৃষ্টিভংগী, পদ্ধতি আৰু লক্ষ্য সম্পৰ্কেও

ঐক্যমতত উপনীত হ'ব পৰা নাই।

তুলনামূলক সাহিত্যৰ বিভিন্ন পদ্ধতিৰ বিষয়ে বিভিন্নজনে পোষকতা কৰে বিভিন্ন মতৰ। কোনোৱে তুলনাত কেৱল পৰিচয় অথবা স্বৰূপ উদ্‌ঘাটনত গুৰুত্ব আৰোপ কৰে; কোনোৱে সাদৃশ্য নিৰ্ণয় কৰাত, কোনোৱে পাৰ্থক্য আৰু ব্যৱধান বিচাৰি উলিওৱাত বা আন কোনোবাই পাৰ্থক্য-সাদৃশ্য দুয়োটাকে নিৰ্ণয় কৰিব পৰাটোত গুৰুত্ব দিয়ে। কিন্তু এনেধৰণৰ অধ্যয়নসমূহ পৃথকে পৃথকে কৰিলে সামগ্ৰিক অৰ্থত ই ব্যৰ্থ নহ'লেও, তুলনামূলক সাহিত্যৰ মূল বিন্দুত উপনীত হ'ব পৰাকৈ পৰ্যাপ্ত নহ'ব। তুলনামূলক সাহিত্য বাস্তৱতে এক অতি আকৰ্ষণীয় আৰু প্ৰত্যাহ্বান থকা বিষয়। ইয়াক এটা নিৰ্দিষ্ট ৰূপত উজ্বলাই তোলা হৈছিল ১৯০০ খ্ৰীষ্টাব্দত অনুষ্ঠিত হোৱা বিশ্ব প্ৰদৰ্শনী (World Exhibition)ৰ সহযোগত। এই অনুষ্ঠানৰ সম্পূৰ্ণ এটা শাখাট 'তুলনামূলক অধ্যয়নৰ ইতিহাস অধ্যয়ন'ৰ বাবে মুক্ত ৰখা হৈছিল। ইয়াত 'Hostorie comparee des literature' (তুলনামূলক সাহিত্যৰ ইতিহাস)ৰ আলোচনা হৈছিল। এই তুলনামূলক সাহিত্য বিষয়ক আলোচনা মুকলি কৰিছিল ব্ৰুণ্টিয়াৰে 'ইউৰোপীয় সাহিত্য' সম্বোধনেৰে। এইদৰেই পদ্ধতিগতভাৱে বিস্তীৰ্ণ দিশৰ সম্যক পৰ্যালোচনাৰে তুলনামূলক সাহিত্য সমালোচনাৰ সবল বীজ ৰোপণ হৈছিল।

### ১.১.৪ সাৰাংশ

- তুলনামূলক সাহিত্য হ'ল সাহিত্য অধ্যয়নৰ এটি বিশেষ পদ্ধতি মাথোন।
- তুলনামূলক সাহিত্যৰ প্ৰয়োজন তুলনা কৰিবৰ বাবে নহয়, সাহিত্যক উপলব্ধি কৰিবৰ বাবেহে।
- তুলনামূলক সাহিত্যৰ বিকাশৰ ক্ৰমিক স্তৰ পোৱা যায়।
- পদ্ধতিগত বিৱৰ্তনৰ মাজেদি তুলনামূলক সাহিত্যই বৰ্তমানৰ ৰূপ পৰিগ্ৰহণ কৰিছে।

### ১.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ** **শুদ্ধ অশুদ্ধ বিচাৰ কৰাঁ।**

(ক) তুলনামূলক সাহিত্য নামেৰে কোনো বিশেষ সাহিত্যক বুজোৱা নহয়।

(খ) সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত তুলনামূলক অধ্যয়ন পদ্ধতি অতিশয় প্ৰাচীন পদ্ধতি।

(গ) সাহিত্যৰ মহত্ব উপলব্ধি কৰিবলৈ তুলনামূলক সাহিত্যৰ প্ৰয়োজন।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ** **খালী ঠাই পূৰ কৰাঁ।**

ক) তুলনাৰ বাবে বাছি লোৱা দুজন লেখকৰ মান সাধাৰণভাৱে ...................... হোৱা উচিত।

খ) সাহিত্যৰ বিবিধ প্ৰকাৰৰ ভিতৰত বিশেষ .................... বা .......................... দিশৰ মাজত তুলনা হ'ব পাৰে।

গ) তুলনাৰ খাতিৰতে .......................... যি কোনো দুটা বিষয়ৰ তুলনা কৰাটো মাৰাত্মক কথা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ** **পাঁচোটি বাক্যত উত্তৰ দিয়া।**

| *তুলনামূলক সাহিত্য বুলিলে কি বুজা ?* |
|---|
| |
| |
| |
| |
| |
| |
| |
| |
| |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

*তুলনামূলক সাহিত্য বিকাশৰ ইতিহাস বৰ্ণনা কৰা ?*

## ১.১.৬ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ--**

(ক) শুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ--**

(ক) সমপৰ্যায়ৰ

(খ) একোটা, একাধিক

(গ) অতুলনীয়

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ---**

তুলনামূলক সাহিত্য নামেৰে কোনো বিশেষ সাহিত্যক বুজোৱা নহয়। ই হ'ল সাহিত্য অধ্যয়নৰ এটি বিশেষ পদ্ধতি মাথোন। বৌদ্ধিক, সাংস্কৃতিক আৰু আনুভূতিক স্তৰত সমগ্ৰ বিশ্বৰে জনমানসক একোটি আধাৰ পাত্ৰতে থৈ ইয়াত বিচাৰ কৰা হয়। এই পদ্ধতি আধুনিক চিন্তাৰ অৱদান। তুলনামূলক সাহিত্যৰ প্ৰয়োজন তুলনা কৰিবৰ বাবে নহয়, সাহিত্যৰ স্বৰূপ উপলব্ধি কৰিবৰ বাবেহে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ---**

মেথিউ আৰ্ণল্ড আছিল প্ৰথমজন সাহিত্য সমালোচক যি তুলনামূলক সাহিত্য (Comparative Literature) শব্দ দুটা একেলগ কৰি, সাহিত্য সমালোচনাৰ এটা পদ্ধতি ৰূপে চিন্তা কৰিছিল। ১৮৪৮ চনত ভনীয়েকলৈ লিখা এখন চিঠিত তেওঁ Comparative Literature পৰিভাষাৰ প্ৰথম প্ৰয়োগ কৰিছিল।

আৰ্ণল্ডে কেৱল তুলনামূলক সাহিত্যক সমালোচনাৰ একপ্ৰকাৰ পদ্ধতি বুলি কোৱাই নহয়, ইয়াৰ বহু বিস্তৃত পৰিসৰৰ কথাও কৈ গৈছিল। বিশেষকৈ ইংলেণ্ডক ইউৰোপৰ বিস্তৃত ক্ষেত্ৰৰ লগত তুলনা

কৰাৰ কথা কৈছিল। তুলনাৰ দ্বাৰা কেৱল পাৰ্থক্য নিৰ্ণয় কৰাই নহয় ইংলণ্ডৰ স্বতন্ত্ৰ বৈশিষ্ট্য নিৰ্ণয়ৰ কাৰণেও তেওঁ ইউৰোপৰ লগত তুলনামূলক অধ্যয়নৰ পোষকতা কৰিছিল। অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ অৱ্ পয়েট্ৰি ৰূপে মুকলি কৰা প্ৰথম বক্তৃতাতে তেওঁ কৈছিল, 'কোনো একক পৰিঘটনা অথবা একক সাহিত্যক তাৰ লগত সম্পৰ্কিত আন ঘটনা অথবা সাহিত্যৰ পৰা বিচ্ছিন্নভাৱে বিচাৰ কৰিলে, তাক যথাৰ্থ ৰূপত অনুধাৱন কৰিব নোৱাৰি। উদাহৰণস্বৰূপে প্ৰাচীন গ্ৰীক সাহিত্য আৰু মধ্যযুগৰ খ্ৰীষ্টিয়ান সাহিত্যৰ মাজত বিস্তৰ পাৰ্থক্য থকাই নহয়, ইয়াৰ মাজত ব্যৱধানো বহুত। দুটা ভিন্ন ৰুচিৰ মানৱীয় উদ্যমৰ পৰিণতিত সৃষ্টি হোৱা এই দুয়োটা ধাৰাকে বেলেগে বেলেগে অধ্যয়ন কৰিলে। কিন্তু ইয়াৰ সঠিক স্বৰূপ উদ্‌ঘাটন কৰা অথবা তাৎপৰ্য অনুধাৱন সহজ নহয়। এই যুক্তিটোৰ সমৰ্থনত তেওঁৰ সমসাময়িক মানচেষ্টাৰৰ ৰাজকুমাৰ কনচৰ্ট্ (Consort)ৰ বক্তৃতাৰ উদ্ধৃতি এটালৈ আঙুলিয়াইছিল। সেইটো হ'ল, "..................... আমি নিজকে অন্য দেশ অথবা অন্য যুগৰ লগত তুলনা কৰা উচিত।" এই উদ্ধৃতিকে আকৌ সাহিত্যৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ আৰ্ণল্ডে পুনৰ ব্যাখ্যা কৰিছিল এইদৰে, "আনৰ অৱস্থিতি অনুধাৱন কৰিব পাৰিলেহে, নিজৰ অৱস্থানৰ সঠিক মূল্যায়ন কৰিব পাৰি" (to know how others stand, that we may know how we ourselves stand)।

জৰ্জ চেইণ্টচ্‌বেৰী (George Saintsbury)য়ে তুলনামূলক সাহিত্যৰ ধাৰণাত আৰ্ণল্ডৰ ভূমিকাৰ বিষয়ে এই বুলি কৈছে, "আৰ্ণল্ডেই হ'ল প্ৰথমজন সাহিত্য সমালোচক, যি সাহিত্যত তুলনামূলক বিশ্লেষণ পদ্ধতিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তালৈ আঙুলিয়াই দিছিল।" সেয়ে নহয়, তুলনামূলক সাহিত্য এক পৃথক সাহিত্য সমালোচনাৰ পদ্ধতি বুলি আৰু ইয়াত নিৰপেক্ষভাৱে সাহিত্যৰ বিচাৰ কৰা হয় বুলিও প্ৰতিষ্ঠা কৰিছিল।

তুলনামূলক সাহিত্যৰ আচল ধাৰণা হ'ল, সাহিত্য আৰু সংস্কৃতিৰ নিশ্চিত আৰু প্ৰভাৱশালী প্ৰৱণতাসমূহক বহল পৰিসৰলৈ নিয়া আৰু দুই বা ততোধিক সাহিত্যৰ সম্পৰ্কক দ্ব্যৰ্থহীনভাৱে স্পষ্ট ৰূপত বুজিব পৰা কৰা। তুলনামূলক সাহিত্য বৰ্তমান সৰ্বাত্মক অৰ্থত

সমৃদ্ধ হৈছে। East Anglia বিশ্ববিদ্যালয়ে উলিওৱা সৰু পুস্তিকা এখনত এই অভিমত দিয়া হৈছে যে, তুলনামূলক সাহিত্য সাহিত্যক অধ্যয়ন কৰাৰ এনে এটা পদ্ধতি, যি পদ্ধতিয়ে নিজকে মৌলিক গাঁথনিৰ সৈতে জড়িত কৰে আৰু সকলো ধৰণৰ সাহিত্যকেই সম গুৰুত্ব দিয়ে।

যথাৰ্থতে এইটো মন কৰিবলগীয়া কথা যে, সাহিত্যৰ তুলনামূলক অধ্যয়ন আচলতে কোনো নিৰ্দিষ্ট সাহিত্যৰ অধ্যয়নতকৈ বেলেগ নহয়। মাত্ৰ এইটোৱেই পাৰ্থক্য যে ইয়াত দুই বা ততোধিক সাহিত্যক তুলনামূলকভাৱে অধ্যয়ন কৰা হয় আৰু য'ত বিষয়বস্তুক বিশাল আৰু বিস্তৃত পৰিপ্ৰেক্ষালৈ লৈ যোৱা হয়। তুলনামূলক সাহিত্যৰ তুলনাই একমাত্ৰ বৈশিষ্ট্য নহয়। আনকি যিকোনো একক বা বিচ্ছিন্ন সাহিত্যৰ ব্যাখ্যা কৰোঁতেও তুলনামূলক অন্তৰ্দৃষ্টিৰ প্ৰয়োজন। Halliday ই আঙুলিয়াই দিয়ে যে, যিকোনো সাহিত্যিক পাঠ কেৱল সেই সাহিত্যত কি আছে, তাৰ কাৰণেই পঢ়া নহয়, সেই সাহিত্যই প্ৰকৃততে কি কৰিব পাৰে সেইটোও লক্ষ্যণীয়। আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাসংগিকতাৰ কথা হ'ল 'সাহিত্যই কি কৰিব পাৰে' তাক অনুধাৱন কৰা আৰু কোনো একক সাহিত্যৰ লগত অন্য সাহিত্যৰ তুলনাইহে তাক নিশ্চিত কৰিবলৈ সুযোগ দিব পাৰে।

১৮৮৮ চনত আৰ্ণল্ডৰ মৃত্যু হয়। ইয়াৰ দুবছৰৰ আগতেই পচ্‌নেট্‌ (Posnett)ৰ 'Comparative Literature' নামৰ কিতাপখন প্ৰকাশ পায়। অৰ্থাৎ ১৮৮৬ চনত প্ৰকাশ পোৱা এইখনেই তুলনামূলক সাহিত্যৰ তত্ত্ব সম্পৰ্কীয় প্ৰথম গ্ৰন্থ।

ইয়াৰ পিছৰে পৰা তুলনামূলক সাহিত্যৰ কিছুমান সক্ৰিয় প্ৰক্ৰিয়া আৰম্ভ হ'ল। দুই বা ততোধিক ভিন্ন সংস্কৃতি অথবা দৰ্শনক একে সমতলত ৰাখি তুলনা কৰা হ'ল, উদাহৰণস্বৰূপে বেদান্তৰ আদৰ্শ আৰু জাৰ্মেনীৰ অত্যন্ত ভাববাদী ইমানুৱেল কাণ্টৰ উত্তৰসূৰী দৰ্শন অথবা হিন্দু চিন্তাৰ লগত ঊনবিংশ শতিকাৰ প্ৰথমভাগৰ আমেৰিকাৰ অতিন্দ্ৰীয় দৰ্শনৰ তুলনাৰ কথালৈ আঙুলিয়াব পাৰি। এনেদৰে আৰম্ভ হোৱা তুলনামূলক অধ্যয়ন প্ৰক্ৰিয়াই বিকাশ লাভ কৰে বিংশ শতিকাতহে। এইদৰেই তুলনামূলক সাহিত্য পৰিভাষা (term) টোৱে এক স্বতন্ত্ৰ ৰূপত প্ৰতিভাত হ'ল।

## গোট ২ ঃ তুলনামূলক সাহিত্যৰ প্ৰয়োজন আৰু পদ্ধতি

### ২.২.০ উদ্দেশ্য

- সাহিত্যৰ মান নিৰ্ণয়ৰ বাবে তুলনামূলক পদ্ধতিৰ প্ৰয়োজনীয়তা বিচাৰ কৰা।
- বিশ্বসাহিত্যৰ স্বৰূপ উপলব্ধিত তুলনামূলক সাহিত্যৰ ভূমিকা আৰু গুৰুত্বৰ বিষয়ে অৱগত কৰোৱা।
- তুলনামূলক সাহিত্য অধ্যয়নৰ বিভিন্ন পদ্ধতিৰ সম্যক ধাৰণা প্ৰদান কৰা।

### ২.২.১ প্ৰস্তাৱনা

এটাতকৈ অধিক সাহিত্য অধ্যয়নৰ বাবে তুলনা হ'ল প্ৰকৃষ্ট উপায়। প্ৰকৃততে মানুহে যিকোনো কথা নিখুঁতভাৱে বিশ্লেষণ কৰিবলৈ নিজেই নজনাকৈ প্ৰায় স্বতঃস্ফূৰ্তভাৱে তুলনাৰ সহায় লয়। তুলনামূলক অধ্যয়ন পদ্ধতিত এই কামটোকে সচেতনভাৱে আৰু পদ্ধতিগতভাৱে কৰা হয়। বিভিন্ন সাহিত্যৰ পদ্ধতিগত তুলনাৰ দ্বাৰা আলোচ্য সাহিত্য অংশৰ প্ৰকৃত মান স্পষ্ট হৈ পৰে আৰু তাত কৰিব পৰা সংযোগ-বিয়োগ আৰু সংগ্ৰহণ-অনুকলনৰ ধাৰণাও স্পষ্ট হৈ উঠে। সাধাৰণতে ওচৰ সম্পৰ্ক থকা ভাষা-সাহিত্যৰ মাজত তুলনা বেছি ফলদায়ক হয় যদিও ভিন্ ভিন্ দৃষ্টিকোণৰ অধ্যয়নৰ বাবে সম্বন্ধৰ ওচৰ-দূৰ বুলি বিশেষ বাধা নাথাকে। তুলনা মানেই যে প্ৰতি পৃষ্ঠাতে ৰিজনি দি যাব লাগিব এনে নহয়, কিন্তু উদ্দেশ্য, গুৰুত্ব প্ৰদান আৰু মোখনি মৰাৰ ধৰণৰ তুলনামূলক দৃষ্টিভংগী থাকিব লাগিব। এনে দৃষ্টিভংগীৰ ফলত যিকোনো সাহিত্যৰ অধ্যয়ন বেছি গভীৰ, দায়িত্বসম্পন্ন আৰু পৰিষ্কাৰ হয়; তাৰ লগে লগে মন আৰু চিন্তাৰ পৰিসৰো বহল হয়। তুলনামূলক পদ্ধতিত মূল অধ্যয়নৰ আশে-পাশে নানা চিন্তা আৰু অভিজ্ঞতাই থুপ বান্ধেহি যদিও মূল সাহিত্যত একাগ্ৰভাৱে লক্ষ্য স্থিৰ ৰখা হয়। এই খিনিতে আহি পৰে তুলনামূলক সমালোচনাৰ কথা। কেৱল নিজৰ মাতৃভাষাৰ সাহিত্যখিনিকে ভালদৰে জানিবলৈ অন্য ভাষাৰ সাহিত্যৰ গতি-গোত্ৰ জনাৰ লগতে মানুহৰ প্ৰকাশিকা শক্তিৰ বিভিন্ন ৰূপ, গুৰুত্ব আৰু সিবোৰৰ আন্তঃসম্পৰ্কৰ

জ্ঞান থকাও উচিত। বহল বিশ্ব-সাহিত্যৰ প্ৰেক্ষাপটত কোনো এবিধ বিশেষ সাহিত্যৰ আলোচনা কৰিব লগা হ'লে তুলনামূলক সমালোচনা বিশেষ সহায়ক হয়।

### ২.২.২ তুলনামূলক সাহিত্যৰ প্ৰয়োজন

প্ৰভাৱ, সাদৃশ্য আৰু ঐতিহ্য-বিচাৰৰ দ্বাৰা বিভিন্ন ভাষাৰ সাহিত্য আৰু সাহিত্য-কলাৰ বিভিন্ন ৰূপৰো অধ্যয়ন কৰিব পাৰি। প্ৰভাৱ-অধ্যয়ন পদ্ধতিত কেৱল উৎস আৰু আৰ্হিৰ সন্ধান কৰাৰ বাহিৰেও এজন লেখকে তেওঁৰ উৎসৰ পৰা প্ৰত্যক্ষভাৱে কিমানখিনি লৈছে, তাত নিজা সংযোগ কিমান কৰিছে, আটাইবোৰ লোৱাৰ পিছত কেনেকৈ গঢ়ি-পিতি নিজৰ মতে নতুনকৈ সজাই তুলিছে, এইবোৰ দিশৰো বিচাৰ কৰা হয়। কেতিয়াবা প্ৰভাৱৰ অস্তিত্ব গ্ৰহণ কৰোঁতাৰ মাজত এনেভাৱে পমি-গলি মিহলি হৈ পৰে যে বাহিৰত তাৰ কোনো প্ৰকাশ দেখা নাযায়। তেনে ক্ষেত্ৰত তুলনাকাৰী যদি সংবেদনশীল আৰু সূক্ষ্মদৃষ্টিসম্পন্ন নহয়, তেওঁ খোজে খোজে ভুল কৰাৰ সম্ভাৱনা। তদুপৰি সাহিত্যৰ একোটা পাঠকে কেতিয়াবা ঐতিহাসিক দৃষ্টিৰে অতীতৰ লগত থকা সম্পৰ্কৰ পটভূমিত আলোচনা কৰিব লগা হয়। তেতিয়া একোজন লেখকৰ বাহিৰেও অতীতৰ সামাজিক-সাংস্কৃতিক পৰিবেশ, ভাষাতাত্ত্বিক বিচাৰৰ কথা আহি পৰে। প্ৰভাৱ আৰু প্ৰেৰণাৰ যোগান ধৰা মূল লেখকৰ কাল আৰু সেই কালৰ বিশিষ্ট ষ্টাইলৰ কথাও মনত ৰাখিব লগা হয়।

সাদৃশ্যৰ প্ৰশ্নটো কিছু বিতৰ্কমূলক। দুটা বস্তু সদৃশ হ'লেই সিবোৰৰ মাজত সম্পৰ্ক থকাটো নুবুজায়। গতিকে বাহ্যিক দৃষ্টিত সদৃশ যেন লগা সাহিত্য-কৰ্ম বা সাহিত্য-ৰূপৰ তুলনা কৰিবলৈ গ'লে কেতিয়াবা একোটা স্বতন্ত্ৰ গোটহে বিচাৰি পোৱা যায়। আনহাতে সাদৃশ্যৰ পম খেদি প্ৰভাৱ আৰু সংগ্ৰহণৰ গভীৰ শিপাতো হাত পৰিব পাৰে। গতিকে প্ৰভাৱৰ অধ্যয়ন নকৰাকৈ কেৱল সাদৃশ্যৰ ভিত্তিত তুলনামূলক অধ্যয়ন সম্ভৱ নহয়।

তুলনামূলক অধ্যয়নৰ দ্বাৰা সাহিত্যৰ লগত থকা অন্যান্য কলাৰ আন্তঃসম্পৰ্কৰ ৰহস্যও উদ্‌ঘাটন কৰিব পাৰি। জনপ্ৰিয় আৰু প্ৰতিষ্ঠিত কবিৰ কবিতাত লোককলাৰ প্ৰভাৱ, ধৰ্মীয় চিন্তা আৰু সাহিত্য, প্ৰতিষ্ঠিত

সংগীতধাৰাত ৰাজনৈতিক মতাদৰ্শনৰ সংগ্ৰহণ আদি বিভিন্ন দিশ এই পদ্ধতিৰে আলোচনা কৰিব পাৰি।

কেৱল সাদৃশ্য আলোচনাই নহয়, বৈসাদৃশ্যৰ সন্ধানো এই পদ্ধতিত নিজে নিজে সোমাই পৰে। তুলনা আৰু পৃথকতা বিচাৰৰ দ্বাৰাইহে প্ৰকৃততে তুলনামূলক সমালোচনাৰ গতি আগবাঢ়ে। এই পদ্ধতিত এক নান্দনিক তুলনাও থাকিব পাৰে। সময় আৰু পৰিবেশ বেলেগ বেলেগ হ'লেও, ঐতিহাসিক সময়ৰ সীমা কেতিয়াবা আওকাণ কৰি হ'লেও, দুটা বা ততোধিক ভাষাৰ সাহিত্য-কৰ্মৰ সৌন্দৰ্যতত্ত্বৰ তুলনা হ'ব পাৰে। আঞ্চলিক সাহিত্য আৰু ৰাষ্ট্ৰীয় সাহিত্যৰ সীমা পাৰ হৈ বিশ্ব-সাহিত্যৰ সম্ভেদ দিব পৰাতে তুলনামূলক অধ্যয়নৰ কৃতিত্ব। ১৮শ শতিকাত তত্ত্বগত পৰ্যায়ত থকা তুলনামূলক সমালোচনাৰ পৰাই আধুনিক সৌন্দৰ্যতত্ত্বৰ উদ্ভৱ হৈছে বুলি বিশ্বাস কৰা হয়।

সাহিত্যৰ কেইটামান তত্ত্ব কেৱল তুলনামূলক অধ্যয়ন পদ্ধতিৰদ্বাৰাহে বুজি পাব পাৰি, যেনে— অনুবাদতত্ত্ব। বৰ্তমান কালত অনুবাদ এক অতি গুৰুত্বপূৰ্ণ বিষয় বুলি স্বীকৃত। সকলো ভাষা জনাটো সকলোৰে বাবে সম্ভৱ নহয়। আনহাতে অন্য দেশ আৰু সমাজৰ সাহিত্যিক মনৰ উমান নোপোৱাকৈ থকাটোও আধুনিক মানুহৰ কাম্য নহয়। এনেক্ষেত্ৰত অনুবাদে বিভিন্ন সাহিত্য আৰু বিভিন্ন মনৰ মাজত সেতুৰ ভূমিকা গ্ৰহণ কৰে। দ্বিতীয়তে, সাহিত্য-চিন্তাৰ ক্ৰমবিকাশৰ গতিপথ বুজি পাবলৈও তুলনামূলক অধ্যয়ন পদ্ধতি অতি প্ৰয়োজনীয়। সাহিত্য-সমাজতত্ত্বৰ কিছুমান বিশেষ দিশ আৰু বিশেষ সমস্যা বুজি পাবলৈও এই পদ্ধতিয়ে সহায় কৰিব পাৰে।

## ২.২.৩ তুলনামূলক সাহিত্যৰ পদ্ধতি

সাহিত্যৰ পাঠে আনন্দ দিয়ে– জ্ঞান আৰু শিক্ষা তাৰ লগত থাকিবও পাৰে, সাহিত্যৰ মূল লক্ষ্য হ'ল আত্মাৰ শান্তি আৰু তৃপ্তি প্ৰদান। মানুহৰ বহু যুগৰ অভিজ্ঞতা উপলব্ধি কৰিবলৈ শিকোৱা, বিশ্বজগত, প্ৰকৃতি আৰু মানৱৰ লগত সহাৱস্থান কৰিবলৈ প্ৰেৰণা যোগোৱা। এই শিক্ষা আৰু প্ৰেৰণা উপলব্ধিৰ বাবে বিশ্ব-সাহিত্যৰ ধাৰণা বিশেষভাৱে সহায়ক, বিশ্ব-সাহিত্যৰ উপলব্ধিৰ বাবে সহায়ক হ'ল তুলনামূলক অধ্যয়ন পদ্ধতি। তুলনামূলক অধ্যয়ন পদ্ধতিক এইকেইটা দিশেৰে এক সুনিৰ্দিষ্ট

গঢ় দিবলৈ বিচৰা হৈছে–

(ক) সাহিত্য কৰ্মৰ প্ৰভাৱ, সাদৃশ্য, ঐতিহ্য আৰু পৰম্পৰাৰ নিজৰ ভিতৰতে আৰু মানৱীয় প্ৰকাশিকাৰ অন্যান্য ৰূপৰ লগত থকা সম্পৰ্ক।

(খ) ধাৰা আৰু আন্দোলনসমূহৰ অধ্যয়ন।

(গ) সাহিত্যৰ নীতিগত অধ্যয়ন।

(ঘ) ভাববস্তু আৰু মটিফৰ অধ্যয়ন।

(ঙ) তত্ত্ব-ভিত্তিক অলংকাৰ শাস্ত্ৰ আৰু পাঠ-ভিত্তিক সমালোচনাৰ অধ্যয়ন।

পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিচিত্ৰ মানৱ-প্ৰাণৰ চিন্তা আৰু অভিজ্ঞতাৰে সমৃদ্ধ যি বিশাল সাহিত্য প্ৰক্ৰিয়া চলি আছে, তাৰ সন্ধান ল'বলৈ ইচ্ছুক চিন্তাশক্তিৰ দ্বাৰাই লালিত-পালিত হৈছে তুলনামূলক সাহিত্যৰ অধ্যয়ন পদ্ধতি। তুলনামূলক সাহিত্য এক গভীৰ বিশাল বিষয় হ'লেও কেইটামান বিশেষ ক্ষেত্ৰৰ অধ্যয়নৰ যোগেদি ইয়াৰ শৃংখলাৱদ্ধ উপলব্ধি সম্ভৱপৰ।

নিম্নোক্ত দিশসমূহত চিন্তা কৰিলে যথাৰ্থ মূল্যায়নৰ কাষ চাপিব পৰা হ'ব—

☞ বিষয়-সাৰ (theme)ৰ দিশ।

☞ প্ৰকাৰ (genre)ৰ দিশ।

☞ শৈলী (style)ৰ দিশ।

☞ ঐতিহাসিকতা (Historiography)ৰ দিশ।

☞ প্ৰভাৱ (influence)ৰ দিশ।

☞ সংগ্ৰহণ (reception)ৰ দিশ

☞ ইতিবাচক সঁহাৰি (response)ৰ দিশ।

☞ চৰিত্ৰায়ন (characterisation)ৰ দিশ। ইত্যাদি।

তুলনামূলক সাহিত্যৰ লগত সাংস্কৃতিক-অধ্যয়নৰ বিশেষ প্ৰয়োজনীয়তাও অনুভৱ কৰা যায়। এই অধ্যয়ন নৃতত্ত্বৰ ছাত্ৰৰ সংস্কৃতি অধ্যয়নতকৈ বেলেগ, কিন্তু সমানে গুৰুত্বপূৰ্ণ। বিশ্ব-সাহিত্যৰ ধাৰণাটো সবল হৈ অহাৰ লগে লগে এনে অধ্যয়নৰ গুৰুত্বও বাঢ়ি আহিছে।

ইউৰোপ আৰু আমেৰিকা প্ৰাচ্যতত্বৰ প্ৰতি আগ্ৰহী হৈ পৰাৰ দৰে ইউৰোপীয় চিন্তাধাৰাও সোমাই পৰিছে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত। এই আটাইবোৰ ঠাইৰ সংস্কৃতিৰ গঢ়-গতি সম্পূৰ্ণ বেলেগ প্ৰকৃতিৰ। সাহিত্যৰ পৃষ্ঠভূমিত থাকে তাৰ উৎসভূমিৰ সংস্কৃতিৰ এৰাব নোৰৰা বান্ধোন। গতিকে তুলনামূলক সাহিত্য অধ্যয়নৰ লগত সংস্কৃতিৰ অধ্যয়ন প্ৰায় অপৰিহাৰ্য বুলিয়েই ক'ব পাৰি। সাংস্কৃতিক দূৰত্ব এক জটিল বিষয়। সম-সাময়িক সাহিত্যৰ তুলনাতে যে কেৱল ই আহি পৰে, এনে নহয়। একেটা সংস্কৃতিৰ ভিতৰুৱা কোনো সাহিত্যৰ বিভিন্ন যুগৰ বা কালৰ ৰচনাৰ তুলনা কৰিব লগা হ'লেও সাংস্কৃতিক দূৰত্বৰ প্ৰশ্ন আহি পৰে। ঐতিহাসিক ব্যাখ্যা-বিশ্লেষণ আৰু সাংস্কৃতিক বাস্তৱতাৰ ভিতৰত সাহিত্যৰ লগত কোনটোৰ সম্বন্ধ বেছি নিকট সেই সম্পৰ্কে সমালোচকসকলৰ মতবিৰোধ আছে। ইতিহাস নজনাকৈ সাহিত্যৰ কোনো পাঠ বা ধাৰাৰ জ্ঞান সম্পূৰ্ণ নোহোৱাৰ দৰে সাংস্কৃতিক আধাৰ চিনি নাপালেও সাহিত্য উপলব্ধি সম্পূৰ্ণ নহয়। এই বিষয়ে হেৰি লেভিন (Harry Levin), বাৰ্নাৰ্ড উইনবাৰ্গ (Bernard Weinberg), ৰেনে ৱেলেক (Rene Wellek) আদিয়ে বিস্তৃত আলোচনা কৰিছে।

লুইচ (I. M. Lewis) নামৰ পণ্ডিতজনে কোৱাৰ দৰে (I.C.C.L.p.3) ইতিহাসবিদে "প্ৰাচীন কালৰ প্ৰেতাত্মাৰ লগত সম্পৰ্ক ৰাখে" কিন্তু নৃতত্ববিদে "তেওঁৰ বিষয়বস্তুৰ লগত পোনে পোনে মুখামুখি হোৱাৰ দৰে উত্তেজনা লাভ কৰে।" তুলনাকাৰীৰ ক্ষেত্ৰতো কথাষাৰ সঁচা। যিজন ব্যক্তিয়ে তেওঁৰ নিজা সংস্কৃতিৰ সম্পূৰ্ণ বিপৰীত বিন্দুত থকা লেখক, পণ্ডিত, সমালোচকক অধ্যয়ন কৰে– তেওঁ এনে ধৰণৰে এক উত্তেজনা লাভ কৰে। তেওঁৰ বাবে অন্য দেশৰ সাহিত্যৰ লগত জড়িত সংস্কৃতি তেওঁৰ নিজা সংস্কৃতিৰ মাজৰ বাট বিচাৰি লোৱা অথবা বিশেষ এটি বিন্দুত স্থিৰ হৈ থকা কঠিন হৈ পৰে। এই কাম এক প্ৰত্যাহ্বানৰ দৰে। তেওঁ তুলনাও কৰিব লাগিব, অথচ কোনো এটি সংস্কৃতিৰ দ্বাৰা অতিৰিক্তভাৱে প্ৰভাৱিত হ'বও নালাগিব।

কোনো পাঠৰ সফলতাৰ বা বিফলতাৰ আঁৰত সংস্কৃতিৰ ভূমিকা বহুখিনি। সফলতাৰ মান নিৰ্ণয়ৰ বাবে আমি বুজি পাব লাগিব– (১)

পাঠৰ বিধি, (২) পাঠৰ উপভোক্তা, (৩) সমসাময়িক সাহিত্য-প্ৰৱাহৰ লগত থকা পৰিচয়, (৪) উপভোক্তাই গ্ৰহণ কৰিবলৈ বাধ্য হোৱা পাঠৰ বিধি আৰু প্ৰচলিত সাহিত্য-বিধিৰ মাজৰ পাৰ্থক্য, আৰু (৫) গ্ৰহণ কৰোঁতাৰ বাস্তৱ-জীৱনৰ পাঠ আৰু প্ৰচলিত সাহিত্যৰ সংযুক্ত ৰূপৰ প্ৰাসংগিকতা। এই পাঁচটা উপাদানৰ যিকোনো এটাৰ কম-বেছিতে পাঠৰ সফলতা-বিফলতা কম বা বেছি হ'ব পাৰে। সম্পূৰ্ণ বিপৰীত বা দূৰৰ সংস্কৃতিৰ পৰা উদ্ভৱ হোৱা কোনো পাঠ অন্য এক সংস্কৃতিৰ পাঠকৰ বাবে অচিনাকি, সেয়ে অগ্ৰহণীয় হ'ব পাৰে। সাধাৰণতে আন্তঃসাংস্কৃতিক সম্পৰ্কত এনে আশংকা বেছি যদিও কেতিয়াবা একেটা সংস্কৃতিৰ মাজতো এনে ঘটিব পাৰে। ৰোমাণ্টিক কবিতাতে মগ্ন হৈ থকা কোনো পাঠকৰ বাবে প্ৰগতিবাদী কবিতা গ্ৰহণীয় নহ'ব পাৰে, দুয়োবিধ কবিতাৰ মাজত সাংস্কৃতিক পৰিমণ্ডলৰ পাৰ্থক্য আছে। ঠিক সেইদৰে যিবোৰ দেশৰ সাংস্কৃতিক জীৱনৰ শেহতীয়া খবৰ ৰখা নাযায়, সেইবোৰ দেশৰ সাহিত্যও অন্য দেশৰ পাঠকৰ বাবে অবোধ্য হ'ব পাৰে।

### ২.২.৪ সাৰাংশ

- তুলনামূলক সাহিত্য কিছুমান বিশেষ গুণৰ দ্বাৰা সমৃদ্ধ।
- এনেকুৱা অধ্যয়ন পদ্ধতিত কেৱল উৎস আৰু আৰ্হিৰ সন্ধান কৰাৰ বাহিৰেও দুই বা ততোধিক সাহিত্যই কৰা আদান-প্ৰদানৰ অনুপাত আলোচনা কৰা হয়।
- সাহিত্যৰ একোটা পাঠক কেতিয়াবা ঐতিহাসিক দৃষ্টিৰে বিচাৰ কৰাও হয়।
- সাহিত্যৰ লগত থকা অন্যান্য কলাৰ আন্তঃসম্পৰ্কৰ ৰহস্য এই পদ্ধতিৰে উদ্ঘাটন কৰিব পাৰি।
- তুলনামূলক অধ্যয়নত আলোচনা কৰা ঘাই দিশসমূহ হ'ল বিষয়-সাৰ, প্ৰকাৰ, শৈলী, ঐতিহাসিকতা, প্ৰভাৱ, সংগ্ৰহণ, ইতিবাচক সহঁাৰি আৰু চৰিত্ৰায়ন।

## ২.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ** **সঁচা মিছা নিৰ্ণয় কৰাঁ।**

(ক) তুলনামূলক সাহিত্যৰ লগত সংস্কৃতি অধ্যয়নৰ প্ৰয়োজনীয়তাও থাকে।

(খ) অনুবাদতত্ত্ব বুজিবলৈ তুলনামূলক অধ্যয়ন পদ্ধতি অপৰিহাৰ্য।

(গ) কোনো পাঠৰ সফলতা বা বিফলতাৰ আঁৰত সংস্কৃতিৰ ভূমিকা নাথাকে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ** **খালী ঠাই পূৰ কৰা**

(ক) বৰ্তমান কালত অনুবাদ এক অতি .......................... বিষয় বুলি স্বীকৃত।

(খ) কেৰল সাদৃশ্য আলোচনাই নহয়, ........................ৰ সন্ধানো এই পদ্ধতিত নিজে নিজে সোমাই পৰে।

(গ) এটাতকৈ অধিক সাহিত্য অধ্যয়নৰ বাবে ........................ প্ৰকৃষ্ট উপায়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ** **পাঁচোটা বাক্যত উত্তৰ দিয়া।**

| |
|---|
| *তুলনামূলক অধ্যয়ন পদ্ধতিৰ কেইটামান ঘাই দিশৰ উল্লেখ কৰাঁ।* |
| |
| |
| |
| |
| |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**তুলনামূলক সাহিত্য অধ্যয়নৰ বিভিন্ন পদ্ধতিৰ সম্যক ধাৰণা প্ৰদান কৰাঁ।**

## ২.২.৬ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ--**

(ক) শুদ্ধ

(খ) শুদ্ধ

(গ) অশুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ--**

(ক) গুৰুত্বপূৰ্ণ

(খ) বৈসাদৃশ্য

(গ) তুলনা

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ৰ উত্তৰ--**

তুলনামূলক অধ্যয়ন পদ্ধতিত আলোচনা কৰা যাই দিশসমূহ হ'ল সাহিত্যকৰ্মৰ প্ৰভাৱ আৰু সাদৃশ্য বিচাৰ কৰা। ঐতিহ্য আৰু পৰম্পৰাৰ নিজৰ ভিতৰতে আৰু মানৱীয় প্ৰকাশিকাৰ অন্যান্য ৰূপৰ লগত থকা সম্পৰ্ক নিৰ্ণয় কৰা। ধাৰা আৰু আন্দোলনসমূহৰ অধ্যয়ন, বিষয়বস্তু আৰু মটিফৰ অধ্যয়ন কৰা। তত্ত্বভিত্তিক অলংকাৰ শাস্ত্ৰ আৰু পাঠভিত্তিক সমালোচনা অধ্যয়ন কৰা। প্ৰকৃততে এই দিশসমূহৰ ওপৰত ভিত্তি কৰি তুলনামূলক অধ্যয়ন পদ্ধতিক আগুৱাই নিয়া হয়।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ৰ উত্তৰ--**

তুলনামূলক অধ্যয়ন পদ্ধতিক এইকেইটা দিশেৰে এক সুনিৰ্দিষ্ট গঢ় দিবলৈ বিচৰা হৈছে—

(ক) সাহিত্য কৰ্মৰ প্ৰভাৱ, সাদৃশ্য, ঐতিহ্য আৰু পৰম্পৰাৰ নিজৰ ভিতৰতে আৰু মানৱীয় প্ৰকাশিকাৰ অন্যান্য ৰূপৰ লগত থকা সম্পৰ্ক।

(খ) ধাৰা আৰু আন্দোলনসমূহৰ অধ্যয়ন।

(গ) সাহিত্যৰ নীতিগত অধ্যয়ন।

(ঘ) ভাববস্তু আৰু মটিফৰ অধ্যয়ন।

(ঙ) তত্ত্ব-ভিত্তিক অলংকাৰ শাস্ত্ৰ আৰু পাঠ-ভিত্তিক সমালোচনাৰ অধ্যয়ন।

পৃথিৱীৰ বিভিন্ন প্ৰান্তত বিচিত্ৰ মানৱ-প্ৰাণৰ চিন্তা আৰু অভিজ্ঞতাৰে সমৃদ্ধ যি বিশাল সাহিত্য প্ৰক্ৰিয়া চলি আছে, তাৰ সন্ধান ল'বলৈ ইচ্ছুক চিন্তাশক্তিৰ দ্বাৰাই লালিত-পালিত হৈছে তুলনামূলক সাহিত্যৰ অধ্যয়ন পদ্ধতি। তুলনামূলক সাহিত্য এক গভীৰ বিশাল বিষয় হ'লেও কেইটামান বিশেষ ক্ষেত্ৰৰ অধ্যয়নৰ যোগেদি ইয়াৰ শৃংখলাৱদ্ধ উপলব্ধি সম্ভৱপৰ।

নিম্নোক্ত দিশসমূহত চিন্তা কৰিলে যথাৰ্থ মূল্যায়নৰ কাষ চাপিব পৰা হ'ব—

☞ বিষয় সাৰ (theme)ৰ দিশ।

☞ প্ৰকাৰ (genre)ৰ দিশ।

☞ শৈলী (style)ৰ দিশ।

☞ ঐতিহাসিকতা (Historiography)ৰ দিশ।

☞ প্ৰভাৱ (influence)ৰ দিশ।

☞ সংগ্ৰহণ (reception)ৰ দিশ

☞ ইতিবাচক সঁহাৰি (response)ৰ দিশ।

☞ চৰিত্ৰায়ন (characterisation)ৰ দিশ। ইত্যাদি।

তুলনামূলক সাহিত্যৰ লগত সাংস্কৃতিক-অধ্যয়নৰ বিশেষ প্ৰয়োজনীয়তাও অনুভৱ কৰা যায়। এই অধ্যয়ন নৃতত্ত্বৰ ছাত্ৰৰ সংস্কৃতি অধ্যয়নতকৈ বেলেগ, কিন্তু সমানে গুৰুত্বপূৰ্ণ। বিশ্ব-সাহিত্যৰ ধাৰণাটো সবল হৈ অহাৰ লগে লগে এনে অধ্যয়নৰ গুৰুত্বও বাঢ়ি আহিছে। ইউৰোপ আৰু আমেৰিকা প্ৰাচ্যতত্ত্বৰ প্ৰতি আগ্ৰহী হৈ পৰাৰ দৰে ইউৰোপীয় চিন্তাধাৰাও সোমাই পৰিছে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত। এই আটাইবোৰ ঠাইৰ সংস্কৃতিৰ গঢ়-গতি সম্পূৰ্ণ বেলেগ প্ৰকৃতিৰ। সাহিত্যৰ পৃষ্ঠভূমিত থাকে তাৰ উৎসভূমিৰ সংস্কৃতিৰ এৰাব নোৱৰা বান্ধোন। গতিকে তুলনামূলক সাহিত্য অধ্যয়নৰ লগত সংস্কৃতিৰ অধ্যয়ন প্ৰায় অপৰিহাৰ্য বুলিয়েই ক'ব পাৰি। সাংস্কৃতিক

দূৰত্ব এক জটিল বিষয়। সম-সাময়িক সাহিত্যৰ তুলনাতে যে কেৱল ই আহি পৰে, এনে নহয়। একেটা সংস্কৃতিৰ ভিতৰুৱা কোনো সাহিত্যৰ বিভিন্ন যুগৰ বা কালৰ ৰচনাৰ তুলনা কৰিব লগা হ'লেও সাংস্কৃতিক দূৰত্বৰ প্ৰশ্ন আহি পৰে। ঐতিহাসিক ব্যাখ্যা-বিশ্লেষণ আৰু সাংস্কৃতিক বাস্তৱতাৰ ভিতৰত সাহিত্যৰ লগত কোনটোৰ সম্বন্ধ বেছি নিকট সেই সম্পৰ্কে সমালোচকসকলৰ মতবিৰোধ আছে। ইতিহাস নজনাকৈ সাহিত্যৰ কোনো পাঠ বা ধাৰাৰ জ্ঞান সম্পূৰ্ণ নোহোৱাৰ দৰে সাংস্কৃতিক আধাৰ চিনি নাপালেও সাহিত্য উপলব্ধি সম্পূৰ্ণ নহয়। এই বিষয়ে হেৰি লেভিন (Harry Levin), বাৰ্নাৰ্ড উইনবাৰ্গ (Bernard Weinberg), ৰেনে ৱেলেক (Rene Wellek) আদিয়ে বিস্তৃত আলোচনা কৰিছে।

লুইচ (I. M. Lewis) নামৰ পণ্ডিতজনে কোৱাৰ দৰে (I.C.C.L.p.3) ইতিহাসবিদে "প্ৰাচীন কালৰ প্ৰেতাত্মাৰ লগত সম্পৰ্ক ৰাখে" কিন্তু নৃতত্ত্ববিদে "তেওঁৰ বিষয়বস্তুৰ লগত পোনে পোনে মুখামুখি হোৱাৰ দৰে উত্তেজনা লাভ কৰে।" তুলনাকাৰীৰ ক্ষেত্ৰতো কথাষাৰ সঁচা। যিজন ব্যক্তিয়ে তেওঁৰ নিজা সংস্কৃতিৰ সম্পূৰ্ণ বিপৰীত বিন্দুত থকা লেখক, পণ্ডিত, সমালোচকক অধ্যয়ন কৰে– তেওঁ এনে ধৰণৰে এক উত্তেজনা লাভ কৰে। তেওঁৰ বাবে অন্য দেশৰ সাহিত্যৰ লগত জড়িত সংস্কৃতি তেওঁৰ নিজা সংস্কৃতিৰ মাজৰ বাঁ বিচাৰি লোৱা অথবা বিশেষ এটি বিন্দুত স্থিৰ হৈ থকা কঠিন হৈ পৰে। এই কাম এক প্ৰত্যাহ্বানৰ দৰে। তেওঁ তুলনাও কৰিব লাগিব, অথচ কোনো এটি সংস্কৃতিৰদ্বাৰা অতিৰিক্তভাৱে প্ৰভাৱিত হ'বও নালাগিব।

কোনো পাঠৰ সফলতাৰ বা বিফলতাৰ আঁৰত সংস্কৃতিৰ ভূমিকা বহুখিনি। সফলতাৰ মান নিৰ্ণয়ৰ বাবে আমি বুজি পাব লাগিব– (১) পাঠৰ বিধি, (২) পাঠৰ উপভোক্তা, (৩) সমসাময়িক সাহিত্য-প্ৰৱাহৰ লগত থকা পৰিচয়, (৪) উপভোক্তাই গ্ৰহণ কৰিবলৈ বাধ্য হোৱা পাঠৰ বিধি আৰু প্ৰচলিত সাহিত্য-বিধিৰ মাজৰ পাৰ্থক্য, আৰু (৫) গ্ৰহণ কৰোঁতাৰ বাস্তৱ-জীৱনৰ পাঠ আৰু প্ৰচলিত সাহিত্যৰ

সংযুক্ত ৰূপৰ প্ৰাসংগিকতা। এই পাঁচটা উপাদানৰ যিকোনো এটাৰ কম-বেছিতে পাঠৰ সফলতা-বিফলতা কম বা বেছি হ'ব পাৰে। সম্পূৰ্ণ বিপৰীত বা দূৰৰ সংস্কৃতিৰ পৰা উদ্ভৱ হোৱা কোনো পাঠ অন্য এক সংস্কৃতিৰ পাঠকৰ বাবে অচিনাকি, সেয়ে অগ্ৰহণীয় হ'ব পাৰে। সাধাৰণতে আন্তঃসাংস্কৃতিক সম্পৰ্কত এনে আশংকা বেছি যদিও কেতিয়াবা একেটা সংস্কৃতিৰ মাজতো এনে ঘটিব পাৰে। ৰোমাণ্টিক কবিতাতে মগ্ন হৈ থকা কোনো পাঠকৰ বাবে প্ৰগতিবাদী কবিতা গ্ৰহণীয় নহ'ব পাৰে, দুয়োবিধ কবিতাৰ মাজত সাংস্কৃতিক পৰিমণ্ডলৰ পাৰ্থক্য আছে। ঠিক সেইদৰে যিবোৰ দেশৰ সাংস্কৃতিক জীৱনৰ শেহতীয়া খবৰ ৰখা নাযায়, সেইবোৰ দেশৰ সাহিত্যও অন্য দেশৰ পাঠকৰ বাবে অবোধ্য হ'ব পাৰে।

# খণ্ড ২

# তুলনামূলক ভাৰতীয় সাহিত্য
# (Comparative Indian Literature)

## ২.০ উদ্দেশ্য

- তুলনামূলক ভাৰতীয় সাহিত্যক এটা স্বতন্ত্ৰ বিষয় হিচাবে প্ৰতিষ্ঠা কৰা।
- তুলনামূলক ভাৰতীয় সাহিত্যৰ স্বতন্ত্ৰ স্বৰূপ উদ্‌ঘাটন কৰা।
- অধ্যয়নৰ বিষয় হিচাবে তুলনামূলক ভাৰতীয় সাহিত্যক স্বীকৃতি প্ৰদান।

## ২.১ প্ৰস্তাৱনা

তুলনামূলক ভাৰতীয় সাহিত্য সম্পৰ্কে সাম্প্ৰতিক কালত ব্যাপকভাৱে চিন্তা-চৰ্চা হ'বলৈ ধৰিছে। অধ্যয়নৰ ক্ষেত্ৰ হিচাবে এই বিষয়টো বিশেষভাৱে গুৰুত্ব পাবৰ যোগ্য। ভাৰতীয় সাহিত্যৰ মাজত থকা বৈচিত্ৰ্য আৰু তাৰ মাজতে বৰ্তি থকা অখণ্ড ৰূপৰ উপলব্ধিৰ দ্বাৰা বিশ্ব সাহিত্য অধ্যয়নৰ পথত আগবাঢ়িব পৰা যায়। তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়ন আৰু চৰ্চাৰ দ্বাৰা কেৱল সাহিত্যই নহয় ভাৰতীয় সাহিত্যৰ আঁৰত থকা ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক ঐক্য সূত্ৰেও বিচাৰি পাব পাৰি।

## গোট ১ ঃ ভাৰতত তুলনামূলক সাহিত্যৰ বিকাশ, তুলনামূলক দৃষ্টিভংগীত ভাৰতীয় সাহিত্যৰ প্ৰকৃতি আৰু লক্ষণ

### ২.১.০ উদ্দেশ্য

- ভাৰতত তুলনামূলক সাহিত্যৰ বিকাশ সম্পৰ্কে আলোচনা কৰা।
- তুলনামূলক দৃষ্টিভংগীত ভাৰতীয় সাহিত্যৰ প্ৰকৃতি আৰু লক্ষণ বিচাৰ কৰা।
- ভাৰতীয় আঞ্চলিক সাহিত্যৰ মাজত থকা সংযোগৰ সন্ধান কৰা। ভাৰতীয় সাহিত্যৰ স্বৰূপ উদ্ঘাটন কৰা।

### ২.১.১ প্ৰস্তাৱনা

একোখন দেশৰ প্ৰতিষ্ঠিত সাহিত্যৰ আঁৰত সেই দেশৰ জাতীয় চিন্তা, প্ৰচলিত কাহিনী, লোক-সংস্কৃতি আৰু জীৱন-দৰ্শনৰ প্ৰতিফলন ঘটে। ভাৰতীয় সাহিত্যৰ সুগঠিত শৰীৰতো এনেবোৰ দিশৰ প্ৰকাশ লক্ষ্যণীয়। বিশাল ভাৰতৰ জন-চিন্তাত পৌৰাণিক আখ্যান, ধৰ্মীয় ভাবধাৰা, লোক-সাহিত্য আৰু বিভিন্ন সন্তৰ দাৰ্শনিক চিন্তাৰ প্ৰভাৱত উদ্ভৱ হোৱা এক সদৃশ অনুভূতিৰ অস্তিত্ব ভাৰতীয় সাহিত্যৰ মাজত বিৰাজমান। এনেবোৰ দিশৰ সন্ধান আৰু বিশ্লেষণ কৰিলেই ভাৰতীয় সাহিত্যৰ ভাৰতীয়ত্বৰ উমান পাব পাৰি।

### ২.১.২ ভাৰতত তুলনামূলক সাহিত্যৰ সংজ্ঞা আৰু প্ৰাসংগিকতা

ভাৰতৰ বিভিন্ন আঞ্চলিক সাহিত্যৰ মাজত উমৈহতীয়া লক্ষণ আৰু বৈশিষ্ট্যৰে বৰ্তি থকা ভাৰতীয় সাহিত্যৰ অখণ্ড ৰূপ উপলব্ধি কৰিব পাৰি। এই আঞ্চলিক সাহিত্যসমূহৰ গোট উপলব্ধিয়েই হ'ল ভাৰতীয় সাহিত্যৰ উপলব্ধি। কিছুমান লক্ষণে আঞ্চলিক সাহিত্যক আঞ্চলিক হৈয়ো অখণ্ড ভাৰতীয় সাহিত্যৰ বৈশিষ্ট্য দান কৰিছে। কাৰণ ভাৰতৰ আঞ্চলিক সাহিত্যসমূহৰ উদ্ভৱ হৈছে ভাৰতীয় চিন্তাৰ একেডাল ঘাই শিপাৰপৰা। দৰ্শনৰ প্ৰভাৱ ভাৰতীয় মনত বৰ গভীৰ। বিশ্ব-সাহিত্যৰ

মাজত ভাৰতীয় সাহিত্য একক হৈ আছে এই দাৰ্শনিক চিন্তাৰ বিশিষ্টতাৰ বাবেই। ষড় দৰ্শনৰ বিভিন্ন তত্ত্বই ৰেখাপাত কৰা ভাৰতীয় মনত জীৱন আৰু মৃত্যু সম্পৰ্কে যি ধাৰণা আছে তাৰ ভিতৰত জন্মান্তৰবাদ, আত্মাৰ অবিনশ্বৰতা, কৰ্মফল আদিৰ ধাৰণা অতি প্ৰবল। ধৰ্ম-অৰ্থ-কাম-মোক্ষৰ ধাৰণাও স্পষ্ট। ভাৰতীয় মন ভোগবাদী নহয়, বৈৰাগ্যত বিশ্বাসী। ব্ৰহ্ম আৰু জীৱৰ সম্পৰ্ক, পুৰুষ-প্ৰকৃতি, বিদ্যা-অবিদ্যা আদি দুৰূহ তত্ত্বৰ বিশ্লেষণ ভাৰতীয় মানুহে প্ৰায় অপ্ৰয়াসেই নিজৰ চিন্তাধাৰাত উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিছে। এইবোৰ দাৰ্শনিক চিন্তাধাৰাৰ বীজ ভাৰতৰ লোকমন আৰু লোকসংস্কৃতিত এনেভাৱে মিহলি হৈ আছে যে বিভিন্ন অঞ্চলৰ সাহিত্যত ই যিকোনো প্ৰকাৰে প্ৰতিফলিত হয়। ভাৰতত থকা ইছ্‌লামিক সাহিত্যৰ শক্তিশালী ধাৰাটোৰ কথাও এই প্ৰসংগত বিশেষভাৱে আলোচনাৰ যোগ্য। মুছলমানসকলৰ প্ৰব্ৰজনৰ ফলত আৰবী-ফাৰ্চী সাহিত্যৰ সংস্পৰ্শলৈ অহা ভাৰতীয় সাহিত্যই কালক্ৰমে এক মিশ্ৰিত চিন্তাধাৰাৰ প্ৰতিফলন ঘটাইছিল। চুফীবাদৰ দৰে আধ্যাত্মিক ৰহস্যবাদ আৰু ভাৰতীয় অধ্যাত্ম-চিন্তাৰ মিশ্ৰণত একপ্ৰকাৰ অভিনৱ সাহিত্য-চিন্তাৰ উদ্ভৱ হৈছিল। উৰ্দু ভাষাই সেতুৰ কাম কৰিছিল ইছলামিক দৰ্শন আৰু ভাৰতীয় চিন্তাৰ মিশ্ৰণত। উৰ্দু কবি আমীৰ খুচ্‌ৰুৰ কবিতাত জাতি আৰু সম্প্ৰদায়ৰ সংকীৰ্ণতা পাৰ হৈ ভাৰতীয় মনৰ ভগৱৎ প্ৰেম আৰু সৌন্দৰ্য-তৃষ্ণা কাব্যিক সৌন্দৰ্যৰে জিলিকি উঠিছিল। ভালেকেইজন উৰ্দু কবি, মধ্যযুগৰ ভক্ত মুছলমান কবি আৰু প্ৰচাৰকৰ হাতত চুফিবাদৰ ভগৱান-সন্ধান মিলি পৰিছিল ভাৰতীয় বেদান্ত-দৰ্শন আৰু ভক্তিতত্ত্বৰ লগত। কবীৰৰ দোহা আৰু আজান ফকীৰৰ জিকিৰ গীতবোৰত হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰে চিন্তা আৰু দৰ্শনৰ মিশ্ৰণ দেখা যায়। সাংস্কৃতিক সংমিশ্ৰণৰ শুভফল ৰূপে এই সাহিত্যিক প্ৰকাশসমূহক চিনাক্ত কৰিব পাৰি।

ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ভৌগোলিক দূৰত্বক আওকাণ কৰি কেনেদৰে চিন্তা আৰু ধাৰণাৰ প্ৰব্ৰজন ঘটিছে সেইকথা বিচাৰ কৰিলে আচৰিত হ'ব লগা হয়। উত্তৰ ভাৰতৰ বেদ আৰু উপনিষদৰ চিন্তাই দক্ষিণ ভাৰতত প্ৰৱেশ কৰাৰ পিছত শংকৰৰ অদ্বৈতবাদ আৰু ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ ৰূপে পুনৰ উত্তৰলৈ উভতি অহাৰ প্ৰক্ৰিয়াটোৱেই অতি

কৌতুহলোদ্দীপক। দক্ষিণ ভাৰতত উদ্ভৱ হোৱা ভক্তি-ধৰ্মই ক্ৰমে সমগ্ৰ ভাৰতবৰ্ষখনকে ধুৱাই পেলাইছিল। কাশ্মীৰৰ পৰা অহা শৈৱধৰ্মই তামিলনাডুত খোপনি পুতিছিল। নেপালত উদ্ভৱ হোৱা, মধ্যভাৰতত প্ৰভাৱ বিস্তাৰ কৰা বৌদ্ধধৰ্ম অসমত মিলি পৰিছিল শাক্ত তান্ত্ৰিকতাৰ লগত। এই আটাইবোৰ ধৰ্মীয় চিন্তাৰ কাষে কাষে কিছুমান সাহিত্য ৰূপৰ উদ্ভৱ আৰু বিকাশ ঘটিছিল। সেইবোৰৰ প্ৰকৃতিত আঞ্চলিকতা আৰু অখণ্ডতা সমানে প্ৰতিফলিত হৈছে। ভাৰতীয় মনৰ বৈচিত্ৰ্য আৰু বহুধা-বিভক্ত চিন্তাধাৰা এক হৈ মিলি পৰিছে ভক্তিগীত, কবিতা আৰু সাহিত্যৰ বিভিন্ন ৰূপত।

ভাৰতীয় সাহিত্যৰ ভাৰতীয়ত্ব নিৰ্মাণৰ ক্ষেত্ৰত অতি উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে মহাকাব্য দুখনে। আঞ্চলিক সাহিত্যৰ যোগেদি চুকে-কোণে বিয়পি পৰা ৰামায়ণৰ আঞ্চলিক ৰূপত স্থানীয় মনোৰঞ্জনৰ বিবিধ উপাদান সংযোজিত হ'লেও একেই আৱেদন আৰু প্ৰেৰণাৰে ই ভাৰতীয় সাহিত্যৰ মূল শক্তি ৰূপে কাম কৰি আহিছে, ভাৰতীয় মনৰ চিন্তা আৰু শক্তি বহুখিনি নিয়ন্ত্ৰণ কৰিছে। মহাভাৰতৰ পল্লৱিত ৰূপে ভাৰতীয় সাহিত্যত বিবিধ কাহিনী, উপকাহিনী আৰু সিবোৰৰ আশ্ৰিত খণ্ড-সাহিত্যৰ সৃষ্টি কৰিছে। এইবোৰৰ মাজত একেটা ভাৰতীয় মনৰ প্ৰকাশ সুস্পষ্ট। মহাকাব্য দুখনৰ বাহিৰেও জাতক, পুৰাণ, লোক-সাহিত্য আৰু সংগীত শাস্ত্ৰৰ ঐশ্বৰ্যময় পৰম্পৰাই ভাৰতীয় সাহিত্যৰ অভ্যন্তৰত এক অখণ্ড সত্বা দান কৰিছে।

আধুনিক কালৰ ভাৰতীয় সাহিত্যৰ এক উমৈহতীয়া লক্ষণ হ'ল পাশ্চাত্য-সাহিত্যৰ এক সচেতনতা। আধুনিক ভাৰতীয় সাহিত্যৰ প্ৰতিটো আঞ্চলিক ৰূপতে পাশ্চাত্যৰ প্ৰভাৱত এক নৱজাগৰণৰ সৃষ্টি হৈছিল। নৱজাগৰণৰ ফলত জাগি উঠা ৰোমাণ্টিক চেতনা আৰু তাৰো পিছত সৃষ্টি হোৱা আধুনিক দৃষ্টিভংগীৰ আঁৰত পাশ্চাত্যৰ যি অনুপ্ৰেৰণা আছে, সি ভাৰতীয় সাহিত্যৰ এক বিভিন্ন আঞ্চলিক ৰূপৰ মাজত একে ধৰণৰ এক চিন্তাধাৰাৰ জন্ম দিছে।

ঊনৈশ শতিকাত যেতিয়া ইউৰোপীয় পণ্ডিতসকলে ভাৰতৰ সংস্কৃত সাহিত্যৰ সোণালী ঐশ্বৰ্যসমূহ আৱিষ্কাৰ কৰিলে, তেতিয়াহে যেন ভাৰতীয় মানুহৰ চকু নতুনকৈ মেল খালে। পুৰণি ঐতিহ্য আৰু

পৰম্পৰা ৰক্ষা আৰু বহন কৰিবলৈ ভাৰতীয় মানুহ যেন নতুনকৈ সাজু হৈ উঠিল। প্ৰাচ্যতত্ত্ববিদসকলৰ চকুত পৰিল প্ৰাচ্য আৰু ইউৰোপৰ মাজত থকা কাহিনী, আখ্যান, সংস্কৃতি আৰু ধাৰণাৰ বিস্ময়কৰ সাদৃশ্য। প্ৰথমবাৰৰ বাবে অনুভৱ কৰা গ'ল বিশ্ব-সাহিত্যৰ অস্তিত্ব আৰু তুলনামূলক অধ্যয়নৰ গুৰুত্ব।

১৮০৬ চনত উইলছনে (H.H. Wilson) কালিদাসৰ অমৰ কাব্য 'শকুন্তলা'ৰ প্ৰশংসা কৰি নাটকখনৰ মাজত থকা মানৱীয় মূল্যবোধ আৰু সাহিত্যিক সৌন্দৰ্যৰ অপূৰ্ব সমাহাৰত বিস্ময় প্ৰকাশ কৰিছিল। বিশ্ব-সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত এয়া আছিল মূল্যবান আৰু উল্লেখযোগ্য মন্তব্য। মেথিউ আৰ্নল্ডে Comparative Literature শব্দটো ইংৰাজীতে নিৰ্মাণ কৰাৰ আৰু ১৮২৯ চনত ৱিলমে (Villemain) নামৰ ফৰাচী সমালোচকে Literature Compare শব্দটোৰ প্ৰথম প্ৰয়োগ কৰাৰ বহু আগতেই Goethe আৰু Saint Beuve ৰ উক্তিত বিশ্বসাহিত্য সম্পৰ্কে উল্লেখ পোৱা যায়। তেওঁলোকে লক্ষ্য কৰিছিল হোমাৰ, বাল্মীকি, ব্যাস, ফিৰদৌচি আদি কবিসকলৰ ভাব আৰু আদৰ্শৰ মাজত থকা অদ্ভূত সামঞ্জস্য। সেয়েহে ধৰ্ম, দৰ্শন, আখ্যান আৰু মূল্যবোধৰ মাজত এক তুলনামূলক সমীক্ষাৰ প্ৰয়োজনো দিনে দিনে বেছিকৈ অনুভূত হৈছিল।

ভাৰতত ইংৰাজী শিক্ষাৰ প্ৰচলন হোৱাৰ পিছত দিনে দিনে সাহিত্যিক আৰু সাহিত্যৰসিকসকলৰ ইংৰাজী সাহিত্যৰ লগত ঘনিষ্ঠতা বাঢ়ি আহিল। বিশ্ব-সাহিত্যৰ মাজত ধৰা পৰা বহুতো সদৃশ চিন্তাৰ অবলোকনে তেওঁলোকৰ দৃষ্টিভংগী নতুন কৰি তুলিলে। ১৮৭৩ চনত বংকিমচন্দ্ৰ চেটাৰ্জিয়ে ৰচনা কৰা 'শকুন্তলা, মিৰাণ্ডা আৰু ডেছ্‌ডিমোনা' নামৰ প্ৰবন্ধত এই দৃষ্টিভংগীৰ উমান পোৱা যায়। তেওঁ আৰু কেইটামান নতুন দৃষ্টিভংগীৰ ৰচনা লেখিছিল। তাৰ ভিতৰত আছে বৈদিক সূক্তৰ লগত শ্যেলী আৰু বায়ৰণৰ কবিতাৰ তুলনা, 'উত্তৰ-ৰাম-চৰিত'ৰ লগত শ্বেকছ্‌পীয়েৰৰ নাটকৰ তুলনা আৰু 'কুমাৰসম্ভৱম'ৰ লগত মিল্টনৰ 'পেৰাডাইজ লষ্ট'ৰ তুলনা। এই তুলনা আধুনিক দৃষ্টিত নিখুঁত অধ্যয়ন নহ'বও পাৰে, তথাপিও বিশ্ব-সাহিত্যলৈ চকু দিয়াৰ মানসিকতাৰ বাবে এই ৰচনাকেইখনৰ গুৰুত্ব আছে। ১৯০৭ চনত ৰবীন্দ্ৰনাথ ঠাকুৰে কলিকতাৰ জাতীয় শিক্ষা পৰিষদৰ এখন সভাত Comparative Literature ৰ বিষয়ে ভাষণ দিওঁতে তুলনামূলক সাহিত্যৰ ঠাইত বিশ্ব-

সাহিত্য শব্দটো প্ৰয়োগ কৰিছিল। তেওঁ কৈছিল যে সংকীৰ্ণ আঞ্চলিকতাৰ পৰা মুক্ত হৈ আমি আনৰো সৃষ্টিশীলতা প্ৰত্যক্ষ কৰা উচিত, বিশ্ব-মানৱৰ সৃষ্টিশীল মনৰ প্ৰকাশ বিশ্ব-সাহিত্যৰ বিবিধ অংগত কেনেদৰে ঘটিছে সেই কথাৰ উমান লোৱা উচিত। ভাৰতৰ অন্য এজন জ্ঞান সাধক শ্ৰীঅৰবিন্দয়ো বিভিন্ন প্ৰসংগত একে ধৰণৰ মত প্ৰকাশ কৰিছিল। 'ভাৰতীয় সাহিত্য' শীৰ্ষক এলানি প্ৰবন্ধৰ মাজেৰে তেওঁ এই কথাত গুৰুত্ব আৰোপ কৰিছিল যে ভাৰতীয় লোকে সংস্কৃতিৰ বাহিৰেও বৌদ্ধ সাহিত্য, আঞ্চলিক সাহিত্য আৰু প্ৰাচীন, মধ্য, আধুনিক যুগৰ ইউৰোপীয় সাহিত্য অধ্যয়ন কৰা উচিত।

১৯৪৫ চনত সৰ্বভাৰতীয় লেখক অধিৱেশনৰ সভানেত্ৰীৰ ভাষণত সৰোজিনী নাইডুৱে কৰা মন্তব্যও এই প্ৰসংগত উল্লেখযোগ্য। তেওঁ কৈছিল যে অখণ্ড ভাৰতমাতৃৰ সন্তানসমূহে যদিও ভিন্ ভিন্ ভাষাৰ কথা কয়, তথাপি সিহঁতৰ থাকে একেখন অখণ্ড হৃদয়। ড° ৰাধাকৃষ্ণণৰ মতে ভিন্ ভিন্ ভাষাত ৰচনা কৰিলেও ভাৰতীয় সাহিত্য মূলতে এবিধেই। ভি. কে. গোকক, সুনীতি কুমাৰ চেটাৰ্জি, নগেন্দ্ৰ আদি পণ্ডিতসকলে ভাৰতীয় প্ৰাদেশিক সাহিত্যসমূহৰ চৰ্চা আৰু অধ্যয়নৰ মাজেদি ভাৰতীয় সাহিত্যৰ স্বৰূপ উপলব্ধিত গুৰুত্ব দিয়ে। লাহে লাহে বিদ্বৎ সমাজত এই অনুভৱ দৃঢ় হৈ আহিবলৈ ধৰিলে যে ৰাষ্ট্ৰীয় সাহিত্যৰ স্বৰূপ উপলব্ধিৰ বাবে বিশ্বসাহিত্যৰ সম্যক জ্ঞানৰ প্ৰয়োজন। এই প্ৰয়োজন পূৰাবৰ বাবে সহায়ক হয় তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতি।

এই সজাগতাৰ ফলস্বৰূপে ভাৰতৰ বিশ্ববিদ্যালয়সমূহৰ পাঠ্যক্ৰমত ভাৰতীয় সাহিত্যৰ অন্তৰ্ভুক্তি বাঢ়ি আহিবলৈ ধৰে। ভাৰতীয় ভাষাসমূহৰ চৰ্চাও বিস্তৃত হৈ আহিব ধৰে। তুলনামূলক সাহিত্যৰ গুৰুত্ব উপলব্ধি কৰি যাদৱপুৰ বিশ্ববিদ্যালয়ে সম্পূৰ্ণ এটি বিভাগ স্থাপন কৰে। ১৯৯২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত 'তুলনামূলক ভাৰতীয় সাহিত্য' শাখা এটি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হয়।

সাম্প্ৰতিক কালত তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বিশিষ্ট তুলনাকাৰীসকলে এই অধ্যয়ন পদ্ধতিৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তা দেখুৱাই গ্ৰন্থ, প্ৰবন্ধ আদি প্ৰকাশ কৰিছে, নানা আলোচনা-চক্ৰ আদিত ইয়াৰ ব্যাখ্যা আৰু বিশ্লেষণ কৰি

এক দেশময় জাগৰণৰ সৃষ্টি কৰিছে। শিশিৰ কুমাৰ দাস, অমিয় দেৱ, চন্দ্ৰমোহন, কে. আয়াপ্পা পাণিকৰ, ইন্দ্ৰনাথ চৌধুৰী, স্বপন চৌধুৰী, স্বপন মজুমদাৰ আদি পণ্ডিতসকলৰ ৰচনাত তুলনামূলক সাহিত্যৰ স্বৰূপ উদ্‌ঘাটন কৰা হৈছে।

## ২.১.৩ তুলনামূলক দৃষ্টিভংগীত ভাৰতীয় সাহিত্যৰ প্ৰকৃতি আৰু লক্ষণ ঃ

ভাৰতীয় সাহিত্যৰ ঘাই লক্ষণ আধ্যাত্মিকতা বুলি ভবা হ'লেও কেৱল ধৰ্মীয়-চিন্তা আৰু ধৰ্ম-তত্বতে ভাৰতীয় সাহিত্য মগ্ন হৈ থকা নাই। বৈৰাগ্য আৰু ভোগ, ত্যাগ আৰু গ্ৰহণ, দুয়োটাই ভাৰতীয় সাহিত্যত আছে। বৌদ্ধধৰ্মৰ নিৰ্বাণ-লাভৰ আকাংক্ষা আৰু গীতাৰ কৰ্মযোগ ভাৰতীয় মানুহৰ মনত আৰু মনৰ পৰা সাহিত্যত সোমাই আছে। সকলোৰে মূলতে থকা ভাৰতীয় মানুহৰ আধ্যাত্মিক দৃষ্টিভংগী, অন্তৰ্দৃষ্টি আৰু মানসিকতাৰ সদৃশ গঠনে ভাৰতীয় সাহিত্যৰ মাজত এক ভাৰতীয়ত্বৰ প্ৰকাশ ঘটাইছে। পশ্চিমৰ বাবে এই প্ৰকাশ নানা বিশিষ্ট গুণেৰে ভৰপূৰ আৰু তাতে আছে ভাৰতীয় সাহিত্যৰ পৰিচয়। সাধাৰণতে বৈৰাগ্যৰে উজ্বল কবিতাবোৰৰ পৰা ভাৰতীয় সাহিত্যক সংসাৰৰ প্ৰতি মোহনীয় আৰু অসীমৰ সন্ধান কৰোঁতা বুলি এটা সাঁচ মাৰি দিয়া হয়। কিন্তু এই কথা পাহৰা উচিত নহ'ব যে ভাৰতীয় সাহিত্যত এক গভীৰ জীৱন-প্ৰীতিও আছে। ভাৰতীয় মনে জীৱন আৰু মৃত্যুক সমানে গ্ৰহণীয় বুলি মত প্ৰকাশ কৰে। মৃত্যুৰ মাজেদি প্ৰকাশিত হয় জীৱনৰ জয়গান। বেদৰ যুগৰ পৰা ঋষি-মুনিৰ মনত জাগি উঠা জীৱন-জিজ্ঞাসা আৰু জীৱন-মৃত্যুৰ ৰহস্য-নিৰাময়ৰ সন্ধান ৰবীন্দ্ৰনাথৰ পৰা নলিনীবালালৈ, মহাদেৱী বৰ্মালৈ একেধৰণে প্ৰৱাহিত হৈছে। এয়ে হৈছে ভাৰতীয় সাহিত্য। চিন্তা আৰু ভাবনাৰ ঐতিহ্য কান্ধ বাগৰি আহি আছে উপনিষদৰ পৰা ৰবীন্দ্ৰনাথ, ৰবীন্দ্ৰনাথৰ পৰা বৰুৱালৈকে।

ভাৰতীয় সাহিত্যৰ মাজত অখণ্ড সাদৃশ্যৰ সৃষ্টি কৰা এক উপাদান হ'ল ভাৰতীয় ধাৰণাত সৌন্দৰ্যতত্ত্ব। সৌন্দৰ্য– ভাৰতীয় মনৰ বাবে এক আত্মিক উপলব্ধি। সময় বিশেষে সৌন্দৰ্য হ'ল আনন্দৰ নামান্তৰ। সৌন্দৰ্য মংগলময়। বাহ্যিক দৃষ্টিত ধুনীয়া বস্তু 'সুন্দৰ' হ'লেও সি সৎ আৰু মংগলময় নহ'বও পাৰে। কবি-শিল্পীয়ে মনৰ চকুৰে যত সুন্দৰত্ব আৰু

মাংগলিকতা বিচাৰি পায় সেয়ে সুন্দৰ। অৰ্থাৎ, সৌন্দৰ্য নিৰ্ভৰ কৰে দ্ৰষ্টাৰ নাইবা গ্ৰহণ কৰোঁতাৰ অন্তৰ্দৃষ্টিৰ ওপৰত। সৌন্দৰ্যৰ গুৰিতে আছে এক সামঞ্জস্য। বস্তুজগত, তাৰ প্ৰতিফলন, চাওঁতাৰ অন্তৰ্দৃষ্টি আৰু গ্ৰহণৰ সুষম সামঞ্জস্যৰ ফলত সৌন্দৰ্যৰ সৃষ্টি হয়। গতিকে সৌন্দৰ্য এক সন্মিলিত প্ৰক্ৰিয়াৰ ফলত হোৱা অন্তৰ্জগতৰ অনুভৱ। ভাৰতীয় সাহিত্যত সৎ, চিৎ, আনন্দস্বৰূপ পৰমব্ৰহ্ম আৰু সত্য-শিৱ-সুন্দৰৰ মহিমা প্ৰকাশ কৰা হয়। সমগ্ৰ ভাৰতীয় সাহিত্যৰ মাজত ধৰ্মীয় চিন্তা নাইবা আধ্যাত্মিক উপলব্ধিৰ মাজেৰে প্ৰাচীন যুগৰ পৰা এতিয়ালৈকে এক সৌন্দৰ্যতত্ত্ব প্ৰকাশ পাইছে। এই সৌন্দৰ্যৰ ধাৰণা ভাৰতীয় কবিৰ নিজা। সাহিত্য-চেতনা, তেওঁলোকৰ বাবে অসীম আনন্দময়। ৰস-নিষ্পত্তিৰ যোগে এই আনন্দৰ উপলব্ধি হয়। কাব্যপাঠৰ আনন্দক ব্ৰহ্মানন্দৰ সহোদৰ বুলি কৰা উক্তিৰ দ্বাৰা এই আনন্দক অতি উচ্চস্তৰৰ সন্মান দিয়া হৈছে।

বেদান্তিক চিন্তাৰ পৰমব্ৰহ্মৰ ধাৰণা ভাৰতীয় সাহিত্যত বিয়পি আছে। সৃষ্টিৰ মূল শক্তি ৰূপে ব্ৰহ্ম বিশ্বসংসাৰৰ কেন্দ্ৰবিন্দুত অৱস্থিত। ব্ৰহ্ম সকলোতে আছে– নানা নাম আৰু ৰূপেৰে। এই উপলব্ধি ভাৰতীয় সাহিত্যই নানা ঠাইত নানা ৰূপেৰে ব্যক্ত কৰিছে।

ভাৰতীয় সংস্কৃতি, চিন্তা আৰু ভাৰতীয় ইতিহাসৰ প্ৰকৃতি কিছুমান বিশেষত্বসম্পন্ন। ভাৰতীয় সাহিত্যৰ মাজত এই বিশেষত্ববোৰ কেতিয়াবা ভিতৰত সোমাই থাকে আৰু কেতিয়াবা ওপৰতে জিলিকি থাকে। অভ্যস্ত হৈ পৰা ভাৰতীয় পাঠকৰ বাবে এই কথা চকুত পৰা বিধৰ নহয় যদিও অভাৰতীয় পাঠকে এইবোৰ বিশেষত্ব গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। জীৱন আৰু মৃত্যুক, সুখ আৰু দুখক একেটা মুদ্ৰাৰে দুটা পিঠি বুলি ভবা ভাৰতীয় চিন্তা প্ৰকৃততেই বিশিষ্ট। ভাৰতীয় সাহিত্যত সুখত অস্থিৰ নোহোৱা আৰু দুখত কাতৰ নোহোৱা ধীৰ-স্থিৰ ব্যক্তিত্বৰ প্ৰকাশ দেখা যায়। বিভিন্ন কাব্য, নাট আৰু কবিতাৰ মাজত দেখা যায় যে আনন্দ আৰু বেদনাক একে পাত্ৰতে থৈ কবি-সাহিত্যকে যেন জীৱনৰ প্ৰকৃত ৰস উপলব্ধি কৰিছে। ভাৰতীয় নাট্য-শাস্ত্ৰই ৰংগমঞ্চত মৃত্যুৰ দৰে নিষ্ঠুৰ দৃশ্য উপস্থাপনৰ অনুমতি নিদিয়ে যদিও কৰুণ ৰসকেই একমাত্ৰ ৰস বুলিও স্বীকৃতি দিছে। প্ৰাচীন ভাৰতীয় চিন্তাৰ এই পৰম্পৰা অৱলীলাক্ৰমে পাছৰ কাললৈ প্ৰৱাহিত হৈ ভাৰতীয়

কবিতাৰ বিশিষ্ট সম্পদত পৰিণত হৈছে। মৃত্যুক জীৱনৰ পৰিপূৰক বুলি আৰু পৰম ৰমণীয় বুলি কৰা কল্পনা একান্তভাৱে ভাৰতৰ নিজস্ব। গভীৰ দুখৰ অশ্ৰুক পৰমপ্ৰাপ্তি বুলি কৃতজ্ঞতাৰে গ্ৰহণ কৰাৰ মনোভাবো ভাৰতীয় মনৰ বিশেষত্ব।

ভাৰতীয় সাহিত্যৰ উমৈহতীয়া এক প্ৰেৰণা হ'ল স্বাধীনতা আন্দোলন। আগৰ কালৰ ৰামায়ণ, মহাভাৰত আৰু ভাগৱত-পুৰাণে যিদৰে ভাৰতৰ সকলো ঠাইতে সমগোত্ৰীয় চিন্তা আৰু আদৰ্শৰ বীজ সিঁচিছিল, পিছৰ কালৰ স্বাধীনতা আন্দোলনেও একেইকাম কৰিছিল। অসমৰ দৰে সীমামূৰীয়া ৰাজ্যকো এই আন্দোলনে বিশাল ভাৰতীয়ত্বৰ সম্ভেদ দিছিল। দেশপ্ৰেম, পৰাধীন অৱস্থাৰ গ্লানি আৰু মূৰ তুলি জীয়াই থকাৰ বাসনা সাহিত্যত প্ৰতিফলিত হোৱাৰ লগতে জাতি-বৰ্ণ নিৰ্বিশেষে এক ভাতৃত্বৰ অনুভৱো ভাৰতবাসীয়ে লাভ কৰিলে। এই মনোৰম অনুভূতিৰ সাঁচ ভাৰতীয় মনত ৰৈ গৈছে।

## খণ্ড ২

## গোট - ২ঃ তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নৰ উপযোগিতা আৰু অসমত তুলনামূলক সাহিত্য

### ২.২০ উদ্দেশ্য

- সাম্প্ৰতিক কালত তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰা।
- অসমৰ শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰত তুলনামূলক সাহিত্যৰ স্থান সম্পৰ্কে আলোচনা কৰা।

### ২.২.১ প্ৰস্তাৱনা

ভাৰতীয় সাহিত্যত তুলনামূলক প্ৰক্ৰিয়া প্ৰাচীন কালৰেপৰা অন্তঃস্ৰোত ৰূপে বৈ থকা বুলি অনুমান কৰিব পাৰি। প্ৰাচীন ভাৰতৰ সাহিত্যিক পৰম্পৰাত সংস্কৃত ভাষাৰ কাষে কাষে আঞ্চলিক ভাষাসমূহ তিষ্ঠি আছিল যদিও প্ৰাচীন ভাৰতীয় সাহিত্য বুলি ক'লে সুন্দৰ, শক্তিশালী আৰু গাম্ভীৰ্যপূৰ্ণ সংস্কৃত সাহিত্যকে বুজোৱা যায়। সংস্কৃত ভাষাৰ পণ্ডিত বা কবিয়ে কেতিয়াও সচেতনভাৱে অন্য ভাষাৰ লগত তুলনাৰ বা সংযোগৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল, কিন্তু তেওঁলোকে একোখন নাটকত সংস্কৃতৰ বাহিৰেও প্ৰাকৃত ভাষাৰেই কেইবাটাও শাখা ব্যৱহাৰ কৰিছিল। নাটকবোৰত ৰজা আদি সন্মানীয় পুৰুষ চৰিত্ৰই ব্যৱহাৰ কৰে সংস্কৃত ভাষা, নাৰী-চৰিত্ৰই ব্যৱহাৰ কৰে শৌৰসেনী প্ৰাকৃত, সৰ্বসাধাৰণৰ মুখত দিয়া হয় মাগধী প্ৰাকৃত আৰু গীতবোৰত ব্যৱহাৰ কৰা হয় মহাৰাষ্ট্ৰী প্ৰাকৃত। গতিকে প্ৰায় ধৰা-বন্ধাভাৱেই প্ৰাচীন কালতো বহুভাষিকতা প্ৰয়োগ কৰাৰ আৰু সেই সময়ৰ অলংকাৰিকসকলেও তাক সহজভাৱে গ্ৰহণ কৰাৰ কথা বুজা যায়।

কালক্ৰমত বিভিন্ন ভাৰতীয় ভাষাৰ সাহিত্যসমূহৰ মাজত বৌদ্ধিক

আৰু আনুভূতিক আদান-প্ৰদান ঘটাত বিশাল ভাৰতীয় সাহিত্যৰ এটা নিৰ্দিষ্ট ৰূপ বিচাৰি পাব পৰা গ'ল। এই অখণ্ড ৰূপৰ উপলব্ধিৰ দ্বাৰা সম্প্ৰীতি আৰু একতাৰ অন ুভৱ গভীৰ হ'ব।

## ২.২.২ তুলনামূলক ভাৰতীয় সাহিত্য অধ্যয়নৰ উপযোগিতা

ভাৰতবৰ্ষ এখন বহুভাষিক ৰাষ্ট্ৰ। ইয়াৰ প্ৰাকৃতিক, ভৌগোলিক আৰু সাংস্কৃতিক বাতাবৰণ অঞ্চলভেদে বেলেগ বেলেগ। তথাপিও তাৰ মাজত অটুট হৈ তিষ্ঠি থকা ভাৰতীয় মনৰ উপলব্ধি অত্যন্ত গুৰুত্বপূৰ্ণ। এই অখণ্ড মন নিৰ্মাণত মুখ্য ভূমিকা গ্ৰহণ কৰিছে মহাকাব্য দুখনে, মধ্যযুগীয় ভক্তি আন্দোলনে আৰু ভাৰতৰ স্বাধীনতা আন্দোলনে। তদুপৰি ভাৰতৰ আঞ্চলিক ভাষাসমূহত অলপ অগা-পিছাকৈ আৰম্ভ হোৱা ৰোমাণ্টিক নৱজাগৰণে ভাৰতীয় সাহিত্যত এক অখণ্ড মূল্যবোধৰ সৃষ্টি কৰিলে, অসমীয়া সাহিত্যৰ জোনাকী যুগ, উড়িয়া সাহিত্যৰ সবুজ আন্দোলন, হিন্দী সাহিত্যৰ ছায়াবাদ, মাৰাঠী সাহিত্যত ৰবি কিৰণ মণ্ডল, কানাড়াত গেলেয়াৰ গুম্‌পু আদি বিবিধ মাধ্যমেৰে ভাৰতীয় সাহিত্যত নতুনৰ বাতৰি বিয়পি পৰিল। প্ৰাচ্য আৰু পাশ্চাত্যৰ চিন্তা-অনুভৱৰ অপূৰ্ব মিশ্ৰণত ভাৰতীয় সাহিত্য চহকী হৈ উঠিল। শ্যেলী, কীট্‌ছ, বায়ৰনৰ নতুন চিন্তাৰ লগত কালিদাস, বিদ্যাপতিৰ কাব্যিক পৰম্পৰা মিহলি হৈ ভাৰতীয় কবিতাৰ বিশিষ্ট ৰূপৰ শক্তিশালী ভিত্তি নিৰ্মাণ কৰিলে। ৰবীন্দ্ৰনাথৰ ভাষাত–

পশ্চিমে আজ খুলিয়াছে দ্বাৰ
হেথা হতে সবে আনে উপহাৰ
দিবে আৰ নিবে, মিলাবে মিলিবে
যাবে না ফিৰে
এই ভাৰতেৰ মহামানবেৰ সাগৰতীৰে।

ভাবনাৰ সংশ্লেষণত ভাৰতেও বহুত দিলে পশ্চিমক, নিজেও গ্ৰহণ কৰিলে বহুত। বিশ্ব-সাহিত্যৰ বুকুত ভাৰতীয় চিন্তাই প্ৰতিধ্বনি তুলিলে। ভাৰতীয় দৰ্শনে ৰূপ দিলে জটিল আধুনিক কবিতাৰ। ভাৰতীয় সাহিত্যৰ গভীৰতা অধ্যয়নৰ বাবে সেয়েহে বিশেষ সহায়ক হ'ব পাৰে তুলনামূলক অধ্যয়ন পদ্ধতি। অসমীয়া সাহিত্যৰ স্বৰূপ অধ্যয়নৰ বাবে

আমি অধ্যয়ন কৰিব লগা হয় বাল্মিকীৰ পৰা সুৰদাসলৈ, ৱৰ্ডছৱৰ্থৰ পৰা ৰবীন্দ্ৰনাথলৈ, স্কটৰ পৰা দ্বিজেন্দ্ৰলাললৈ। আধুনিক কবিতাত এনে অধ্যয়নৰ প্ৰয়োজন আৰু বেছি। কাৰণ, বিশ্বায়নৰ ফলত ওচৰ চাপি অহা বৌদ্ধিক সংযোগৰ বাবে সাহিত্য-চিন্তাত সংশ্লেষণৰ পৰিমাণ বেছি হোৱাই সম্ভৱ। তাৰ পিছত আহি পৰে আধুনিক কবিতাৰ কাল। পাশ্চাত্যৰ অভিনৱ চিন্তা আৰু বিচাৰ-বিশ্লেষণ-শৈলীৰ প্ৰভাৱত আধুনিক ভাৰতীয় কবিতাই আৰু কিছুমান নতুন বৈশিষ্ট্য লাভ কৰে। এই বৈশিষ্ট্যসমূহৰ ভিতৰত আছে আধুনিক কালৰ জটিল সমস্যা– মানুহৰ নিঃসংগতা, জীৱনৰ যান্ত্ৰিকতা, পৰম্পৰাৰ মোহৰ বান্ধোন নেওচি অভিনৱত্বক আদৰি লোৱাৰ প্ৰয়াস, সমাজৰ অৱক্ষয় আৰু পৰিৱৰ্তনৰ কঠিনতাই চেপি পেলোৱা জীৱনৰ মূল্যবোধৰ অপমৃত্যু। আধুনিক ভাৰতীয় কবিতাৰ সকলো আঞ্চলিক ৰূপতে এই বৈশিষ্ট্যসমূহ নানা ধৰণে বিয়পি আছে। বিষ্ণু দে, নৱকান্ত বৰুৱা, হেম বৰুৱা, বুদ্ধদেব বসু, সীতাকান্ত মহাপাত্ৰ, অমৃতা প্ৰীতম আদি কবিৰ কবিতাত ব্যক্তিগত অনুভূতিৰ ওচৰে ওচৰে আছে আধুনিক মানুহৰ চিৰন্তন সমস্যাৰ অনুভূতি। এই অনুভূতি প্ৰকাশৰ বাবে প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগে ভাৰতীয় কবিতাৰ পুৰণি ৰূপ সলাই পেলালে।

ভাৰতীয় সাহিত্যৰ অখণ্ডতাৰ স্বৰূপ অধ্যয়নৰ বাবে সবাতোকৈ সহায়ক হয় গল্প আৰু উপন্যাসসমূহ। আধুনিক কালৰ এই সাহিত্য-ধাৰাত ভাৰতীয় মন আৰু ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত প্ৰতিফলন বিচাৰি পাব পাৰি। ভাৰতৰ প্ৰাণৰ স্পন্দন আছে গাওঁবোৰত। গাঁও অঞ্চলৰ মানুহৰ সুখ, দুখ, আশা, সপোন আৰু জীৱন সংগ্ৰামৰ কাষে কাষে বৰ্তি থকা মানৱীয় মূল্যবোধৰ ছবিয়ে এখন বিশাল দেশৰ জনসাধাৰণৰ জীৱনৰ চিত্ৰ দাঙি ধৰে। ছবিবোৰ আঞ্চলিক হৈও জাতীয়। অসম, বংগ, উৰিষ্যা বা কেৰেলাৰ জনসাধাৰণৰ জীৱন-কাহিনীৰ মাজত মূৰ্ত হৈ উঠে সমগ্ৰ ভাৰতীয় মানুহৰ মন আৰু আত্মাৰ বাতৰি। প্ৰেমচান্দ, ফকীৰ মোহন সেনাপতি, তাৰাশংকৰ বন্দোপাধ্যায়, আব্দুল মালিক, বিভূতি ভূষণ বন্দোপাধ্যায় আদিৰ উপন্যাসত গ্ৰাম্য জীৱনৰ মাটিৰ গোন্ধ স্পষ্ট। নগৰীয়া জীৱনৰ নানা সমস্যা, প্ৰেম আৰু যৌনতা, ৰাজনৈতিক চিন্তা, সমাজ পৰিৱৰ্তনৰ ইংগিতেৰে ভৰা বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, থাকাছি শিৱশংকৰ

পিল্লাই, পান্নালাল পেটেল, মনু ভাণ্ডাৰি, নয়নতাৰা সাইগল, সমৰেশ বসু আদিৰ উপন্যাস। ভাৰতীয় আঞ্চলিক ভাষাৰ উপন্যাসৰ বিস্তৃত অধ্যয়নৰ দ্বাৰা বৈচিত্ৰ্যৰ মাজত ঐক্য ৰূপে প্ৰতিষ্ঠিত হোৱা ভাৰতীয় লোক-চেতনাৰ প্ৰাণৰ স্পন্দন অনুভৱ কৰিব পাৰি। পৌৰাণিক আখ্যান আৰু চৰিত্ৰৰ আশ্ৰয়ত হৃদয়-সংবেদী অথচ বুদ্ধিদীপ্ত চিন্তা প্ৰকাশ কৰা পদ্ধতিয়ে ভাৰতীয় মনক এক কৰি আনিছে। দ্ৰৌপদী, কুন্তী, গান্ধাৰী, কৰ্ণ, ৰাৱণ, ধৃতৰাষ্ট্ৰ, কুৰুক্ষেত্ৰ, খাণ্ডৱ বন, উৰ্বশী, জতুগৃহ আৰু অসংখ্য চিনাকি প্ৰতীকেৰে ভৰি পৰা ভাৰতীয় কবিতা আৰু অন্য সাহিত্য, পৰম্পৰৰ বেছি ওচৰ চাপি আহিছে। তাৰ লগতে বিকশিত হৈছে দলিত সাহিত্য। অস্পৃশ্য, পদানত, সমাজৰ উচ্চ গণ্ডীৰ বাহিৰত থোৱা সৰু মানুহৰ মনৰ কথাৰে ভাৰতীয় সাহিত্য চহকী হৈ উঠিছে।

এইদৰে, ভাৰতীয় সাহিত্যৰ সকলো দিশতে চিৰন্তন ভাৰতীয় মূল্যবোধৰ প্ৰকাশ ঘটিছে। অনুবাদৰ দ্বাৰা এইবোৰৰ প্ৰচাৰ শুনিলে ভাৰতীয় আত্মাৰ একেটি সুৰৰ প্ৰতিধ্বনি শুনা যাব। ই নিঃসন্দেহে সহায় কৰিব জাতীয় ঐক্যৰ বান্ধোন সুদৃঢ় কৰাত।

## ২.২.৩ অসমত তুলনামূলক সাহিত্য

অসমত তুলনামূলক সাহিত্যৰ ক্ষেত্ৰখন আপেক্ষিকভাৱে নতুন। পৰম্পৰাগত পদ্ধতিৰ তুলনা অৱশ্যে প্ৰাচীন অসমীয়া সাহিত্যত যথেষ্ট পৰিমাণে দেখা যায়। মাধৱ কন্দলিৰ ৰামায়ণ আৰু শংকৰদেৱ আদি নৱবৈষ্ণৱ কবিসকলেও তুলনাৰ দ্বাৰা সাহিত্যৰ সৌন্দৰ্য বৃদ্ধি কৰিছিল।

১) জোনাকী যুগত তুলনামূলক চিন্তাৰ প্ৰথম বীজ ৰোপিত হোৱা দেখা যায়। এই ক্ষেত্ৰত বাটকটীয়া আছিল লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাৰ 'তত্ত্বকথা'ৰ মাজত শংকৰদেৱৰ ধৰ্মীয় চিন্তাৰ লগত বিভিন্ন সন্ত আৰু ধৰ্মগুৰুৰ চিন্তাধাৰাৰ তুলনামূলক বিশ্লেষণ পোৱা যায়। ইয়াৰ পিছতে নাম ল'ব পাৰি বাণীকান্ত কাকতিৰ। কাকতিয়ে 'বধকাব্য'ৰ আলোচনা প্ৰসংগত মধ্যযুগীয় ইউৰোপীয় ৰোমাঞ্চ কাব্যৰ ৰিজনি টানি আনিছিল আৰু 'হেমাসুন্দৰী' আখ্যানৰ লগত ইংৰাজ কবি স্পেন্‌চাৰৰ কাব্যৰ মিল দেখুৱাইছিল। অসমত তুলনামূলক অধ্যয়নৰ গুৰুত্বপূৰ্ণ নাম হ'ল কৃষ্ণকান্ত সন্দিকৈ।

সন্দিকৈয়ে অনুবাদৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিছিল। 'স্পেইনদেশীয় ৰোমিঅ' জুলিয়েট' আৰু দুই এটি প্ৰৱন্ধৰ যোগেদি অসমীয়া পাঠকক বিশ্ব সাহিত্যৰ সোৱাদ দান কৰিছিল। কালিৰাম মেধি, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মাৰ ৰচনাৰ মাজতো অসমত তুলনামূলক অধ্যয়নে ক্ৰমবিকাশ লাভ কৰে।

২) শৈক্ষিক দিশত বা বিদ্যায়তনিক দিশত তুলনামূলক সাহিত্যৰ প্ৰথম উন্মেষ ঘটে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত। ১৯৯২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত তুলনামূলক ভাৰতীয় সাহিত্যৰ এটা শাখা আৰম্ভ কৰা হয়। পৰৱৰ্তী কালত এই বিশ্ববিদ্যালয়ে অসমীয়া বিষয়ৰ স্নাতক পৰ্যায়ৰ সন্মান পাঠ্যক্ৰমতো তুলনামূলক সাহিত্যৰ এখন সম্পূৰ্ণ প্ৰশ্নকাকতৰ অন্তৰ্ভুক্তি ঘটায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়েও সাহিত্যৰ পাঠ্যক্ৰমত তুলনামূলক সাহিত্য অধ্যয়নৰ ব্যৱস্থা কৰিছে আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ উদ্যোগত এই বিষয়টোৱে ভালেখিনি বিস্তৃতি লাভ কৰিছে। দুয়োখন বিশ্ববিদ্যালয়তে তুলনামূলক সাহিত্যৰ ভালেকেইটা গৱেষণাধৰ্মী কামো সম্পন্ন হৈছে।

৩) ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ পাছৰ পৰাই অসমীয়া বাতৰিকাকত-আলোচনী-পত্ৰিকা আদিত তুলনামূলক সাহিত্যৰ স্বৰূপ, সংজ্ঞা আদি সম্পৰ্কে ভালেখিনি তাত্ত্বিক আলোচনা প্ৰকাশ পোৱা দেখা যায়। তাৰ লগতে একাধিক সাহিত্যকৰ্মৰ মাজত তুলনামূলক অধ্যয়নৰ প্ৰয়াসো আলোচনী-পত্ৰিকাসমূহত প্ৰকাশ পাইছে। সংখ্যাত কম হ'লেও সাহিত্যকৰ্মৰ তুলনামূলক অধ্যয়নৰ দুই এখন গ্ৰন্থও যোৱা প্ৰায় দহটা বছৰত প্ৰকাশ পাইছে।

অসমীয়া তুলনামূলক সাহিত্যই উল্লিখিত সকলোখিনি দিশ সামৰি ল'লে অসমীয়া সাহিত্যৰ পাঠকসকল যে উপকৃত হ'ব সি নিশ্চিত। তাৰ উপৰি অসমীয়া লেখকসকল তুলনামূলক সাহিত্যৰ দ্বাৰা অধিক লাভান্বিত হ'ব। কিয়নো তুলনামূলক সাহিত্যই একমাত্ৰ পথ যি বিশ্বসাহিত্যৰ দ্বাৰা যিকোনো ভাষাৰ সাহিত্যৰ পাঠক-লেখকৰ সন্মুখত

উন্মোচিত কৰিব পাৰে। সাম্প্ৰতিক সাহিত্যত জাতীয় সাহিত্যৰ বিশেষত্ব ক্ৰমে কমি আহিছে আৰু বিশ্বসাহিত্যৰ ধাৰণা এটা লাহে লাহে গঢ় লৈ উঠিছে। এনে অৱস্থাত দৰাচলতে তুলনামূলক সাহিত্যৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে।

## ২.২.৪ সাৰাংশ

- ভাৰতবৰ্ষৰ বৈচিত্ৰ্যপূৰ্ণ ভাষা-সাংস্কৃতিক পৰিৱেশত ভাৰতীয় মনৰ উপলব্ধি অত্যন্ত গুৰুত্বপূৰ্ণ।
- ভাৰতীয় মনৰ উপলব্ধি ভাৰতীয় সাহিত্যৰ তুলনামূলক অধ্যয়নে স্পষ্ট কৰে।
- ভাৰতীয় অখণ্ড মন নিৰ্মাণত মহাকাব্য দুখন, মধ্যযুগীয় ভক্তি আন্দোলন, ৰোমাণ্টিক নৱজাগৰণ, ভাৰতৰ স্বাধীনতা আন্দোলন আদি পৰিঘটনাই মুখ্য ভূমিকা গ্ৰহণ কৰিছে।
- অসমত তুলনামূলক সাহিত্যৰ ক্ষেত্ৰখন আপেক্ষিকভাৱে নতুন যদিও পৰম্পৰাগত পদ্ধতিৰ তুলনা প্ৰাচীন অসমীয়া সাহিত্যতো যথেষ্ট পৰিমাণে দেখা যায়।
- শৈক্ষিক বা বিদ্যায়তনিক দিশত অসমত তুলনামূলক সাহিত্যৰ প্ৰথম উন্মেষ ঘটে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত।

## ২.২.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ শুদ্ধ উত্তৰ নিৰ্বাচন কৰাঁ—**

(ক) প্ৰাচীন সংস্কৃত নাকত ৰজা আদি সন্মানীয় পুৰুষ চৰিত্ৰম্প ব্যৱহাৰ কৰে–

(১) প্ৰাকৃত ভাষা
(২) সংস্কৃত ভাষা
(৩) শৌৰসেনী ভাষা

(খ) হেম বৰুৱা, বুদ্ধদেৱ বসু আদিৰ কবিতাত ব্যক্তিগত অনুভূতিৰ ওচৰে ওচৰে আছে–

(১) আধুনিক মানুহৰ চিৰন্তন সমস্যাৰ অনুভূতি
(২) প্ৰেম আৰু সৌন্দৰ্যৰ কল্পনাবিলাস
(৩) জঁলি মনস্তাত্ত্বিক বিশ্লেষণৰ তত্ত্ব

(গ) অসমত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপৰিও তুলনামূলক সাহিত্য অন্তৰ্ভুক্ত হৈছে—

(১) অসম বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত

(২) তেজপুৰ বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত

(৩) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ পাঁচটা বাক্যত উত্তৰ দিয়া।**

তুলনামূলক ভাৰতীয় সাহিত্যত ভাৰতীয় অখণ্ড মন কেনেকৈ প্ৰতিফলিত হয় ?

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ**

‘অসমত তুলনামূলক সাহিত্য’ৰ বিষয়ে এটি টোকা লিখাঁ।

## ২.২.৬ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ--**

(ক) সংস্কৃত ভাষা।

(খ) আধুনিক মানুহৰ চিৰন্তন সমস্যাৰ অনুভূতি।

(গ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ--**

ভাৰতীয় সাহিত্যত ভাষিক বৈচিত্ৰ্য, সাংস্কৃতিক ভিন্নতা আছে। কিন্তু ভাৰতীয় অন্তৰ্মনৰ সংযোগ অদৃশ্য সূতাৰে বন্ধা। ভাৰতীয় উপনিষদ, মহাকাব্য দুখন, পুৰাণাদিয়ে ভাৰতীয় সংস্কৃতিৰ ভেটি নিৰ্মাণ কৰিলে। বিভিন্ন সময়ত হোৱা সামাজিক-সাস্কৃতিক আন্দোলনসমূহ; যেনে– স্বাধীনতা আন্দোলন, ৰোমাণ্টিক জাগৰণ, ভক্তি আন্দোলন আদিয়ে সমগ্ৰ ভাৰতবৰ্ষক একেসময়তে আলোড়িত কৰিছিল। এই পৰিঘটনাসমূহৰ প্ৰকাশ ভাৰতীয় সাহিত্যৰ বিভিন্ন ভাষাত একেমাত্ৰাৰে ঘটিছিল। একে অনুভৱসমূহৰ প্ৰকাশ বিভিন্ন সাহিত্যত একেধৰণে প্ৰকাশ পায় আৰু তাতেই প্ৰতিফলিত হয় ভাৰতীয় অখণ্ড মন।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ--**

অসমত তুলনামূলক সাহিত্যৰ ক্ষেত্ৰখন আপেক্ষিকভাৱে নতুন। অসমত তুলনামূলক চিন্তাৰ প্ৰথম বীজ ৰোপিত হোৱা দেখা যায় জোনাকী যুগত। এই ক্ষেত্ৰত বাট কটীয়া আছিল লক্ষ্মীনাথ বেজবৰুৱা। বেজবৰুৱাৰ 'তত্ত্বকথা'ৰ মাজত শংকৰদেৱৰ ধৰ্মীয় চিন্তাৰ লগত বিভিন্ন সন্ত আৰু ধৰ্মগুৰুৰ চিন্তাধাৰাৰ তুলনামূলক বিশ্লেষণ পোৱা যায়। ইয়াৰ পিছতে নাম ল'ব পাৰি বাণীকান্ত কাকতিৰ। কাকতিয়ে 'বধকাব্য'ৰ আলোচনা প্ৰসংগত মধ্যযুগীয় ইউৰোপীয় ৰোমাঞ্চ কাব্যৰ ৰিজনি টানি আনিছিল আৰু 'হেমাসুন্দৰী' আখ্যানৰ লগত ইংৰাজ কবি স্পেন্‌চাৰৰ কাব্যৰ মিল দেখুৱাইছিল। অসমত তুলনামূলক অধ্যয়নৰ গুৰুত্বপূৰ্ণ নাম হ'ল কৃষ্ণকান্ত সন্দিকৈ। সন্দিকৈয়ে অনুবাদৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিশেষভাৱে আলোচনা কৰিছিল। 'স্পেন্সনদেশীয় ৰোমিঅ'

জুলিয়েট’ আৰু দুই এটি প্ৰৱন্ধৰ যোগেদি অসমীয়া পাঠকক বিশ্ব সাহিত্যৰ সোৱাদ দান কৰিছিল। কালিৰাম মেধি, মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মাৰ ৰচনাৰ মাজতো অসমত তুলনামূলক অধ্যয়নে ক্ৰমবিকাশ লাভ কৰে।

শৈক্ষিক দিশত বা বিদ্যায়তনিক দিশত তুলনামূলক সাহিত্যৰ প্ৰথম উন্মেষ ঘটে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত। ১৯৯২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰমত তুলনামূলক ভাৰতীয় সাহিত্যৰ এটা শাখা আৰম্ভ কৰা হয়। পৰৱৰ্তী কালত এই বিশ্ববিদ্যালয়ে অসমীয়া বিষয়ৰ স্নাতক পৰ্যায়ৰ সন্মান পাঠ্যক্ৰমতো তুলনামূলক সাহিত্যৰ এখন সম্পূৰ্ণ প্ৰশ্নকাকতৰ অন্তৰ্ভুক্তি ঘটায়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়েও সাহিত্যৰ পাঠ্যক্ৰমত তুলনামূলক সাহিত্য অধ্যয়নৰ ব্যৱস্থা কৰিছে আৰু দুয়োখন বিশ্ববিদ্যালয়ৰ উদ্যোগত এই বিষয়টোৱে ভালেখিনি বিস্তৃতি লাভ কৰিছে। দুয়োখন বিশ্ববিদ্যালয়তে তুলনামূলক সাহিত্যৰ ভালেকেইটা গৱেষণাধৰ্মী কামো সম্পন্ন হৈছে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আনুষ্ঠানিকভাৱে আৰম্ভ কৰাৰ পাছৰ পৰাই অসমীয়া বাতৰিকাকত-আলোচনী-পত্ৰিকা আদিত তুলনামূলক সাহিত্যৰ স্বৰূপ, সংজ্ঞা আদি সম্পৰ্কে ভালেখিনি তাত্ত্বিক আলোচনা প্ৰকাশ পোৱা দেখা যায়। তাৰ লগতে একাধিক সাহিত্যকৰ্মৰ মাজত তুলনামূলক অধ্যয়নৰ প্ৰয়াসো আলোচনী-পত্ৰিকাসমূহত প্ৰকাশ পাম্পছে। সংখ্যাত কম হ’লেও সাহিত্যকৰ্মৰ তুলনামূলক অধ্যয়নৰ দুই এখন গ্ৰন্থও যোৱা প্ৰায় দহটা বছৰত প্ৰকাশ পাইছে।

# খণ্ড ৩

## পৰিভাষাৰ অধ্যয়ন
## (Introduction to the Study of the Themes)

### ৩.০ উদ্দেশ্য

- ➢ তুলনামূলক সাহিত্যত ব্যৱহৃত পৰিভাষাসমূহৰ বিষয়ে জ্ঞান অৰ্জন কৰা।
- ➢ পৰিভাষাসমূহৰ প্ৰকৃতি আৰু প্ৰভাৱ সম্পৰ্কে ধাৰণা দিয়া।

### ৩.১ প্ৰস্তাৱনা

সাহিত্যৰ মাজত থকা চিৰন্তন ধৰ্ম হ'ল তুলনা কৰাৰ প্ৰবৃত্তি। সমালোচনা সাহিত্যৰ মাজতো বিষয়বস্তু, শৈলী আদিৰ তুলনা কৰাৰ পৰম্পৰা চলি আহিছে। ইমানদিনে এই তুলনা আছিল পৰম্পৰাগত আৰু সাধাৰণ প্ৰকৃতিৰ। তুলনাৰ বাবেহে তুলনা কৰা হৈছিল। বিজ্ঞানসন্মত দৃষ্টিৰে কৰা তুলনাৰ সলনি ই আছিল গতানুগতিক আৰু ওপৰে ওপৰে চোৱা বিধৰ। সাম্প্ৰতিক কালত তুলনামূলক অধ্যয়ন পদ্ধতিৰে সাহিত্যৰ মূল্যায়ন কৰিবলৈ কিছুমান বিশেষ পৰিভাষা ব্যৱহাৰ কৰা হয়। পৰিভাষাসমূহৰ স্বৰূপ বুজি নাপালে এই পদ্ধতি ব্যৱহাৰ কৰা সম্ভৱ নহয়। গতিকে আহাঁচোন এই সম্পৰ্কে কিছু ধাৰণা সংগ্ৰহ কৰোঁ।

## গোট ১ ঃ বিষয়সাৰতত্ত্ব (Thematology), প্ৰকাৰতত্ত্ব (Genology), প্ৰভাৱ (Influence), স্ব-বৰ্তন (Survival), পাঠকৰ সঁহাৰি (Reader Response)।

### ৩.১.০ উদ্দেশ্য

- পৰিভাষাৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে স্পষ্ট ধাৰণা দিয়া।
- বিষয়সাৰতত্ত্ব, প্ৰভাৱ, সংগ্ৰহণ আৰু স্ববৰ্তনৰ জ্ঞান দিয়া।
- অন্যান্য পৰিভাষাসমূহৰ ধাৰণা স্পষ্ট কৰা।

### ৩.১.১ প্ৰস্তাৱনা

শেহতীয়াভাৱে তুলনামূলক সাহিত্য অধ্যয়নৰ যি পদ্ধতি ব্যৱহৃত হৈছে, সি সম্পূৰ্ণ ভিন্ন পদ্ধতিৰে সাহিত্যৰ লক্ষণ নিৰ্ণয় কৰে। এই পদ্ধতিত জাতীয় ঐতিহ্যই বিশ্ব-সাহিত্যৰ লগত সম্পৰ্ক বিচাৰি পায়। কাৰণ, এতিয়া সাহিত্যৰ লক্ষণ নিৰ্ণয় কৰা হয় theme (বিষয়-সাৰ বা সাৰবস্তু), বংশলতা, ৰূপতত্ত্ব, একোবিধ সাহিত্যৰ ওপৰত পৰা influence, সি গ্ৰহণ কৰা reception আদিৰ দ্বাৰা। স্বাভাৱিকতে তুলনামূলক সাহিত্যই কিছুমান বিশিষ্ট শব্দ ব্যৱহাৰ কৰে। যিহেতু বিশ্বৰ বিভিন্ন অংশৰ তুলনামূলক সাহিত্যৰ গৱেষকে এই শব্দবোৰ গুৰুত্ব সহকাৰে ব্যৱহাৰ কৰিহে সাহিত্যৰ শিপালৈকে খুচৰি চায়, গতিকে এইবোৰক এই পদ্ধতিৰ পৰিভাষাৰূপে ল'ব পাৰি। তুলনামূলক সাহিত্যৰ অনুধাৱনত পৰিভাষাৰ গুৰুত্ব অপৰিসীম। এতিয়া পৰিভাষাৰ বিভিন্ন দিশৰ লগত পৰিচয় হওঁ আহাঁ।

### ৩.১.২ বিষয়সাৰতত্ত্ব (Thematology)

তুলনামূলক অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ আধাৰ হ'ল Thematology বা সাৰ-বস্তুৰ আলোচনা। ই হ'ল এক হ্ৰাসাত্মক বিভাজন। বিভিন্ন ভাষা বা সংস্কৃতিৰ দুটা বা ততোধিক কৰ্মক ই একে

আধাৰ পাত্ৰতে থৈ বিচাৰ কৰে। দুটা যুগৰ ব্যক্তিৰ ৰচনাৰ বিষয়বস্তু, পৰিবেশন ৰীতি, মেজাজ আদিৰ সাদৃশ্য বিচাৰ কৰোঁতে ব্যক্তি দুজনৰ স্বকীয় সামাজিক পটভূমিৰ গঠন, কাল আৰু পৰিৱেশনৰ স্বতন্ত্ৰতা আৰু ৰচনাৰ বস্তুনিষ্ঠতাক গুৰুত্ব দিয়া নহয়। মৌখিক সাহিত্য, কিম্বদন্তী আৰু সংস্কৃতিক ইয়াত আওকাণ কৰা হয়। সেইখিনি সম্পদক, যিখিনি গৱেষকে বিচাৰি উলিয়াব পাৰে, সাৰবস্তু অধ্যয়ন কৰি সেইখিনিয়েই গুৰুত্ব পায় Thematology সম্পৰ্কীয় আলোচনাৰ পৰা দেখা যায় যে, theme বা সাৰবস্তু, এই শব্দটোৰ লগত জড়িত হৈ আছে motif আৰু subject matter এই দুটা শব্দ। এই তিনিওটা শব্দৰ মাজত সম্বন্ধ আৰু পাৰ্থক্য অতি সূক্ষ্ম। ক্ৰমিকভাৱে চালে motif হ'ল এইকেইটাৰ ভিতৰত একেবাৰে সূক্ষ্ম ধাৰণা, theme তাতকৈ কিছু বিস্তৃত আৰু ব্যাখ্যাত্মক আৰু subject matter তাতকৈ অধিক বিস্তৃত আৰু ব্যাখ্যাত্মক। কোনো এটি ৰচনাত কাহিনী, উপকাহিনী, চৰিত্ৰ, চৰিত্ৰৰ কাৰ্যকলাপ, ঘটনাক্ৰম এই সকলোবোৰৰ বিষয়ে যি থূলমূল ধাৰণা দিয়া হয় সি হ'ল subject matter। ই সূক্ষ্ম, theme সূক্ষ্মতৰ আৰু motif সূক্ষ্মতম। Thematology অধ্যয়নৰ ক্ষেত্ৰত এই তিনিওটাৰে সমান গুৰুত্ব থাকে।

পাশ্চাত্য জগতত Thematologyৰ অধ্যয়ন পোনতে কেৱল motif ৰ সালসলনিৰ অধ্যয়ন আৰু স্থানান্তৰকৰণৰ অধ্যয়নতে সীমাবদ্ধ আছিল। পাছলৈ ক্ৰমে এই ৰীতি বেছি সূক্ষ্ম আৰু বিভাজিত হৈ পৰিল। বৰ্তমান সমগ্ৰ বিশ্বৰ তুলনাকাৰীয়ে যি কেইটা দৃষ্টিকোণেৰে ইয়াৰ অধ্যয়ন কৰে তাত motif আৰু পৰিস্থিতিৰ অন্তৰ্ভুক্ত আলোচনাই কেৱল নাই; motif, পৰিস্থিতিৰ কাল, স্থান অনুসৰি theme ৰ উপলব্ধি বিভিন্নতাভেদে কি ধৰণে কি অৰ্থত অভিব্যক্তি লাভ হয় তাৰ আলোচনা আৰু বিশ্লেষণো থাকে। Thematologyৰ বিভিন্ন Themeৰ স্থানান্তৰকৰণ, Themeৰ পৰা বিকশিত Theme ত শ্ৰেণীকৰণ আদি সূক্ষ্ম বিষয়সমূহ অন্তৰ্ভুক্ত হয়। তদুপৰি motif ইমানেই সূক্ষ্ম যে এটা themeৰ ভিতৰত একাধিক motifৰো সমাৱেশ ঘটিব পাৰে। গতিকে motifৰ সন্ধান অথবা অনুসন্ধানো thematic অধ্যয়নৰ অন্তৰ্গত বিষয়। motifক দুটা ভাগত ভাগ কৰা যায় inner motif (ভিতৰুৱা অভিপ্ৰায়) আৰু outer motif (বাহিৰা অভিপ্ৰায়)।

বিষয়সাৰৰ অধ্যয়ন কৰা সমালোচক এজন সতৰ্ক হোৱা উচিত। কাৰণ ''নিৰ্দিষ্ট গছ বা বৰণৰ পাতৰ সন্ধানত ব্যস্ত হৈ তেওঁ সমগ্ৰ অৰণ্যখনকে হেৰুওৱাৰ ভয় থাকে।'' তেনে ক্ষেত্ৰত মূল আৰু প্ৰয়োজনীয় themeৰ পৰা ফালৰি কাটি উপৰুৱা আৰু কম গুৰুত্বপূৰ্ণ theme তে তেওঁ আত্মনিয়োগ কৰে।

## ৩.১.৩ প্ৰকাৰতত্ত্ব (Genology)

সাহিত্যৰ বৰ্গীকৰণ প্ৰক্ৰিয়াক প্ৰকাৰ (genre) শব্দটোৰে নিৰ্দেশ কৰা হৈছে। যিকোনো সাহিত্যৰ বৰ্গীকৰণ মানে হ'ল সাহিত্যৰ আভ্যন্তৰীণ অংগসমূহক ভাগ ভাগকৈ বুজোৱা। প্ৰকাৰ (genre) সম্পৰ্কীয় বিচাৰ-বিশ্লেষণ আৰু মূল্যায়নৰ বিষয়ে আলোচনা কৰা পদ্ধতিক প্ৰকাৰতত্ত্ব (genology) বুলি কোৱা হয়।

প্ৰকাৰৰ মূল্যায়নতো তুলনামূলক সাহিত্যই মূল বিন্দুলৈ গৈ বিচাৰ কৰাৰ পক্ষপাতিত্ব কৰে। যিকোনো সাহিত্য অৰ্থাৎ শিল্পকলাৰে বিমূৰ্ত ধাৰণাই (sense) চানেকি বা ভাববিন্দু (motif)ৰ আশ্ৰয়ত বাৰম্বাৰ মনলৈ আহি ৰেখাচিত্ৰৰ দ্বাৰা এক বিষয়সাৰ (theme)ৰ ৰূপ গ্ৰহণ কৰিলে স্ৰষ্টাই তাক একোটা মনে বিচৰা প্ৰকাৰ (genre)ত ৰূপ প্ৰদান কৰে। এই প্ৰকাৰ (genre) অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াটোক প্ৰকাৰতত্ত্ব (genology) বুলি অভিহিত কৰিব পাৰি।

সাহিত্য আৰু ইয়াৰ প্ৰকাৰৰ বিষয়টো বুজিবলৈ হ'লে, উদাহৰণ স্বৰূপে মানৱ শৰীৰটোলৈকে আঙুলিয়াব পাৰি। সাহিত্যক যদি মানৱ শৰীৰটো বুলি গণ্য কৰা হয়, তেন্তে ইয়াৰ হাত, ভৰি, চকু, কাণ আদি অংগবোৰক সাহিত্যৰ প্ৰকাৰ (genre)ৰ সম অৰ্থৰ বুলি ক'ব পাৰি। অৰ্থাৎ গল্প, কবিতা, প্ৰবন্ধ, নাটক ইত্যাদি হ'ল সাহিত্যৰ প্ৰকাৰ। সাহিত্য হ'ল ইবিলাকৰ সমষ্টি। ইহঁত প্ৰত্যেকটো অংগৰে স্বকীয় বৈশিষ্ট্য, স্বতন্ত্ৰ চৰিত্ৰ আৰু সুকীয়া অস্তিত্ব আৰু পৰিচয় আছে। গতিকে প্ৰকাৰতত্ত্বৰ অধ্যয়নত গুৰুত্ব দিবলগীয়া প্ৰাথমিক দিশটো হ'ল ইয়াৰ প্ৰকাৰ বৈশিষ্ট্যখিনিক পোনতে মূল্যায়ন কৰা।

এই প্ৰকাৰসমূহকো আকৌ সূক্ষ্ম বিন্দুলৈ ভাঙিব পাৰি। যেনে-

– কাব্য সাহিত্যৰে আছে সূক্ষ্মাতিসূক্ষ্ম অনেক প্ৰকাৰ। ইয়াকো আকৌ আৰু অনেক সূক্ষ্ম বিন্দুলৈকে ভাঙি বিশ্লেষণ কৰিব পাৰি। সি যি কি নহওক, দুই বা ততোধিক সাহিত্যকৃতিৰ মাজত প্ৰকাৰতত্ত্বৰ আধাৰত কৰা তুলনাত একে বিষয়সাৰকে লৈ বিভিন্ন সাহিত্যকৃতিত কেনেকৈ বিভিন্ন প্ৰকাৰত প্ৰয়োগ কৰা হয়, তাৰ মূল্যায়ন কৰা হয়। সেই বিলাক প্ৰকাৰৰ মাজত একেটা বিষয়সাৰক কেনেকৈ প্ৰয়োগ কৰা হৈছে, কোনটো প্ৰকাৰত সেই বিষয়সাৰ বেছি প্ৰযোজ্য হৈছে আৰু পাঠকৰ সঁহাৰি বেছিকৈ লাভ কৰিছে, কোনটো প্ৰকাৰৰ পৰা অনুপ্ৰেৰণা লাভ কৰি ক'ত কি সংগ্ৰহণ ঘটিছে– এই সকলোবোৰ দিশৰ পৰ্যালোচনা প্ৰকাৰতত্ত্বৰ মূল্যায়নৰ ভিতৰুৱা হয়। প্ৰকাৰতত্ত্বৰ অধ্যয়নত সাহিত্যৰ বিৱৰ্তনৰ ধাৰাটোকে গুৰুত্ব সহকাৰে পৰ্যালোচনা কৰা হয়। ফাৰ্ডিনাণ্ড ব্ৰুণ্টিয়াৰে কৈছিল, সকলোবোৰ প্ৰকাৰৰ জন্ম, উত্থান আৰু অৱনমনৰ সময় একোটা থাকে। গতিকে সেই দিশৰ অধ্যয়ন অত্যন্ত গুৰুত্বপূৰ্ণ।

আনহাতে প্ৰকাৰৰো আছে একপ্ৰকাৰ স্বতন্ত্ৰ বৰ্তি থকা গুণ (survival) আৰু নিজা পৰিচয়ৰ পৰম্পৰা। সেই দিশত গুৰুত্ব আৰোপ কৰি প্ৰকাৰৰ উৎপত্তি, বিকাশ আৰু বিৱৰ্তনৰ কোন স্তৰত তুলনীয় সাহিত্যকৰ্মই অৱস্থান কৰে, মূল্যায়ন কৰা আৰু তাক উদ্‌ঘাটন কৰাটোও প্ৰকাৰতত্ত্বৰ অধ্যয়নৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ দিশ।

প্ৰত্যেকটো প্ৰকাৰতত্বৰ অধ্যয়নৰ দিশকেই সূক্ষ্ম আৰু বিজ্ঞানসন্মত প্ৰক্ৰিয়াৰে বিশ্লেষণ কৰি তুলনামূলক অধ্যয়নৰ পৰিভাষাসমূহৰ পাৰস্পৰিক আন্তঃসম্পৰ্ক উদ্‌ঘাটন কৰিলেহে তুলনীয় সাহিত্যৰ যথাযথ মূল্যায়ন সম্ভৱ হ'ব। তুলনামূলক সাহিত্যত প্ৰকাৰতত্ত্বৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ আৰু অপৰিহাৰ্য অংগ। ইয়াৰ মূল্যায়ন অবিহনে তুলনামূলক অধ্যয়ন আধৰুৱা হ'ব।

প্ৰকাৰতত্ত্বৰ অধ্যয়নত প্ৰকাৰক নিয়ন্ত্ৰিত ধাৰণা বুলি গণ্য কৰা উচিত যাৰ এটা নিজা বুনিয়াদী ভিত্তি আৰু পৰম্পৰা আছে। তেতিয়াহে ই সাৰ্থক ৰূপত ইয়াৰ মূল্যায়ন হ'ব। কাৰণ প্ৰকৃতাৰ্থতেই প্ৰকাৰে সাহিত্যক এক প্ৰকাৰ নিশ্চিত সাঁচত বহুৱাব পাৰে।

### ৩.১.৪ প্ৰভাৱ (Influence)

তুলনামূলক সাহিত্যত সঘনে ব্যৱহৃত এটি পৰিভাষা হ'ল influence। ইয়াৰ অৰ্থ প্ৰভাৱ বুলি ক'ব পাৰি যদিও এনে কৰাত অৰ্থৰ বিস্তৃতি সংকীৰ্ণ হৈ পৰাৰো আশংকা থাকে। এই শব্দটো একাধিক সাহিত্যিকৰ আৰু সাহিত্যশৈলীৰ সম্বন্ধসূচক নিৰ্দেশক শব্দ। সাধাৰণভাৱে যদিও প্ৰভাৱ বুলি ক'লে এজন সাহিত্যিকৰ আনজনৰ ওপৰত নাইবা এটা শৈলীৰ আন এটাৰ ওপৰত পৰা প্ৰভাৱৰ কথা কোৱা হয়, তুলনামূলক সাহিত্যত এই শব্দই কিছু সুকীয়া অৰ্থ গ্ৰহণ কৰে। শেহতীয়া বিশ্লেষণত দেখা যায় যে, influence শব্দটোৱে ক্ৰমে ক্ৰমে বাট এৰি দিছে reception শব্দটোক। প্ৰেৰকজনৰ পৰা গ্ৰহীতাজনলৈ গুৰুত্ব সহকাৰে মন কৰা হৈছে। তুলনামূলক সাহিত্যৰ নিজৰ ভিতৰতে থকা বিভিন্ন থুল (school)সমূহত এই কথা ক্ৰমে সত্য হৈ অহা চকুত পৰে। বহুতো লেখক-গৱেষকে reception শব্দটো ব্যৱহাৰ নকৰিও একে আৰ্হিতে চিন্তা কৰা দেখা যায়। তেওঁলোকে Influenceৰ বিষয়ে ক'বলৈ গৈ যিখিনি কথা কৈছে সেয়া প্ৰকৃততে receptionৰ লগত বেছি সংগতিযুক্ত। প্ৰভাৱৰ ক্ৰমগত ভেদ অনুসৰি Influenceক মধ্যবিন্দুত ৰাখি ক্ৰমে মাত্ৰাধিক্যৰ কাৰণে impact, মাত্ৰান্যূনতাৰ কাৰণে effect শব্দটো প্ৰয়োগ কৰা হয়। এজন সাহিত্যিকৰ ওপৰত আন এজন সাহিত্যিকৰ নাইবা একোটা শৈলীৰ ওপৰত আন একোটা শৈলীৰ প্ৰত্যক্ষ আৰু শক্তিশালী প্ৰভাৱ বিচাৰি পোৱা গ'লে, তাক Influence বুলি কোৱা হয়, যেতিয়া এই প্ৰভাৱ মাত্ৰ প্ৰেৰণা গ্ৰহণৰ স্তৰতে সীমাবদ্ধ হৈ থাকে তেতিয়া তাক effect আখ্যা দিয়া হয়। Influenceৰ বিভিন্ন দিশৰ ওপৰত শেহতীয়াভাৱে ফ্ৰান্সত বিস্তৃত কাম কৰি আছে। Influence (প্ৰভাৱ), fortune (অদৃষ্ট), reputation (লোকপ্ৰতিষ্ঠা), diffusion (সংপৃক্তকৰণ), radiation (বিকিৰণ) আদি পৰিভাষা প্ৰয়োগ কৰা হৈছে। মূল উৎস অথবা প্ৰভাৱৰ মূল প্ৰেৰকৰ দৃষ্টিকোণ লক্ষ্য কৰি সেইদৰে গ্ৰহণ কৰোঁতে ব্যক্তি অথবা শৈলীৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱহাৰ কৰা হৈছে– reaction (প্ৰতিক্ৰিয়া), critique (মূল্যায়ন), opinion (মতামত), reading (পাঠনাৰোপ), orientation (দিক্ নিৰ্ণয়) আদি শব্দেৰে। তৃতীয় এটি দৃষ্টিভংগীৰে তুলি লোৱা হৈছে– reproduction

(পুনঃনির্মাণ), face (অৱস্থান), reflection (প্ৰতিফলন), mirror (দৰ্পণ), image (প্ৰতিৰূপ), resonance (অনুৰণন), echo (প্ৰতিধ্বনি) আৰু mutation (মৌলিক পৰিৱৰ্তন)ৰ দৰে বিশিষ্ট অৰ্থব্যাপক শব্দসমূহ। এই আটাইবোৰ শব্দই influenceৰ মাজত থাকিব পৰা অসংখ্য সৰু সৰু প্ৰশাখাত প্ৰতিটোৰে ৰূপ আৰু প্ৰকৃতি নিৰ্ণয়ৰ যত্ন কৰে।

এজন লেখকৰ সাহিত্য-কৰ্মত অন্য এজনৰ সাহিত্য-কৰ্মৰ সাদৃশ্য বিচাৰি পালে দ্বিতীয়জনক প্ৰথমজনৰ দ্বাৰা প্ৰভাৱিত বুলি কোৱা হয়। এই কথা আক্ষৰিকভাৱে শুদ্ধ নহয়। সাদৃশ্যই প্ৰভাৱ নুবুজায়। ই এটি ভিতৰৰ বস্তু। ৰজনীকান্ত বৰদলৈৰ ওপৰত বংকিমচন্দ্ৰৰ প্ৰভাৱ পৰা বুলি কোৱা হয়। কিন্তু বৰদলৈৰ উপন্যাসৰ কাহিনী, চৰিত্ৰ আৰু পৰিৱেশ বংকিমচন্দ্ৰৰ দৰে একে নহয়। তথাপি দুয়োৰে ৰচনাৰীতিৰ এটি সাদৃশ্য আছে; যাক আমি প্ৰভাৱ বুলি মানি লৈছোঁ। ওপৰত কোৱাৰ দৰে বা ইয়াত influence শব্দই receptionৰ বাবে বাট এৰি দিছে। বৰদলৈয়ে বংকিমচন্দ্ৰৰ সকলো আদৰ্শ শৈলী মনেৰে গ্ৰহণ কৰি পিছত নিজৰ মতে নিজৰ ষ্টাইলত তাক প্ৰকাশ কৰিছে। গতিকে বৰদলৈৰ ওপৰত বংকিমচন্দ্ৰৰ প্ৰভাৱ আলোচনা কৰিলে reception শব্দৰ তাৎপৰ্যহে ভালদৰে বুজা যায়। অৰ্থাৎ influence আৰু reception শব্দ দুটা কেতিয়াবা উপৰুৱা দৃষ্টিত তীব্ৰভাৱে সমাৰ্থক ৰূপে বোধ হোৱাৰ সম্ভাৱনা থাকে। শক্তিশালী কোনো প্ৰভাৱে দুৰ্বল লেখনিক মষিমূৰ কৰি পেলাব পাৰে। আনহাতে দুৰ্বল প্ৰভাৱে সবল লেখনিত ম্লানভাৱেহে পোহৰ পেলাব পাৰে। গতিকে তুলনামূলক সাহিত্যত influence ৰ মাত্ৰাত কম-বেছি আৰু গভীৰতা তথা বিস্তৃতি গুৰুত্ব সহকাৰে লক্ষ্য কৰা হয়।

### ৩.১.৫ স্ব-বৰ্তন (Survival)

সাহিত্যৰ পাঠ (text)ত নিহিত সঞ্জীৱনী শক্তিক বৰ্তনযোগ্যতা (survival) বুলি অভিহিত কৰিব পাৰি। তুলনামূলক সাহিত্যৰ নতুন বিজ্ঞানসন্মত দৃষ্টিভংগীৰে কৰা মূল্যায়নত এইটো পৰিষ্কাৰ হয় যে, বিশ্বৰ সকলোবোৰ সাহিত্য যেনেকৈ অখণ্ড আৰু একক, ঠিক তেনেকৈয়ে প্ৰত্যেক সাহিত্যৰে একো একোটা স্বতন্ত্ৰ অস্তিত্ব আৰু বৈশিষ্ট্যও থাকে। সাহিত্যহে নালাগে সকলো ধৰণৰ শিল্পকলাতে এই দুয়োটা বস্তু নিহিত

হৈ থাকে। সাহিত্যৰ পাঠ (text) ৰে হওক, অথবা কলাৰ অন্য ক্ষেত্ৰই হওক এনেদৰে স্বতন্ত্ৰ অস্তিত্ব আৰু বৈশিষ্ট্য বহন কৰা গুণৰ বলতেই জীয়াই থাকে। এই জীয়াই থকাই হ'ল বৰ্তি থকা (survival)। স্বতন্ত্ৰ গুণ-বৈশিষ্ট্যৰে মূৰ দাঙি কোনো বৰ্হি বা অন্তঃ কাৰণতে বিলুপ্ত নোহোৱাকৈ তিষ্ঠি থকা এই বিশিষ্ট গুণটোক তুলনামূলক সাহিত্যত survival বুলি অভিহিত কৰা হয়।

ইংৰাজী 'survival of the fitest'ৰ সমাৰ্থক এটি প্ৰবচন সংস্কৃততো আছে 'যোগ্য ভোগ্য বসুন্ধৰা'। সাহিত্যৰ ক্ষেত্ৰতো ই প্ৰযোজ্য। স্বতন্ত্ৰ সাহিত্যিক গৰিমাৰে কলাত্মকভাৱে সফলতম আৰু মৰ্যাদাসম্পন্ন ৰূপৰ সাহিত্যকৃতিহে সমগ্ৰ সাহিত্যৰ অখণ্ড সামগ্ৰিকতাৰ মাজতো আপোন মহিমাৰে উজ্বল হৈ প্ৰতিভাত হ'ব পাৰে। তেতিয়াহে চিৰকালীনভাৱে বৰ্তি (survival) থাকিব পাৰে। সাহিত্যৰ এই গুণৰ বিচাৰেই হ'ল সাহিত্যৰ স্বৱৰ্তন (Literary survival)।

সাহিত্যৰ স্বৱৰ্তন (Literary survival)ক দুটা ভাগত ভাগ কৰিব পাৰি–

১। চিৰকাল বৰ্তি থকা (Everlasting survival)

২। দীৰ্ঘকাল বৰ্তি থকা (Longlasting survival)

যিবোৰ সাহিত্যত দেশ-কাল-পাত্ৰৰ উৰ্দ্ধত সাৰ্বজনীন আৱেদন (universal appeal) নিহিত হৈ থাকে তেনে ধৰণৰ সাহিত্যৰ স্বতন্ত্ৰ গৰিমাক চিৰকালীনভাৱে জীয়াই থকা গুণসম্পন্ন বুলি গণ্য কৰা হয়। এনে সাহিত্য চিৰকাল বৰ্তি থাকে।

আনহাতে যিবোৰ সাহিত্যকৃতিয়ে অঞ্চল, জাতি, সমাজ বা দেশৰ ইতিহাস, স্বদেশিকতা আদিৰ বাণী লৈ পাঠকৰ সঁহাৰি আদায় কৰিব পাৰে, তেনে সাহিত্য অঞ্চল, জাতি, সমাজ অথবা দেশৰ পাঠকৰ ৰুচি আৰু আকৰ্ষণৰ পটভূমিত সুদীৰ্ঘকাল বৰ্তি থাকে। এনে সাহিত্যকৃতিক দীৰ্ঘকাল বৰ্তি থকা (Longlasting) সাহিত্য বুলি অভিহিত কৰিব পাৰি।

কেতিয়াবা এনে হোৱাও দেখা যায় যে কোনো ধৰণৰ স্বকীয়তা নোহোৱা সাহিত্যকৃতি কিছুমান পাঠকৰ সঁহাৰি অবিহনে কালৰ সোঁতত

হেৰাই যায়। কেতিয়াবা কিছুমান আৱেগিক চিন্তাৰ প্ৰকাশ অথবা নতুন বাদ (ism), ধাৰা আদিৰ প্ৰয়োগক যেতিয়া পাঠকে অগ্ৰাহ্য কৰে, তেতিয়া তেনে সাহিত্যকৃতিও কালৰ সোঁতত হেৰাই যাব পাৰে। আচলতে এনে সাহিত্যত বৰ্তি থকা (survive) গুণৰ অভাৱৰ কাৰণে সি জীয়াই থাকিব নোৱাৰে।

## ৩.১.৬ পাঠকৰ সঁহাৰি (Reader Response)

এই পৰিভাষাটিত পাঠকৰ দৃষ্টিভংগী আৰু অভিজ্ঞতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইমানদিনে প্ৰচলিত হৈ থকা লেখকৰ দৃষ্টিভংগীত দিয়া গুৰুত্বহ এই পৰিভাষাত দ্বিতীয় স্থানহে লাভ কৰে। আমেৰিকা আৰু জাৰ্মানীৰ সমালোচকৰ হাতত যথাক্ৰমে ১৯৬০ আৰু ১৯৭০ চনত এই পৰিভাষাকেন্দ্ৰিক তত্ত্বৰ উত্থান ঘটে।

সৰলভাৱে ক'বলৈ গ'লে যিকোনো পাঠৰে বৰ্তন যোগ্যতা (Survival) নিৰ্ভৰ কৰে পাঠকৰ সঁহাৰি (reader response)ৰ ওপৰত। পাঠকৰ সঁহাৰিৰ লগত আৰু কেইবাটিও দিশ জড়িত হৈ থাকে। কোনো একোটি নিৰ্দিষ্ট পাঠ (text) বেলেগ বেলেগ পাঠকে নিজা দৃষ্টিভংগীৰে গ্ৰহণ, বৰ্জন আৰু সমালোচনা কৰিব পাৰে। কাৰণ সকলো পাঠকৰ মানসিক স্তৰ একে নহয়। এনে বৈচিত্ৰ্যময় মানসিক পৰিমণ্ডলৰ মাজত যিবোৰ পাঠ (text) তিষ্ঠি থাকে, সেইবোৰেই যুগজয়ী সাহিত্য। কেতিয়াবা কোনো এটি পাঠে (text) এক বা একাধিক পাঠকক উদ্দীপ্ত কৰি তেওঁৰ মাজত থকা লেখক সত্তাক সঞ্জীৱিত কৰে। তেনে ক্ষেত্ৰত প্ৰথম পাঠটোৱে লেখকৰ দ্বাৰা সৃষ্ট নতুন পাঠত ভাৱবস্তু, ৰূপবস্তু অথবা ৰসবস্তুত কিবা প্ৰকাৰে আত্মপ্ৰকাশ কৰে। এনে ক্ষেত্ৰত পাঠকৰ সঁহাৰি আৰু সংগ্ৰহণ এই দুই ক্ৰিয়াৰ মাজত অদৃশ্য সংযোগ সূত্ৰ আৱিস্কাৰ কৰিব পাৰি। কেতিয়াবা অধ্যয়নশীল পাঠকে কোনো এক সাহিত্য বা গ্ৰন্থ পঢ়ি উঠাৰ পিছত একেধৰণৰ ভাৱ, ভংগী, ৰুচি, শৈলী, গঠন যেতিয়া অন্য কোনো সাহিত্য অথবা পাঠত উদ্ধাৰ কৰে, তেতিয়া এনে সমৰূপতা বিচাৰি পোৱাৰ এই স্তৰৰ পাঠকৰ সঁহাৰিক তুলনামূলক সাহিত্যত

পাঠকৰ আন্তঃপাঠগততা (Inter texuality) বুলি অভিহিত কৰা হয়। পাঠকৰ সঁহাৰিৰ লগত প্ৰাসংগিত পাঠ (Contextuality)ও জড়িত হৈ থাকে।

গতিকে দেখা যায় যে, পৰিভাষাতত্ত্ব অধ্যয়নত পাঠকৰ সঁহাৰি পৰিভাষাটোৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে।

## ৩.১.৭ সাৰাংশ

- পৰিভাষাতত্ত্ব অধ্যয়নত প্ৰতিটো পৰিভাষাৰে গুৰুত্ব সমপৰ্যায়ৰ।
- প্ৰত্যেকটো পৰিভাষা সূক্ষ্ম আৰু বিশ্লেষণাত্মক পদ্ধতিৰে অধ্যয়ন কৰিব পাৰি।
- পৰিভাষাসমূহৰ বিশ্লেষণৰ দ্বাৰা সাহিত্যৰ বিশেষ লক্ষণ দীৰ্ঘস্থায়ীত্ব আৰু গুণবিশিষ্টতাৰ কাৰণ নিৰ্ণয় কৰা।

## ৩.১.৯ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ শুদ্ধ উত্তৰ বিচাৰ কৰাঁ।**

ক) কবিতা — এটি পৰিভাষা
এবিধ সংগ্ৰহণ
এটি প্ৰকাৰ
এটি অনুকুলন

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰাঁ।**

(ক) সাহিত্যৰ পাঠ (text)ত নিহিত সঞ্জীৱনী শক্তিক .................. ........................ বুলি অভিহিত কৰিব পাৰি।

(খ) গতিকে ..................... ওপৰত .......................... প্ৰভাৱ আলোচনা কৰিলে ........................ শব্দৰ তাৎপৰ্যহে ভালদৰে বুজা যায়,

(গ) এই প্ৰকাৰ (genre) অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াটোক ........................... ........................... বুলি অভিহিত কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ** **পাঁচোটা বাক্যত উত্তৰ দিয়াঁ।**

প্ৰকাৰতত্ত্বৰ অধ্যয়নত প্ৰকাৰ বৈশিষ্ট্যখিনি কিয় পোনতে মূল্যায়ন কৰিব লাগে ?

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪**

**বিষয়সাৰতত্ত্বৰ বিষয়ে বহলাই আলোচনা কৰাঁ।**

### ৩.১.৪ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ ঃ** এটি প্ৰকাৰ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ ঃ** স্ববৰ্ত্তন (Survival)।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ ঃ**

সাহিত্যক যদি মানৱ শৰীৰটো বুলি গণ্য কৰা হয়, তেন্তে ইয়াৰ হাত, ভৰি, চকু, কাণ আদি অংগবোৰক সাহিত্যৰ প্ৰকাৰ (genre)ৰ সম অৰ্থৰ বুলি ক'ব পাৰি। অৰ্থাৎ গল্প, কবিতা, প্ৰবন্ধ, নাটক ইত্যাদি হ'ল সাহিত্যৰ প্ৰকাৰ। সাহিত্য হ'ল ইবিলাকৰ সমষ্টি। ইহঁত প্ৰত্যেকটো অংগৰে স্বকীয় বৈশিষ্ট্য, স্বতন্ত্ৰ চৰিত্ৰ আৰু সুকীয়া অস্তিত্ব আৰু পৰিচয় আছে। গতিকে প্ৰকাৰতত্ত্বৰ অধ্যয়নত গুৰুত্ব দিবলগীয়া প্ৰাথমিক দিশটো হ'ল ইয়াৰ প্ৰকাৰ বৈশিষ্ট্যখিনিক পোনতে মূল্যায়ন কৰা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ ঃ**

তুলনামূলক অধ্যয়নৰ এক গুৰুত্বপূৰ্ণ আধাৰ হ'ল Thematology বা সাৰ-বস্তুৰ আলোচনা। ই হ'ল এক হ্ৰাসাত্মক বিভাজন। বিভিন্ন ভাষা বা সংস্কৃতিৰ দুটা বা ততোধিক কৰ্মক ই একে আধাৰ পাত্ৰতে থৈ বিচাৰ কৰে। দুটা যুগৰ ব্যক্তিৰ ৰচনাৰ বিষয়বস্তু, পৰিবেশন ৰীতি, মেজাজ আদিৰ সাদৃশ্য বিচাৰ কৰোঁতে ব্যক্তি দুজনৰ স্বকীয় সামাজিক পটভূমিৰ গঠন, কাল আৰু পৰিৱেশনৰ স্বতন্ত্ৰতা আৰু ৰচনাৰ বস্তুনিষ্ঠতাক গুৰুত্ব দিয়া নহয়। মৌখিক সাহিত্য, কিম্বদন্তী আৰু সংস্কৃতিক ইয়াত আওকাণ কৰা হয়। সেইখিনি সম্পদক, যিখিনি গৱেষকে বিচাৰি উলিয়াব পাৰে, সাৰবস্তু অধ্যয়ন কৰি সেইখিনিয়েই গুৰুত্ব পায় Thematology সম্পৰ্কীয় আলোচনাৰ পৰা দেখা যায় যে, theme বা সাৰবস্তু, এই শব্দটোৰ লগত জড়িত হৈ আছে motif আৰু subject matter এই দুটা শব্দ। এই তিনিওটা শব্দৰ মাজত সম্বন্ধ আৰু পাৰ্থক্য অতি সূক্ষ্ম। ক্ৰমিকভাৱে চালে motif হ'ল এইকেইটাৰ ভিতৰত একেবাৰে সূক্ষ্ম ধাৰণা, theme তাতকৈ কিছু বিস্তৃত আৰু ব্যাখ্যাত্মক আৰু subject matter তাতকৈ অধিক বিস্তৃত আৰু ব্যাখ্যাত্মক। কোনো এটি ৰচনাত কাহিনী, উপকাহিনী, চৰিত্ৰ, চৰিত্ৰৰ কাৰ্যকলাপ, ঘটনাক্ৰম এই সকলোবোৰৰ বিষয়ে যি থূলমূল ধাৰণা দিয়া হয় সি হ'ল subject matter। ই সূক্ষ্ম, theme সূক্ষ্মতৰ আৰু motif সূক্ষ্মতম। Thematology অধ্যয়নৰ ক্ষেত্ৰত এই তিনিওটাৰে সমান গুৰুত্ব থাকে।

পাশ্চাত্য জগতত Thematology ৰ অধ্যয়ন পোনতে কেৱল motif ৰ সালসলনিৰ অধ্যয়ন আৰু স্থানান্তৰকৰণৰ অধ্যয়নতে সীমাবদ্ধ আছিল। পাছলৈ ক্ৰমে এই ৰীতি বেছি সূক্ষ্ম আৰু বিভাজিত হৈ পৰিল। বৰ্তমান সমগ্ৰ বিশ্বৰ তুলনাকাৰীয়ে যি কেইটা দৃষ্টিকোণেৰে ইয়াৰ অধ্যয়ন কৰে তাত motif আৰু পৰিস্থিতিৰ অন্তৰ্ভুক্ত আলোচনাই কেৱল নাই; motif, পৰিস্থিতিৰ কাল, স্থান অনুসৰি themeৰ উপলব্ধি বিভিন্নতাভেদে কি ধৰণে কি অৰ্থত অভিব্যক্তি

লাভ হয় তাৰ আলোচনা আৰু বিশ্লেষণো থাকে। Thematology ৰ বিভিন্ন Theme ৰ স্থানান্তৰকৰণ, Themeৰ পৰা বিকশিত Theme ত শ্ৰেণীকৰণ আদি সূক্ষ্ম বিষয়সমূহ অন্তৰ্ভুক্ত হয়। তদুপৰি motif ইমানেই সূক্ষ্ম যে এটা theme ৰ ভিতৰত একাধিক motifৰো সমাৱেশ ঘটিব পাৰে। গতিকে motifৰ সন্ধান অথবা অনুসন্ধানো thematic অধ্যয়নৰ অন্তৰ্গত বিষয়। motif ক দুটা ভাগত ভাগ কৰা যায় inner motif (ভিতৰুৱা অভিপ্ৰায়) আৰু outer motif (বাহিৰা অভিপ্ৰায়)।

এনেদৰে বিষয়সাৰৰ অধ্যয়নত বিজ্ঞানসন্মতভাৱে সূক্ষ্মাতিসূক্ষ্ম ৰূপলৈ ভাঙি বিশ্লেষণ কৰা হয়, য'ত সাহিত্যৰ সঠিক মূল্যায়ন সম্ভৱপৰ হয়।

## খণ্ড ৩

## গোট ২ ঃ অনুকুলন (Adaptation), প্ৰতিফলন (Reflection), অত্যধিক প্ৰভাৱ (Impact), অনুকৰণ (Imitation), আন্তঃপাঠগততা (Inter textuality), পুনঃসৃজন (Recreation)

### ৩.২.০ উদ্দেশ্য

- ওপৰত উল্লেখ কৰা পৰিভাষাসমূহৰ বিষয়ে বিতংকৈ জনা।
- পৰিভাষাসমূহৰ ধাৰণা উপলব্ধিৰ দ্বাৰা তুলনামূলক অধ্যয়ন পদ্ধতিত সঠিকভাৱে প্ৰয়োগ কৰা।

### ৩.২.১ প্ৰস্তাৱনা

অতি সাম্প্ৰতিক সময়ত সংগ্ৰহণ তত্ত্ব (reception theory)ত লেখকভেদে আৰু পাঠকভেদে সাহিত্যকৃতিৰ ভিন্ন ব্যাখ্যাৰ ইতিহাসতকৈ 'সাহিত্যিক সংযোগকৰণ তত্ত্ব' (theory of literary communication)ক অধিক গুৰুত্ব আৰোপ কৰিছে। সাহিত্যত সংযোগকৰণৰ তত্ত্ব (theory of communication)ৰ দৃষ্টিভংগী প্ৰয়োগ কৰাৰ লগে লগে সূক্ষ্মাতিসূক্ষ্ম বিন্দুলৈকে সংগ্ৰহণক বিভিন্ন দিশৰ পৰা বিশ্লেষণ কৰাৰ প্ৰয়াসো বৃদ্ধি পাইছে। সেইধৰণৰ প্ৰয়াসে অনুকৰণ (Imitation), অনুকুলন (Adoptation), পুনঃসৃজন (Recreation), প্ৰতিক্ৰিয়া (Reaction), দিক্ দৰ্শন (Orientation), অনুৰণন (Resonance), প্ৰতিৰূপ (Image), প্ৰতিফলন (Reflection), অনুপ্ৰেৰণা (Inspiration) ইত্যাদি পৰিভাষাৰে এলানি সুদীৰ্ঘ দৃষ্টিকোণৰে সংগ্ৰহণৰ মাত্ৰাক মূল্যায়নৰ প্ৰয়াস কৰা হয়। আচলতে প্ৰভাৱ বিচাৰ (Influence)ৰ বিকশিত স্তৰত কৰা মূল্যায়নত প্ৰভাৱৰ ফলস্বৰূপে সৃষ্টি হোৱা সংগ্ৰহণৰ ইবিলাক হ'ল একাধিক স্বৰূপ।'

## ৩.২.২ অনুকুলন (Adaption)

Adaption বা অনুকূলন অন্য এটি শব্দ যিটোৰ অৰ্থ অনুকৰণতকৈ সূক্ষ্ম। অনুকৰণত আকৃষ্টতাৰ পৰা একোটা শৈলী অথবা বিষয়ৰ প্ৰতি আগ্ৰহ বাঢ়ে। কিন্তু অনুকূলন (adaption)ত যিকোনো অনুকৰণৰ লগত জড়িত হৈ থাকে এক খাপখোৱা পৰিৱৰ্তনৰ পথ। এজন সাহিত্যিকে অন্য এজনৰ পৰা অথবা এহি ধাৰাৰ পৰা নিজৰ নিজৰ সাহিত্যৰ ধাৰাৰ লগত খাপ খাম্প পৰা যি ভাব, বিষয় অথবা শৈলীক প্ৰয়োজনমতে অনুকূলে পৰিবৰ্তন কৰি পুনঃপ্ৰয়োগ কৰে, সেয়াই হৈছে অনুকূলন। এই ভাব, বিষয় আদি কেতিয়াবা দুয়ো পক্ষৰে অনুকূল হ'ব পাৰে।

## ৩.২.৩ প্ৰতিফলন (Reflection)

সংগ্ৰহণ (reception)ৰ স্বৰূপ অনুযায়ী সংগ্ৰহণক প্ৰতিফলন (reflection), প্ৰতিধ্বনি (echo), অনুকুলন (adaption) ইত্যাদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি। সেয়ে সংগ্ৰহণৰ এক বিশেষ ৰূপক প্ৰতিফলন আখ্যা দিব পাৰি। কোনো উৎসপাঠ (source)ৰ পৰা যেতিয়া কোনো লেখক পাঠকে মনৰ মাজত গ্ৰহণ কৰা সংৰক্ষিত বিষয়বস্তু, চৰিত্ৰ, কাহিনী, ৰূপ, ৰস অথবা আংগিকৰ প্ৰায় হুবহু সংগ্ৰহণ ঘটে, তেতিয়া তেনে সংগ্ৰহণক প্ৰতিফলন বুলি ক'ব পাৰি।

## ৩.২.৪ অত্যধিক প্ৰভাৱ (Impact)

Impact বা প্ৰত্যক্ষ প্ৰভাৱ influence ৰ সমপৰ্যায়ৰ হ'লেও দুয়োটা সম্পূৰ্ণ একে নহয়। Impact ৰ মাজত ভাববস্তুত পৰা প্ৰভাৱ বেছি বেছি স্পষ্ট আৰু পোনপটীয়া। ই ভিতৰৰ পৰা প্ৰভাৱ পেলায়। কোনো এক সাহিত্য-কৰ্মৰ ধাৰাৰ ওপৰত কেতিয়াবা কোনো বিশেষ আন্দোলন বা মতবাদৰ এনে প্ৰভাৱ পৰিব পাৰে যিটো স্পষ্টভাৱে জিলিকি থাকে। মধ্যযুগীয় ভক্তি আন্দোলনৰ প্ৰত্যক্ষ প্ৰভাৱত সৃষ্টি হৈছিল বহুতো সাহিত্য-কৰ্মৰ। সেইদৰে বংগৰ নৱজাগৰণেও অসমৰ সাহিত্য চেতনাত প্ৰভাৱ পেলাইছিল। এনেবোৰ প্ৰভাৱ influence নহয়, impact হে। Impact ৰ মাজত মূল উৎসৰ তেজ আৰু গতি বিশেষ ৰূপে প্ৰতিভাত হয়।

### ৩.২.৫ অনুকৰণ (Imitation)

Imitation বা অনুকৰণৰ মাজতো এক সচেতনতা বিৰাজমান। সাধাৰণতে ব্যৱহাৰ কৰা অৰ্থৰ দৰে তুলনামূলক অধ্যয়নত অনুকৰণক তুচ্চ বা হেয় অৰ্থত প্ৰয়োগ কৰা নহয়। কোনো লেখকৰ শৈলী বা প্ৰয়োগ পদ্ধতিত যেতিয়া অন্য এজন মুগ্ধ আৰু আকৃষ্ট হয় তেতিয়া তেওঁ যত্নসহকাৰে সেইবোৰ আয়ত্ত কৰিবলৈ আৰু প্ৰয়োগ কৰিবলৈ অভ্যাস কৰে; এয়ে হৈছে অনুকৰণ। অনুকৰণে একোজন লেখকৰে কেৱল নহয়, একোটা ধাৰাৰে অধ্যয়নত সহায় কৰে। অনুকৰণৰদ্বাৰা এখন দেশৰ বা এটা জাতিৰ বিশিষ্ট শৈলী অন্য এঠাইত বিয়পি পৰিব পাৰে। কবিতাৰ ক্ষেত্ৰত ছনেট, হাইকু আদি অনুকৰণৰ সুলভ উদাহৰণ। সাধাৰণতে দাতা আৰু গ্ৰহীতাৰ মাজত সংযোগৰ যথেষ্ট মাধ্যম য'ত সহজলভ্য, ঘাইকৈ ব্যক্তিগত আগ্ৰহ আৰু প্ৰচেষ্টাৰ বাবে মাজত য'ত উপযুক্ত মাধ্যম পোৱা যায়, অনুকৰণ তাতেই বেছি সক্ৰিয় হৈ উঠে। এক নিৰ্ধাৰিত অঞ্চলৰ ভিতৰত ই ক্ৰিয়া কৰে আৰু পাঠগত প্ৰতিধ্বনি আৰু অনুৰণনৰ মাজেদি তাৎক্ষণিক আৰু প্ৰত্যক্ষ সঁহাৰি সৃষ্টি কৰে। এনেকৈয়ে প্ৰভাৱৰ সম্পৰ্কসমূহৰ আৰম্ভ হয়, অনুকৰণৰদ্বাৰা আগবাঢ়ে reception (সংগ্ৰহণ)ৰ ঐক্য বা differentation (বৈবিধ্য) নিৰ্ধাৰিত হয়, থূপ খায়গৈ impact (প্ৰত্যক্ষ প্ৰভাৱ) আৰু সফল ক্ষেত্ৰতেই আগবাঢ়ি চূড়ান্তভাৱে পায়গৈ survuval (তিষ্ঠি থকা)ৰ স্তৰ।

### ৩.২.৬ আন্তঃপাঠগততা (Interexuality)

এই পৰিভাষাটিৰ লগত পাঠৰ ভিতৰুৱা তথ্যক জড়িত কৰা হৈছে। Interexuality বা আন্তঃপাঠগততা প্ৰভাৱতকৈ (influence) গভীৰ আৰু ব্যাপক। প্ৰভাৱ বুলি ক'লে সাধাৰণভাৱে এজনৰ ৰচনাৰ পৰা আন এজনৰ উদ্ধৃতি বা সমশ্ৰেণীৰ বাক্যাংশ বিচাৰি উলিয়াই ইংগিতৰ ওপৰতে বহুতো ধাৰণা কৰি লোৱা হয়। এনে ক্ষেত্ৰত উমৈহতীয়া

সুৰ বা সংবেদনক আওকাণ কৰা হয়। কিন্তু interexuality এ পাঠগত তুলনাৰ দ্বাৰা সেইবোৰৰো সন্ধান কৰে। Post-structurilistসকলে এই পৰিভাষাৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে কৰিছিল আৰু এই পদ্ধতিৰে যথেষ্ট অধ্যয়ন কৰিছে। তেওঁলোকৰ বাবে সেয়েহে সাহিত্যততে আন্তঃপাঠৰ লক্ষণ দেখা পোৱা গৈছিল। তেওঁলোকৰ মতে সকলো পাঠেই হ'ল আন্তঃপাঠ আৰু প্ৰতি পাঠৰ আগৰ পাঠটো হ'ল প্ৰাক্‌পাঠ (pretext)। কোনো কোনো তুলনাকাৰীয়ে এই পদ্ধতিক ইমান গুৰুত্ব দিছে যে influence কে ধৰি সকলো সাহিত্যিক সম্বন্ধকে তেওঁলোকে interexuality ৰ ভিতৰুৱা বুলি মত প্ৰকাশ কৰিছে। John Stwook নামৰ প্ৰসিদ্ধ সমালোচকজনে কৈছে যে একোটা পাঠে অন্য পাঠৰ পৰা সৰ্বপ্ৰকাৰৰ সংকেত অথবা প্ৰতিধ্বনি ধাৰণা কৰে, একোটা পাঠৰ লগত অন্য পাঠৰ সম্বন্ধ নিৰ্ণয় কৰিব পৰা উদ্ধৃতি, পেৰডী, কুম্ভীলক বৃত্তি, প্ৰভাৱ আদি সকলো সামৰি একেলগে বুজাব পৰা শব্দটোৱেই হ'ল interexuality।

কিন্তু এই মতৰ বিৰোধিতা কৰা তুলনাকাৰীও আছে। তেওঁলোকে Interexualityক ইমান ব্যাপক পৰিসীমাত থ'বলৈ বিচৰা নাই। তেওঁলোকৰ মতে একোটা পাঠৰ মাজৰ সাদৃশ্য, সংকেত, উদ্ধৃতি আদিৰ সামগ্ৰিক ৰূপৰ বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰিহে ক'ব পৰা যায়, সেয়া Influence নে Interexuality।

Influenceৰ বিপৰীতে Interexuality য়ে সম্পূৰ্ণ আত্মসচেতনতা আৰু সচেতনভাৱে নিয়ন্ত্ৰিত কাৰ্যকলাপৰ দাবী কৰে। এনেকৈয়ে কোৱা হয়; প্ৰভৱৰ প্ৰতি সজাগতাই লৈ যায় আন্তঃপাঠগততাৰ ফালে, কিন্তু আন্তঃপাঠনতাই কেতিয়াও প্ৰভাৱৰ ফালে নিবলৈ নিবিচাৰে। প্ৰভাৱে ব্যক্তিত্বত প্ৰৱেশ কৰে, স্বপ্ন বা কল্পনা নিয়ন্ত্ৰণ কৰে আৰু সেইবোৰক দিয়ে নিৰ্দিষ্ট গঢ়। আন্তঃপাঠগততা প্ৰতিটো খুঁটি-নাটিৰ লগত জড়িত হৈ থাকে আৰু স্বপ্ন বা কল্পনাৰ পৰ্যায় নাপায়গৈ।

### ৩.২.৭ পুনঃসৃজন (Recreation)

পুনঃসৃজন আচলতে অনুবাদৰে এক সুচিন্তিত নাম। আক্ষৰিক অনুবাদ আৰু পুনঃসৃজনৰ মাজত পাৰ্থক্য আছে। পুনঃসৃজনত মূল

লেখকৰ সৃষ্টিক অনুবাদকে বুধিৰে আৰু হৃদয়েৰে সম্পূৰ্ণৰূপে উপলব্ধি কৰি লৈ পিছত তাক নিজা অভিব্যক্তিৰে প্ৰকাশ কৰে। এই কাৰ্যত মূল লেখকজনো হেৰাই নাযায়; অথচ দ্বিতীয় লেখক, অৰ্থাৎ পুনঃসৃজন কৰোঁতাজনো বিকশি উঠে।

পুনঃসৃজনৰ বাবে কেইটিমান চৰ্ত অতি অপৰিহাৰ্য, যেনে– এই কাৰ্যত মূলৰ অনুভৱখিনি লেখকে সম্পূৰ্ণভাবে নিজা কৰি ল'ব পাৰিব লাগিব। মূল লেখক আৰু লেখনীৰ প্ৰতি তেওঁ দায়বদ্ধ হ'ব লাগিব আৰু মূল লেখকৰ মানসিক জগতত ৰচনাৰ কালত যি সংঘাতৰ সৃষ্টি হৈছিল সেয়াও তেওঁ সম্পূৰ্ণৰূপে বুজি উঠি সমানে উপলব্ধি কৰিব লাগিব।

পুনঃসৃজনৰ ক্ষেত্ৰত অনুবাদকো এজন স্ৰষ্টা হৈ পৰে আৰু সফল স্ৰষ্টা একোজনে মূল স্ৰষ্টাৰ সমানেই সন্মান লাভ কৰে। বহু ক্ষেত্ৰত পুনঃসৃজনৰ ফলত সৃষ্টি হোৱা সাহিত্য মূলতকৈ মহীয়ান হৈ উঠাও দেখা যায়। পুনঃসৃজনৰ দুটা সুন্দৰ উদাহৰণ অসমীয়া সাহিত্যত আছে, মাধৱদেৱৰ 'নামঘোষা' আৰু যতীন্দ্ৰনাথ দুৱৰাৰ 'ওমৰতীৰ্থ'। 'ওমৰতীৰ্থ'ৰ মূল হ'ল ফিট্জাৰলেণ্ডৰ ইংৰাজী অনুবাদ, যি নিজেই ৰুবাইবোৰৰ পুনঃসৃজন। এই পুনঃসৃজন ইমানেই শক্তিশালী আছিল যে বিশ্ব-সাহিত্যত ইহে এক প্ৰেৰণাৰ সৃষ্টি হৈ পৰিল। গতিকে পুনঃসৃজন এক অতি মহত্বপূৰ্ণ আৰু কলাত্মক প্ৰক্ৰিয়া।

### ৩.২.৮ সাৰাংশ

- অনুকলন, অনুৰণন, আন্তঃপাঠগততা ইত্যাদি সংগ্ৰহণৰে একাধিক স্বৰূপ।
- তুলনামূলক অধ্যয়ন পদ্ধতিত এই পৰিভাষাসমূহে বিশিষ্ট ভূমিকা পালন কৰে।
- পৰিভাষাসমূহৰ সূক্ষ্ম অধ্যয়নে পঠনীয় বিষয়ৰ জ্ঞান স্পষ্ট কৰে।

## ৩.২.৯ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ শুদ্ধৰূপত মিলোৱা--**

| | |
|---|---|
| (ক) অনুকুলন | (১) মাজত ভাৱ বস্তুৰ পৰা প্ৰভাৱ বেছি স্পষ্ট আৰু পোনপতীয়া |
| (খ) Impact | (২) সচেতনভাৱে নিয়ন্ত্ৰিত কাৰ্যকলাপৰ দাবী (অত্যধিক প্ৰভাৱ) কৰে |
| (গ) Intertextuality (আন্তঃপাঠগততা) | (৩) অনুবাদকো এজন স্ৰষ্টা হৈ পৰে। |
| (ঘ) পুনঃসৃজন | (৪) অনুকৰণতকৈ সূক্ষ্ম |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰ কৰাঁ--**

(ক) বংগৰ ........................ অসমৰ সাহিত্য চেতনাত প্ৰভাৱ পেলাইছিল।

(খ) অনুকৰণে একোজন ......................... কেৱল নহয়, একোটা ............................. অধ্যয়নত সহায় কৰে।

(গ) পুনঃসৃজন আচলতে .............................. ৰ এক সুচিন্তিত নাম।

(ঘ) আন্তঃপাঠগততা .............................. তকৈ গভীৰ আৰু ব্যাপক।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ পাঁচোটা বাক্যৰ ভিতৰত উত্তৰ দিয়াঁ--**

অনুকুলনৰ তাৎপৰ্য বুজাই লিখাঁ।

## ৩.৩.০ সম্ভাব্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ**

| | |
|---|---|
| (ক) অনুকলন | (৪) অনুকৰণতকৈ সূক্ষ্ম |
| (খ) (অত্যাধিক প্ৰভাৱ) | (১) মাজত ভাৱবস্তুৰ পৰা প্ৰভাৱ বেছি স্পষ্ট আৰু পোনপটীয়া |
| (গ) আন্তঃপাঠগততা | (২) সচেতনভাৱে নিয়ন্ত্ৰিত কাৰ্যকলাপৰ দাবী কৰে |
| (ঘ) পুনঃসৃজন | (৩) অনুবাদকো এজন স্ৰষ্টা হৈ পৰে |

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ**

(ক) বংগৰ ***নৱজাগৰণে*** অসমৰ সাহিত্য চেতনাত প্ৰভাৱ পেলাইছিল।

(খ) অনুকৰণে এজন ***লেখকৰে*** কেৱল নহয়, একোটা ***ধাৰাৰো*** অধ্যয়নত সহায় কৰে।

(গ) পুনঃসৃজন আচলতে ***অনুবাদ***ৰ এক সুচিন্তিত নাম।

(ঘ) আন্তঃপাঠগততা ***প্ৰভাৱ***তকৈ গভীৰ আৰু ব্যাপক।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ৰ উত্তৰ**

Adaption বা অনুকূলন অন্য এটি শব্দ যিটোৰ অৰ্থ অনুকৰণতকৈ সূক্ষ্ম। অনুকৰণত আকৃষ্টতাৰ পৰা একোটা শৈলী অথবা বিষয়ৰ প্ৰতি আগ্ৰহ বাঢ়ে। কিন্তু অনুকূলন (adaption)ত যিকোনো অনুকৰণৰ লগত জড়িত হৈ থাকে এক খাপখোৱা পৰিৱৰ্তনৰ পথ। এজন সাহিত্যিকে অন্য এজনৰ পৰা অথবা এটি ধাৰাৰ পৰা নিজৰ নিজৰ সাহিত্যৰ ধাৰাৰ লগত খাপ খাই পৰা যি ভাব, বিষয় অথবা শৈলীক প্ৰয়োজনমতে অনুকূলে পৰিৱৰ্তন কৰি পুনঃপ্ৰয়োগ কৰে, সেয়াই হৈছে অনুকূলন। এই ভাব, বিষয় আদি কেতিয়াবা দুয়ো পক্ষৰে অনুকূল হ'ব পাৰে।

# খণ্ড ৪

# অনুবাদ
# (Translation)

## ৪.০ উদ্দেশ্য

- ➢ বিশ্ব সাহিত্যৰ সোৱাদ লোৱা।
- ➢ বিভিন্ন ভাষাৰ সাহিত্যৰ প্ৰাণস্পন্দন অনুভৱ কৰা।
- ➢ সাহিত্যৰ মাজত নিহিত ঐক্যসূত্ৰ আৱিস্কাৰ কৰা।
- ➢ বিশ্ব সাহিত্যৰ স্বৰূপ উপলব্ধি কৰা।

## ৪.১ প্ৰস্তাৱনা

অনুবাদ এবিধ কলা আৰু একেসময়তে এটি পদ্ধতিগত বিজ্ঞান। তত্ত্ব আৰু প্ৰায়োগিক উভয় দিশতে অনুবাদৰ চৰ্চা কৰা হয়। অনুবাদৰ একাধিক প্ৰকাৰ আৰু পদ্ধতিক বিজ্ঞানসন্মতভাৱে চৰ্চা কৰা ‘অনুবাদ অধ্যয়ন’ এক সুকীয়া অধ্যয়নৰ গোট ৰূপেও স্বীকৃত। এতিয়া তোমালোকক অনুবাদৰ লগত জড়িত বিভিন্ন দিশসমূহৰ লগত পৰিচয় কৰাঁও আঁহা।

## গোট ১ ঃ অনুবাদৰ সংজ্ঞা আৰু পৰিচয়; অনুবাদৰ পদ্ধতি আৰু প্ৰকাৰ

### ৪.১.০ উদ্দেশ্য

অনুবাদ তুলনামূলক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ দিশ। ই হ'ল সংযোগৰ অন্যতম মাধ্যম। বিভিন্ন ভাষাৰ ভাব-অনুভূতি, আদৰ্শ-চিন্তা-সমস্যাৰ প্ৰতিফলন এটা ভাষাৰ পৰা আন এটা ভাষালৈ কঢ়িয়াই নিবৰ বাবে অনুবাদেই উৎকৃষ্ট আহিলা। সাধাৰণভাৱে ক'বলৈ গ'লে এটা ভাষাৰ ৰচনা আন এটা ভাষালৈ ৰূপান্তৰিত কৰাকে অনুবাদ বোলে। কিন্তু ব্যুৎপত্তি ফালৰ পৰা ইয়াৰ অৰ্থ হ'ল এবাৰ কোৱা কথাকে আকৌ কোৱা। অনুবাদকাৰ্যক যেতিয়া এক বিজ্ঞানৰ দৃষ্টিৰে চোৱা হয়, তেতিয়া তাৰ মাজত কিছুমান ৰীতি আৰু সূত্ৰ প্ৰয়োগ কৰা হয়। অনুবাদে লেখক আৰু বিষয়বস্তু বা মূলপাঠ, লেখক আৰু পাঠক, লেখক আৰু অনুবাদকৰ মাজত এক ভাৰসাম্যযুক্ত সম্পৰ্ক ৰক্ষা কৰিব পাৰিব লাগে। ইয়াৰ বাবে মূলপাঠৰ প্ৰতি তেওঁৰ (অনুবাদকৰ) আন্তৰিকতা আৰু আনুগত্য থাকিব লাগিব, মূল লেখকৰ ৰচনাৰ মৰ্ম তেওঁ অনুভৱ কৰিব পাৰিব লাগিব। গতিকে ই এটা কলাসুলভ কাৰ্যত পৰিণত হয় আৰু সমগ্ৰ প্ৰক্ৰিয়াটোক (মূলপাঠৰ ৰূপ-ৰস-গন্ধ অনুবাদৰ জৰিয়তে অবিকৃতভাৱে অন্য ভাষাত ফুটাই তোলা) বুলিব পাৰি অনুবাদ-কলা। অনুবাদ-কলাত মূল পাঠৰ ভাষা বুজাবলৈ উৎসভাষা বা স্ৰোতভাষা (Source language, S.L.) আৰু যি ভাষালৈ অনুবাদ কৰা হ'ব সেই ভাষা বুজাবলৈ লক্ষ্যভাষা (Target language, T. L.) শব্দকেইটি প্ৰয়োগ কৰা হয়।

অনুবাদ এক কঠিন বিষয়। বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদিৰ অনুবাদত অনুবাদকৰ বোধ আৰু ভাষাগত দক্ষতা তথা যোগ্যতা থাকিলেই হয় যদিও সাহিত্যৰ অনুবাদত আৰু অধিক কিছুমান গুণ থাকিব লাগে। এই প্ৰয়োজনীয় গুণসমূহ ব্যাখ্যাতকৈও উপলব্ধিৰহে বস্তু। সাহিত্যৰ অনুবাদত সদায় মন কৰিব লাগে যে একোটা পাঠত থাকে শব্দগত অৰ্থ, লেখন পদ্ধতি, শৈলী, বাক্যগত অৰ্থ, উচ্চাৰিত অৰ্থ, আৰোপিত অৰ্থ, ষ্টাইল, বাৰ্তা আৰু সাহিত্যিক প্ৰভাৱ। অনুবাদকে ইয়াৰ প্ৰতিটোলৈকে

গুৰুত্বসহকাৰে মন কৰা উচিত।

শব্দগত অৰ্থৰ বাবে অনুবাদকৰ লাগিব দুয়োটা ভাষাৰে (S.L আৰু T.L.) শব্দভাণ্ডাৰ আৰু ব্যাকৰণৰ সূক্ষ্ম জ্ঞান। কাৰণ কাল, বাচ্য, সমাস আদিৰ সামান্য ত্ৰুটিপূৰ্ণ স্থান পৰিৱৰ্তনৰ পৰাও ব্যাপক সাল-সলনি হ'ব পাৰে। দুয়োবিধ ভাষাতে ব্যাকৰণৰ নীতিসমূহ হুবহু একে কেতিয়াও নহয়। গতিকে অনুবাদকৰ সজাগতা আৰু দক্ষতাৰ বিশেষ প্ৰয়োজন।

লেখন হ'ল অন্য একপ্ৰকাৰ আৱশ্যকীয় বিষয়। মূল ৰচনাৰ মুদ্ৰা-লেখনৰ বৈশিষ্ট্যসমূহ (বৰফলা আখৰ, তলত আঁচটনা, বেঁকা আখৰত লেখা ইত্যাদি) মন কৰা আৰু মন নকৰাৰ ওপৰতো ভালেমান কথা নিৰ্ভৰ কৰে। কেতিয়াবা অৰ্থৰ ভিতৰতো অৰ্থ থাকে। ভাল সাহিত্যত, গল্পই হওক বা কবিতাই হওক, এনে আওপকীয়া শব্দ বা ব্যাক্যাংশই বিশেষ সৌন্দৰ্যৰ সৃষ্টি কৰে। অনুবাদত ইয়াক ৰক্ষা কৰাটো কঠিন কাম। দুই ধৰণৰ অৰ্থৰ মাজৰ পৰা খাপ খোৱা এটা বাছি লৈ সেটবোৰক কেতিয়াবা নিজা পদ্ধতিৰেও সজাব লগীয়া হয়। তাৰ লগতে সজাগ হ'ব লগা হয় মূলপাঠৰ আৰোপিত অৰ্থলৈ। উদাহৰণস্বৰূপে যদি কোৱা হয়, 'সৌৰভ কুমাৰ চলিহাই প্ৰবন্ধবোৰহে প্ৰকৃত নামেৰে লেখা' – তেন্তে বুজিব লাগিব যে অন্যবোৰ লেখা (গল্প) তেওঁৰ ছদ্মনামেৰে লেখে। অথবা বেছি সহজভাৱে ক'বলৈ গ'লে 'ছোৱালীজনীৰ আজি জ্বৰ নাই' মানে আগৰ দিনবোৰত তাইৰ জ্বৰ আছিল। অনুবাদৰ সামান্য ব্যতিক্ৰমতে এই অৰ্থ ফুটি নুঠিবও পাৰে।

সবাতোকৈ কঠিন হ'ল ষ্টাইলৰ অনুবাদ কৰা। মূল পাঠৰ প্ৰকৃত বৈশিষ্ট্য থাকে তাৰ ষ্টাইলত। পাঠক আৰু লেখকৰ মাজত যোগসূত্ৰ স্থাপন কৰে লেখকৰ বিশিষ্ট ভংগী, পাঠকক সম্বোধন কৰাৰ ধৰণ, কথিত ভাষাৰ প্ৰয়োগ, আৱেগ-বিহ্বল শব্দৰ প্ৰয়োগ, অনুভূতি প্ৰকাশক বাক্যাংশ আদিৰ ব্যৱহাৰ ইত্যাদিয়ে। কেতিয়াবা একে ধৰণৰ অৰ্থ প্ৰকাশৰ বাবে লেখকে একাধিক শব্দ ব্যৱহাৰ কৰিব পাৰে। অনুবাদকে লক্ষ্যভাষাৰ বাবে সাৱধানে সেইবোৰৰ সমাৰ্থক শব্দ বিচাৰিব লাগে। বাক্যৰীতিৰ ঠাঁচ অনুবাদ কৰাটোও এক কঠিন কাম। অৰুন্ধতী ৰয়ৰ "The God

of Small Things" আৰু মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ গদ্যৰীতিৰ গুণ অক্ষুণ্ণ নাথাকিলে মূলৰ সৌন্দৰ্য একে ৰখা সম্ভৱ নহয়। এনেবোৰ ক্ষেত্ৰত দুয়োটা ভাষাতে দখল থকা সৃষ্টিশীল প্ৰতিভাৰ অনুবাদকহে সফল হ'ব পাৰিব।

সাহিত্যৰ অনুবাদৰ লগত অপৰিহাৰ্যভাৱে নহ'লেও প্ৰয়োজন সাপেক্ষে তৰ্জমাকৰণৰ সাধাৰণ লক্ষণ এটা থাকে। কেৱল তৰ্জমা বা অৰ্থ ভাঙনিৰ দ্বাৰা সাহিত্যিক অনুবাদে পূৰ্ণতা লাভ নকৰে। এনে অনুবাদত অনুবাদকে মন দিব লাগে মূল পাঠৰ প্ৰতিটো ভাজ, প্ৰশাখা, আৰোপিত সময়ৰ বিস্তৃতি, গভীৰতা আৰু প্ৰতিটো ঘটনা-উপঘটনাৰ তাৎপৰ্যলৈ। সাহিত্যৰ অনুবাদত ধ্বনিতত্ত্বৰ প্ৰতিও অত্যন্ত সচেতন হোৱা আৱশ্যক। একো একোটা ধ্বনি ৰূপান্তৰ কৰা সহজ নহয়। তথাপিও মূল পাঠত সেই ধ্বনিয়ে দিয়া চমক অবিকল একেদৰে নহ'লেও কিছুদূৰ একেদৰে ৰাখিবলৈ যত্ন কৰা উচিত। ইয়াৰ বাবে অনুবাদকজনৰ শ্ৰৱণ আৰু সৃষ্টিশীলতা দুটোয়াই তীক্ষ্ণ হ'ব লাগিব। গতিকে মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব হৈ পৰে বহুত বেছি গধুৰ।

কেতিয়াবা অনুবাদৰ পৰাও অনুবাদ কৰিব লগীয়া অৱস্থা একোটা হয়। যেনে– জীৱনানন্দৰ কবিতা বাংলাৰ পৰা ইংৰাজী, ইংৰাজীৰ পৰা তামিল হ'ব পাৰে। তেনে ক্ষেত্ৰত মূল ৰূপৰ পৰা ই আৰু আঁতৰি যাব আৰু কোনো কোনো ক্ষেত্ৰত মূলৰ শব্দ বা ব্যাক্যাংশই নিজৰ পৰিচয় পৰ্যন্ত হেৰুৱাই পেলোৱাৰ আশংকাও ৰৈ যাব। কেতিয়াবা এইদৰেও কোৱা হয় যে স্বয়ং লেখকজনেই যদি অনুবাদৰ ভূমিকাও গ্ৰহণ কৰে, তেতিয়া অনুবাদত মূলৰ মহত্ত্ব ৰক্ষা পৰিব পাৰে। কিন্তু ইয়াতো দুইটা বিষয় লক্ষ্যণীয়। প্ৰথমটো হ'ল– লেখকৰ একাধিক ভাষাত আধিপত্য থকাৰ প্ৰয়োজন। দ্বিতীয়তে, তেওঁৰ অনুবাদত, অনুবাদতকৈ বেছি পোৱা যাব নতুনকৈ লেখাৰ স্পৃহা।

অনুবাদৰ ক্ষেত্ৰত এটা মন কৰিবলগীয়া কথা হ'ল– মূল পাঠৰ অনুবাদযোগ্যতা। যিবোৰ সুৰীয়া ভাষা, অৰ্থাৎ উচ্চাৰণৰ দীৰ্ঘতা-হ্ৰস্বতা অনুসৰি য'ত একেটা শব্দই ভিন্ ভিন্ অৰ্থ বহন কৰে, সেইবোৰৰ অনুবাদযোগ্যতা কম।

গতিকে দেখা যায় যে উৎস ভাষাৰ পৰা লক্ষ্য ভাষালৈ অনুবাদ

কৰোঁতে লেখকৰ প্ৰতি অৱমাননা প্ৰকাশ নকৰাকৈ অনুবাদকে এৰা-ধৰা কৰিব লগা হয়। ই এবিধ ৰূপান্তৰৰ কলা। এইখিনিতে মনত পেলাব পাৰি যে সংস্কৃত ভাষাত ‘ছায়া’ শব্দৰে অনুবাদক বুজোৱা হয়। ই হ’ল মূলৰ ছায়াৰে কৰা একে ধৰণৰ নতুন সৃষ্টি। ই অনুকৰণধৰ্মী হ’লেও সৃষ্টিমূলক। মূলৰ প্ৰতি বিশ্বাসী হৈও নতুনকৈ গঠন বা বিন্যাস কৰাৰ স্বাধীনতাযুক্ত।

অনুবাদৰ প্ৰয়োজনীয়তাৰ আলোচনাত এই কথা বিশ্বাস কৰিব পাৰি যে যি জাতিয়ে অন্য দেশৰ ভাবসম্পদ অনুবাদৰ দ্বাৰা আহৰণ নকৰে, সেই জাতি মানসিকভাৱে নিঃস্ব আৰু পিছপৰা হৈ থাকে। ছক্ৰেটিছ, প্লেটো, এৰিষ্টটলৰ ৰচনাসমূহ যদি অনুবাদৰ দ্বাৰা দূৰ দূৰলৈ বিয়পাই দিয়া নহ’লহেঁতেন, তেতিয়া কেৱল গ্ৰীচ দেশৰ বাহিৰে অন্য দেশসমূহত নতুন চিন্তাৰ পোহৰ নপৰিলহেঁতেন।

বৰ্তমান কালত আধুনিক সমাজৰ বাবে অনুবাদ হৈ পৰিছে এক প্ৰাথমিক প্ৰয়োজন। পৃথিৱী সৰু হৈ আহিছে, বিভিন্ন ৰাষ্ট্ৰ হৈ পৰিছে প্ৰতিবেশীৰ দৰে– ৰিং মাৰিলেই মাত শুনা দূৰত্বৰ। এনে ক্ষেত্ৰত নিজৰ কথা শুনাবলৈ আৰু আনৰ কথা শুনিবলৈ অনুবাদৰ প্ৰয়োজন বৰ বেছি। ভাৰতৰ দৰে বহুভাষিক দেশত এজনে আনজনৰ প্ৰাণৰ কথা উপলব্ধি কৰাটো ৰাষ্ট্ৰীয় সংহতিৰ ফালৰ পৰাই অত্যন্ত আৱশ্যক। সেইবাবেই বেছি আৱশ্যক অনুবাদৰ চৰ্চা আৰু প্ৰয়োগৰ।

অনুবাদ যদি পদ্ধতিগত আৰু সুষমভাৱে কৰিবলৈ বিচৰা হয়, তেন্তে লক্ষ্যহীন বিশৃংখল ভাঙনিয়ে কোনো উদ্দেশ্য সাধন নকৰিব। অনুবেদ্য অংশৰ পৃষ্ঠভূমি, মানসিক বাতাবৰণ, সাংস্কৃতিক-সামাজিক পৰিমণ্ডলৰ সম্যক জ্ঞান নোহোৱাকৈ কৰা অনুবাদ খোজে খোজে পথভ্ৰষ্ট হোৱাৰ আশংকা।

### ৪.১.১ প্ৰস্তাৱনা

অনুবাদ এবিধ কঠিন কলা। যিকোনো কলাৰ দৰেই অনুবাদতো সাধনা আৰু একাগ্ৰতাৰ প্ৰয়োজন। সাধাৰণভাৱে অনুবাদ কলা চাৰি ভাগত ভগাব পাৰি– তথ্যগত, জ্ঞানগত, আক্ষৰিক আৰু ভাবগত। সাধাৰণতে সাংবাদিক, সম্পাদক আৰু তথ্য যোগানৰ বিভাগসমূহে

তথ্যগত অনুবাদ প্ৰক্ৰিয়া মানি চলে। বাতৰি আৰু বিজ্ঞাপন অনুবাদ কৰোঁতে তথ্যৰ নিৰ্ভুল উপস্থাপনতে ঘাইকৈ জোৰ দিয়া হয় যদিও কিছুমান কথাৰ পটভূমি অথবা অন্তৰ্নিহিত তাৎপৰ্য বুজি নাপালে এনে অনুবাদে ভুল তথ্য দাঙি ধৰাৰ সম্ভাৱনা থাকে। তেনে ক্ষেত্ৰত আহি পৰে জ্ঞানগত অনুবাদৰ প্ৰশ্ন। জ্ঞানগত অনুবাদৰ যোগেদি চিন্তা আৰু ধাৰণাৰ আন্তঃবিনিময় সম্ভৱপৰ।

### ৪.১.২ অনুবাদ সংজ্ঞা আৰু পৰিচয়

অনুবাদ তুলনামূলক সাহিত্যৰ এটি গুৰুত্বপূৰ্ণ দিশ। ই হ'ল সংযোগৰ অন্যতম মাধ্যম। বিভিন্ন ভাষাৰ ভাব-অনুভূতি, আদৰ্শ-চিন্তা-সমস্যাৰ প্ৰতিফলন এটা ভাষাৰ পৰা আন এটা ভাষালৈ কঢ়িয়াই নিবৰ বাবে অনুবাদেই উৎকৃষ্ট আহিলা। সাধাৰণভাৱে ক'বলৈ হ'লে এটা ভাষাৰ ৰচনা আন এটা ভাষালৈ ৰূপান্তৰিত ক'ৰাকে অনুবাদ বোলে। কিন্তু ব্যুৎপত্তিৰ ফালৰ পৰা ইয়াৰ অৰ্থ হ'ল এবাৰ কোৱা কথাকে আকৌ কোৱা। অনুবাদ-কাৰ্যক যেতিয়া এক বিজ্ঞানৰ দৃষ্টিৰে চোৱা হয়, তেতিয়া তাৰ মাজত কিছুমান ৰীতি আৰু সূত্ৰ প্ৰয়োগ কৰা হয়। অনুবাদে লেখক আৰু বিষয়বস্তু বা মূলপাঠ, লেখক আৰু পাঠক, লেখক আৰু অনুবাদৰ মাজত এক ভাৰসাম্যযুক্ত সম্পৰ্ক ৰক্ষা কৰিব পাৰিব লাগে।

শেহতীয়া তত্ত্ব মতে কাগজ-কলম হাতত লৈ নাইবা কম্পিউটাৰত হাত থৈ বহি থকাজনেই অনুবাদক নহয়। অনুবাদকজন হ'ল এটি 'সত্বা' – যাৰ ভিতৰত আছে স্থান, কাল আৰু সংস্কৃতিৰ মিশ্ৰিত ৰূপৰ অনুবাদিত অন্তৰ্দৃষ্টি। তেওঁ পুৰণিৰ আধাৰত নতুনকৈ প্ৰকাশ কৰিবলৈ যত্ন কৰে। কেতিয়াবা অবিকৃত পুৰণি পাঠ তেওঁৰ কলমৰ যাদুত নতুন আবেদনেৰে চমকি উঠে। কোনো অনুবাদ-প্ৰক্ৰিয়া কিন্তু আখৰে আখৰে উৎসভাষা, লেখক, লক্ষ্যভাষা, পাঠ আৰু পাঠকৰ প্ৰতি সমানে অনুগত হ'ব নোৱাৰে। এইখিনিতে আহি পৰে অনুবাদ কাৰ্যক অনুসৃষ্টি বোলাৰ যুক্তিযুক্ততা আৰু সমালোচনাৰ দৃষ্টিত অনুবাদৰ 'অসম্পূৰ্ণতা'ৰ প্ৰশ্ন।

জাৰ্মানীৰ ফ্ৰেংকফুৰ্ট থূলৰ তাত্বিকসকলৰ মতে ব্যক্তিসত্বা যিহেতু নিজেই অননুবেদ্য, গতিকে চিন্তা-অনুভৱ-বোধৰ সংমিশ্ৰিত অনুবাদ অসম্পূৰ্ণ হ'বলৈ বাধ্য। বাৰ্লিন থূলৰ এজন প্ৰসিদ্ধ হ'ল ৰল্‌ফগঙ

কোহ্লাৰ (Wolfgang Kohlar, ১৮৮৭-১৯৬৮)। তেওঁৰ অনুবাদ তত্ত্ব (Gestalt theory) পিছৰ কালৰ অনুবাদতাত্ত্বিকে গুৰুত্বসহকাৰে বিবেচনা কৰিছে। থিয়ডৰ অডার্নো (Theodor Adrno) নামৰ তাত্ত্বিকজনে Gestale theoryৰ লগত কাণ্টৰ সংশ্লেষণৰ ধাৰণা (Concept of synthesis)ৰ তুলনা কৰি মত প্ৰকাশ কৰিছে যে অনুবাদৰ ক্ষেত্ৰত আগতীয়া সিদ্ধান্ত, সঁচা বুলি ধৰি লোৱা ধাৰণা, আগতেই স্থিৰ কৰা কৌশল আদিয়ে ইমান প্ৰভাৱ বিস্তাৰ কৰে যে মূল পাঠৰ বৈশিষ্ট্য তাৰ দ্বাৰা বিঘ্নিত হোৱা আশংকা যথেষ্ট বেছি। অনুবাদৰ ক্ষেত্ৰত কেইটিমান মন কৰিবলগীয়া দিশ হ'ল–

১. যিকোনো ভাষাতে যিকোনো ধাৰণা ভালভাৱে প্ৰকাশ কৰাটো সেই ভাষাৰ স্বাভাৱিক সম্পদসমূহৰ সঠিক ব্যৱহাৰৰ দ্বাৰা সম্ভৱপৰ হ'ব পাৰে। ভিন্ ভিন্ ভাষাৰ শব্দসমষ্টি আৰু বাক্যবিন্যাস ৰীতি যে বেলেগ, সেই কথা অনুবাদকে মনত ৰখা উচিত।
২. অনুবাদ কেতিয়াও অনুবাদ যেন লাগিব নালাগে। ই হ'ব লাগে মৌলিক ৰচনাৰ দৰে স্বাভাৱিক।
৩. শব্দগত অনুবাদ শুদ্ধ হ'ব নোৱাৰে; বৰং ই শুদ্ধতাৰ মাত্ৰা কমাইহে পেলায়।
৪. ভাবগত অনুবাদত অনুবাদকে যদি মূলত নথকা নিজা ভাব বা ধাৰণা আৰোপ কৰে, তেন্তে সেই অনুবাদ শুদ্ধ নহ'ব।
৫. শব্দই বহন কৰাতকৈও অৰ্থ বেছি হ'ব পাৰে। কেৱল শব্দই নহয়, শব্দসমূহৰ আন্তঃগাঁথনিত, বাক্যত, অনুচ্ছেদত, অধ্যায়ত আৰু আলোচনাৰ মাজত বিয়পি থকা বক্তব্য আৰু বাণী মিলাইহে মূল অৰ্থৰ অনুধাৱন কৰা উচিত।

সচেতনভাৱে অনুভৱ নকৰিলেও প্ৰতিজন মানুহেই একোজন অনুবাদক। মানুহে প্ৰতিটো মুহূৰ্ততে নিজৰ অভিজ্ঞতা অনুভৱলৈ, অনুভূতিবোৰ কথা আৰু ভংগীলৈ ৰূপান্তৰ কৰে। এই ৰূপান্তৰেই এক প্ৰকাৰৰ অনুবাদ। প্ৰকৃততে মানুহৰ অভিজ্ঞতাৰ অন্ত নাই। বিশ্বসংসাৰত মানুহৰ অভিজ্ঞতাৰ অসীম প্ৰৱাহ চলি আছে। তাকে কেতিয়াবা শৃংখলাবদ্ধভাৱে ৰীতিৰ অধীন কৰি বিভিন্ন ৰূপ আৰু গঢ়ৰ আধাৰপাত্ৰত

ভৰাই উপস্থাপন কৰা হয়। সংবেদনশীল কোনো কবি-শিল্পীয়ে কেতিয়াবা এনে একোটা দুৰ্লভ অনুভূতি আস্বাদন কৰে– যাৰ কোনো ব্যাখ্যা নাই। অথচ সেই অনুভূতিখিনি কবিতা, গীত নাইবা চিত্ৰ-ভাস্কৰ্যৰ মাজত প্ৰকাশ নকৰালৈকে তেওঁলোকে শান্তি নাপায়। এই প্ৰকাশেই এক প্ৰকাৰৰ অনুবাদ, অনুভূতিক শিল্পকলালৈ ৰূপান্তৰিত কৰাৰ অনুবাদ।

## ৪.১.৩ অনুবাদৰ পদ্ধতি আৰু প্ৰকাৰ

অনুবাদকে ক'বলগীয়া কথা বা ভাৱবস্তু ঠিক-ঠাক কৰি লৈ তাক ভাষাৰ নিয়ম-নীতি অনুসৰি ভাষিক ৰূপ দি বাণী নিৰ্মাণ কৰে আৰু শ্ৰোতা বা পাঠকৰ উদ্দেশ্য প্ৰেৰণ কৰে। পোনপটীয়া সংযোগৰ ক্ষেত্ৰত গ্ৰহীতাজনে লগে লগে সঁহাৰি ব্যক্ত কৰিব পাৰে; অৰ্থাৎ তেওঁ প্ৰেৰকৰ ভূমিকা ল'ব পাৰে। তেনে ক্ষেত্ৰত মূল বাণী স্ৰষ্টা বক্তাগৰাকীয়ে ল'ব পাৰে গ্ৰহীতাৰ ভূমিকা। লিখিত সাহিত্য পাঠৰ ক্ষেত্ৰত কাচিৎহে এনে হ'ব পাৰে। পিছে অনুবাদ কাৰ্যৰ ক্ষেত্ৰত কথাটো কিছু সুকীয়া। এটা বিশেষ সামাজিক-সাংস্কৃতিক প্ৰসংগত সৃষ্টি বাণী অনুবাদকগৰাকীয়ে গ্ৰহণ কৰি, তাক বুজি অৰ্থাৎ তাৰ ভাৱবস্তু বুজি, নিজৰ ধৰণে তাৰ নিৰ্বাচন কৰি অন্য এটা ভাষাৰ নিয়ম-শৃংখলা প্ৰয়োগ কৰি এটি নতুন সামাজিক-সাংস্কৃতিক প্ৰসংগত তাৰ অনুৰূপ বাণী নিৰ্মাণ কৰে। প্ৰসংগত ভিন্নতাৰ বাবে কেতিয়াবা অনুবাদকে মূল পাঠৰ বাণী যিদৰে গ্ৰহণ কৰে, অনুবাদ-কৰ্মৰ পাঠকে তাক সেই একেদৰে গ্ৰহণ কৰাত অসুবিধা পাব পাৰে। আকৌ বাণী বিকৃত নহ'লেও মূল পাঠত মূলৰ ভাষাৰ নিয়ম-শৃংখলাৰ সৃষ্টিশীল ব্যৱহাৰে আৰোপ কৰা বিশেষ তাৎপৰ্য অনূদিত ৰূপত সমান কাৰ্যকৰী ৰূপত বজাই ৰখা কঠিন হৈ পৰে। সেয়েহে অনুবাদকগৰাকীয়ে বিশেষ পাঠৰ অনুবাদৰ ক্ষেত্ৰত বিশেষ কিছুমান সিদ্ধান্ত ল'বলগীয়া হয়। সময়ে সময়ে আক্ষৰিক আৰু ব্যাখ্যামূলক অনুবাদৰ সহায় ল'বলগীয়া হয়। মূল পাঠটি যি সময় আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশত সৃষ্টি হৈছিল, অনূদিত পাঠটি তাতকৈ সম্পূৰ্ণ বেলেগ সময়, আৰু পৰিৱেশত ৰচিত হ'ব পাৰে। মূল পাঠৰ লেখকৰ মূল্যবোধ, দৃষ্টিভংগী, মতাদৰ্শ অনুবাদকৰ সৈতে নিমিলিব পাৰে।

অনুবাদৰ ক্ষেত্ৰত অৱশেষত একো সমস্যাই সদায় ৰৈ যায়–

আক্ষৰিক অনুবাদ, নে মুক্ত অনুবাদ? কোনটো শ্ৰেষ্ঠ বা কোনটো কৰা উচিত? ই এটা পুৰণি আৰু জটিল সমস্যা। প্ৰয়োজন আৰু পৰিস্থিতিভেদে ইয়াৰ যিকোনো নিৰ্বাচন কৰিব পাৰি।

উৎস ভাষাৰ বাক্যগঠন ৰীতি আৰু ব্যাকৰণৰ পৰিষ্কাৰ জ্ঞান নাথাকিলে অৰ্থগত অনুবাদত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। কেতিয়াবা একোটা শব্দৰ একাধিক অৰ্থ থাকে। যেনে – অসমীয়া 'গুণ' শব্দটো। 'হেমকোষ'ত থকা মতে 'গুণ' শব্দই আঠ প্ৰকাৰৰ অৰ্থ বহন কৰে। ইংৰাজী, বাংলা বা তামিল ভাষালৈ অনুবাদ কৰোঁতে বাক্যৰ মাজত কি অৰ্থত ই ব্যৱহৃত হৈছে নাজানিলে অনুবাদ ভ্ৰমাত্মক হোৱাৰ সম্ভাৱনা। সেইদৰে 'জীৱনজুৰি কৰা সাধনা'ৰ 'জুৰি' শব্দৰ অনুবাদ হিন্দীত 'ঝৰণা' কৰিলে নহ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান জনগোষ্ঠীৰ ভাষা হ'ল সুৰীয়া ভাষা। একেটা শব্দই উচ্চাৰণৰ সুৰ আৰু ধৰণ অনুসৰি ভিন্ ভিন্ অৰ্থ বহন কৰে। তেনেক্ষেত্ৰত উৎস ভাষাৰ পৰিপূৰ্ণ জ্ঞান নাথাকিলে অনুবাদ কাৰ্যলৈ আগবঢ়াই অনুচিত।

ভাষাৰ সাহিত্যিক প্ৰয়োগত কেতিয়াবা একোটা শব্দই অভিধানগত অৰ্থ নুবুজাই সম্পূৰ্ণ বেলেগ অৰ্থ নিৰ্দেশ কৰে। আক্ষৰিক আৰু সাহিত্যিক অৰ্থৰ মাজৰ পৰা প্ৰকৃত ৰূপটো বিচাৰি উলিওৱাৰ দায়িত্ব হ'ল অনুবাদৰ বাবে এক কঠিন প্ৰত্যাহ্বান। কিছুমান শব্দৰ গাইগুটীয়া অৰ্থ বেলেগ আৰু বাক্যত শব্দ-সমষ্টিৰূপে ব্যৱহাৰ কৰিলেও অৰ্থ বেলেগ হয়। ব্যাকৰণৰ সূত্ৰ আৰু ধ্বনিতত্ত্বৰ নিয়মো কিছুমান সাহিত্য-খণ্ডত নচলিব পাৰে। সাহিত্যৰ প্ৰকৃতি এনেকুৱা যে কেতিয়াবা ইয়াত প্ৰচলিত ৰীতি লুটিয়াই দিয়ো নতুন ধৰণৰ ভাব-সঞ্চাৰ কৰিবলৈ বিচৰা হয়। অনুবাদকৰ সাহিত্য-ৰসজ্ঞানৰো প্ৰয়োজন সেয়েহে যথেষ্ট গুৰুত্বপূৰ্ণ।

মূলৰ সকলো গুণ আৰু বৈশিষ্ট্য শতকৰা এশভাগ একে ৰাখি অনুবাদ কৰা সম্ভৱপৰ নহয় যদিও যিমান পাৰি মূলৰ ওচৰ চাপি অনুবাদ কৰা অসম্ভৱ নহয়। অনুবাদকে তাৰেই যত্ন কৰা উচিত। কিছুমান তথ্যপূৰ্ণ নাইবা ভাষণযুক্ত পাঠৰ মাজত থকা বক্তব্যৰ স্বাভাৱিকতা কথা-সাহিত্যৰ স্বাভাৱিকতাতকৈ বেলেগ হ'ব।

কোনো কোনো সমালোচকে অনুবাদৰ আঠোটা পদ্ধতিৰ উল্লেখ কৰিছে। সেইকেইটা হ'ল–

| | | |
|---|---|---|
| ১। আক্ষৰিক অনুবাদ | - | (Word for word) |
| ২। পোনপটীয়া অনুবাদ | - | (Literal translation) |
| ৩। অনুগত অনুবাদ | - | (Faithful translation) |
| ৪। অৰ্থগত অনুবাদ | - | (Semantic translation) |
| ৫। অনুকূলন | - | (Adaptation) |
| ৬। মুক্ত অনুবাদ | - | (Free translation) |
| ৭। জতুৱা অনুবাদ | - | (Idiomatic translation) |
| ৮। সংযোজক অনুবাদ | - | (Communicative translation) |

এইকেইটা প্ৰকাৰৰ অৰ্থগত আৰু সংযোজক অনুবাদ বেছি ফলপ্ৰসূ বুলি ভাবিব পাৰি। "অৰ্থগত আৰু সংযোজক অনুবাদে নিৰ্জীৱ আৰু অপ্ৰচলিত ৰূপক, স্বাভাৱিক কথোপকথন, কাৰিকৰী পৰিভাষা, অপভাষা, কথিত শব্দ, মানসম্পন্ন দৃষ্টিভংগী, বাণী আৰু সাধাৰণ ভাষাক একেধৰণে ব্যৱহাৰ কৰে। ............... এই আটাইবোৰৰ উমৈহতীয়া ৰূপক সামগ্ৰিকভাৱেও গ্ৰহণ কৰে।" অৰ্থগত অনুবাদ ব্যক্তিগত আৰু ব্যক্তিকেন্দ্ৰিক হ'ব পাৰে, ই লেখকৰ চিন্তাধাৰাৰ অনুসৰণ কৰে। কেতিয়াবা ইয়াত অতি অনুবাদৰো লক্ষণ থাকে। এই অনুবাদে সামান্য অৰ্থ পৰিৱৰ্তন মানি লয় আৰু প্ৰভাৱ সৃষ্টিৰ বাবে কেতিয়াবা মূলপাঠ সংক্ষিপ্তও কৰিব পাৰে। সংযোজক অনুবাদ হ'ল সামাজিক আৰু মূল বাৰ্তাটোৰ ওপৰতে ই মনোনিৱেশ কৰে। ইয়াত মূল পাঠে সহজ, স্পষ্ট আৰু চমু হৈ অনূদিত হোৱাৰ বাট বিচাৰে। ইয়াৰ ৰচনাৰীতি সদায় স্বাভাৱিক আৰু চহকী ৰীতিৰ।

### ৪.১.৪ সাৰাংশ

- অনুবাদ সংযোগৰ অন্যতম মাধ্যম।
- সফল অনুবাদৰ কাৰণে অনুবাদৰ উৎস ভাষা আৰু লক্ষ্য ভাষাৰ সম্যক জ্ঞান থকা প্ৰয়োজন।
- মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব বেছি গধুৰ।
- অনুবাদ এবিধ ৰূপান্তৰৰ কলা।

### ৪.১.৫ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ** **উত্তৰ দিয়াঁ--**

(ক) লক্ষ্য ভাষা কি ?

(খ) উৎস ভাষা কি ?

(গ) সাংবাদিকতাই কোন প্ৰকাৰৰ অনুবাদ ৰীতি মানি চলে ?

(ঘ) এবিধ ফলপ্ৰসু অনুবাদ প্ৰকাৰৰ নাম লিখা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২** **খালী ঠাই পূৰ কৰাঁ।**

(ক) .............................. পৰিপূৰ্ণ জ্ঞান নাথাকিলে অনুবাদ কাৰ্যলৈ আগবঢ়াই অনুচিত।

(খ) বাক্যৰীতিৰ .................... অনুবাদ কৰাটো এক কঠিন কাম।

(গ) কেতিয়াবা অনুবাদৰ পৰাও .................................... কৰিব লগীয়া অৱস্থা একোটা হয়।

(ঘ) দঁতাল হাতীৰ উঁয়ে খোৰা হাওদা ................................. লিখা।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ** **পাঁচোটা বাক্যত উত্তৰ দিয়াঁ--**

| অনুবাদ কাৰ্যৰ বাবে উৎস ভাষাৰ জ্ঞান কিয় থাকিব লাগে ? |
|---|
| |
| |
| |
| |
| |
| |
| |
| |
| |

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪**

অনুবাদৰ পদ্ধতি আৰু প্ৰকাৰৰ বিষয়ে খৰচি মাৰি আলোচনা কৰাঁ।

### ৪.১.৬ সম্ভাৱ্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ–**

(ক) যি ভাষালৈ অনুবাদ কৰা হ'ব সেইভাষা।

(খ) মূল পাঠৰ ভাষা।

(গ) তথ্যগত অনুবাদ ৰীতি।

(ঘ) অৰ্থগত অনুবাদ।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ–**

(ক) উৎস ভাষাৰ

(খ) ঠাঁচ

(গ) অনুবাদ

(ঘ) মামনি ৰয়চম গোস্বামীএ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ**

উৎস ভাষাৰ বাক্যগঠন ৰীতি আৰু ব্যাকৰণৰ পৰিষ্কাৰ জ্ঞান নাথাকিলে অৰ্থগত অনুবাদত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। কেতিয়াবা একোটা শব্দৰ একাধিক অৰ্থ থাকে। যেনে– অসমীয়া 'গুণ' শব্দটো। 'হেমকোষ'ত থকা মতে 'গুণ' শব্দই আঠপ্ৰকাৰৰ অৰ্থ বহন কৰে। ইংৰাজী, বাংলা বা তামিল ভাষালৈ অনুবাদ কৰোঁতে বাক্যৰ মাজত কি অৰ্থত ই ব্যৱহৃত হৈছে নাজানিলে অনুবাদ ভ্ৰমাত্মক হোৱাৰ সম্ভাৱনা। সেইদৰে 'জীৱনজুৰি কৰা সাধনা'ৰ 'জুৰি' শব্দৰ অনুবাদ হিন্দীত 'ঝৰণা' কৰিলে নহ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান জনগোষ্ঠীৰ ভাষা হ'ল সুৰীয়া ভাষা। একেটা শব্দই উচ্চাৰণৰ সুৰ আৰু ধৰণ অনুসৰি ভিন্ ভিন্ অৰ্থ বহন কৰে। তেনেক্ষেত্ৰত উৎস ভাষাৰ পৰিপূৰ্ণ জ্ঞান নাথাকিলে অনুবাদ কাৰ্যলৈ আগবঢ়াই অনুচিত।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ৰ উত্তৰ**

অনুবাদকে ক'বলগীয়া কথা বা ভাৱবস্তু ঠিক-ঠাক কৰি লৈ তাক ভাষাৰ নিয়ম-নীতি অনুসৰি ভাষিক ৰূপ দি বাণী নিৰ্মাণ কৰে আৰু শ্ৰোতা বা পাঠকৰ উদ্দেশ্য প্ৰেৰণ কৰে। পোনপটীয়া সংযোগৰ ক্ষেত্ৰত গ্ৰহীতাজনে লগে লগে সঁহাৰি ব্যক্ত কৰিব পাৰে; অৰ্থাৎ তেওঁ প্ৰেৰকৰ ভূমিকা ল'ব পাৰে। তেনে ক্ষেত্ৰত মূল বাণী স্ৰষ্টা বক্তাগৰাকীয়ে ল'ব পাৰে গ্ৰহীতাৰ ভূমিকা। লিখিত সাহিত্য পাঠৰ ক্ষেত্ৰত কাচিৎহে এনে হ'ব পাৰে। পিছে অনুবাদ কাৰ্যৰ ক্ষেত্ৰত কথাটো কিছু সুকীয়া। এটা বিশেষ সামাজিক-সাংস্কৃতিক প্ৰসংগত সৃষ্টি বাণী অনুবাদকগৰাকীয়ে গ্ৰহণ কৰি, তাক বুজি অৰ্থাৎ তাৰ ভাৱবস্তু বুজি, নিজৰ ধৰণে তাৰ নিৰ্বাচন কৰি অন্য এটা ভাষাৰ নিয়ম-শৃংখলা প্ৰয়োগ কৰি এটি নতুন সামাজিক-সাংস্কৃতিক প্ৰসংগত তাৰ অনুৰূপ বাণী নিৰ্মাণ কৰে। প্ৰসংগত ভিন্নতাৰ বাবে কেতিয়াবা অনুবাদকে মূল পাঠৰ বাণী যিদৰে গ্ৰহণ কৰে, অনুবাদ-কৰ্মৰ পাঠকে তাক সেই একেদৰে গ্ৰহণ কৰাত অসুবিধা পাব পাৰে। আকৌ বাণী বিকৃত নহ'লেও মূল পাঠত মূলৰ ভাষাৰ নিয়ম-শৃংখলাৰ সৃষ্টিশীল ব্যৱহাৰে আৰোপ কৰা বিশেষ তাৎপৰ্য অনূদিত ৰূপত সমান কাৰ্যকৰী ৰূপত বজাই ৰখা কঠিন হৈ পৰে। সেয়েহে অনুবাদকগৰাকীয়ে বিশেষ পাঠৰ অনুবাদৰ ক্ষেত্ৰত বিশেষ কিছুমান সিদ্ধান্ত ল'বলগীয়া হয়। সময়ে সময়ে আক্ষৰিক আৰু ব্যাখ্যামূলক অনুবাদৰ সহায় ল'বলগীয়া হয়। মূল পাঠটি যি সময় আৰু সামাজিক-সাংস্কৃতিক পৰিৱেশত সৃষ্টি হৈছিল, অনূদিত পাঠটি তাতকৈ সম্পূৰ্ণ বেলেগ সময়, আৰু পৰিৱেশত ৰচিত হ'ব পাৰে। মূল পাঠৰ লেখকৰ মূল্যবোধ, দৃষ্টিভংগী, মতাদৰ্শ অনুবাদকৰ সৈতে নিমিলিব পাৰে।

অনুবাদৰ ক্ষেত্ৰত অৱশেষত একেটা সমস্যাই সদায় ৰৈ যায়- – আক্ষৰিক অনুবাদ, নে মুক্ত অনুবাদ? কোনটো শ্ৰেষ্ঠ বা কোনটো কৰা উচিত? ই এটা পুৰণি আৰু জটিল সমস্যা। প্ৰয়োজন আৰু পৰিস্থিতিভেদে ইয়াৰ যিকোনো নিৰ্বাচন কৰিব পাৰি।

উৎস ভাষাৰ বাক্যগঠন ৰীতি আৰু ব্যাকৰণৰ পৰিষ্কাৰ জ্ঞান নাথাকিলে অৰ্থগত অনুবাদত যথেষ্ট অসুবিধাৰ সৃষ্টি হয়। কেতিয়াবা

একোটা শব্দৰ একাধিক অৰ্থ থাকে। যেনে– অসমীয়া 'গুণ' শব্দটো। 'হেমকোষ'ত থকা মতে 'গুণ' শব্দই আঠপ্ৰকাৰৰ অৰ্থ বহন কৰে। ইংৰাজী, বাংলা বা তামিল ভাষালৈ অনুবাদ কৰোঁতে বাক্যৰ মাজত কি অৰ্থত ই ব্যৱহৃত হৈছে নাজানিলে অনুবাদ ভ্ৰমাত্মক হোৱাৰ সম্ভাৱনা। সেইদৰে 'জীৱনজুৰি কৰা সাধনা'ৰ 'জুৰি' শব্দৰ অনুবাদ হিন্দীত 'ঝৰণা' কৰিলে নহ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ কিছুমান জনগোষ্ঠীৰ ভাষা হ'ল সুৰীয়া ভাষা। একেটা শব্দই উচ্চাৰণৰ সুৰ আৰু ধৰণ অনুসৰি ভিন্ ভিন্ অৰ্থ বহন কৰে। তেনেক্ষেত্ৰত উৎস ভাষাৰ পৰিপূৰ্ণ জ্ঞান নাথাকিলে অনুবাদ কাৰ্যলৈ আগবঢ়াই অনুচিত।

ভাষাৰ সাহিত্যিক প্ৰয়োগত কেতিয়াবা একোটা শব্দই অভিধানগত অৰ্থ নুবুজাই সম্পূৰ্ণ বেলেগ অৰ্থ নিৰ্দেশ কৰে। আক্ষৰিক আৰু সাহিত্যিক অৰ্থৰ মাজৰপৰা প্ৰকৃত ৰূপটো বিচাৰি উলিওৱাৰ দায়িত্ব হ'ল অনুবাদৰ বাবে এক কঠিন প্ৰত্যাহ্বান। কিছুমান শব্দৰ গাইগুটীয়া অৰ্থ বেলেগ আৰু বাক্যত শব্দ-সমষ্টিৰূপে ব্যৱহাৰ কৰিলেও অৰ্থ বেলেগ হয়। ব্যাকৰণৰ সূত্ৰ আৰু ধ্বনিতত্ত্বৰ নিয়মো কিছুমান সাহিত্য-খণ্ডত নচলিব পাৰে। সাহিত্যৰ প্ৰকৃতি এনেকুৱা যে কেতিয়াবা ইয়াত প্ৰচলিত ৰীতি লুটিয়াই দিয়ো নতুন ধৰণৰ ভাব-সঞ্চাৰ কৰিবলৈ বিচৰা হয়। অনুবাদকৰ সাহিত্য-ৰসজ্ঞানৰো প্ৰয়োজন সেয়েহে যথেষ্ট গুৰুত্বপূৰ্ণ।

মূলৰ সকলো গুণ আৰু বৈশিষ্ট্য শতকৰা এশভাগ একে ৰাখি অনুবাদ কৰা সম্ভৱপৰ নহয় যদিও যিমান পাৰি মূলৰ ওচৰ চাপি অনুবাদ কৰা অসম্ভৱ নহয়। অনুবাদকে তাৰেই যত্ন কৰা উচিত। কিছুমান তথ্যপূৰ্ণ নাইবা ভাষণযুক্ত পাঠৰ মাজত থকা বক্তব্যৰ স্বাভাৱিকতা কথা-সাহিত্যৰ স্বাভাৱিকতাতকৈ বেলেগ হ'ব।

কোনো কোনো সমালোচকে অনুবাদৰ আঠোটা পদ্ধতিৰ উল্লেখ কৰিছে। সেইকেইটা হ'ল–

১। আক্ষৰিক অনুবাদ - (Word for word)

২। পোনপটীয়া অনুবাদ - (Literal translation)

৩। অনুগত অনুবাদ - (Faithful translation)

৪। অৰ্থগত অনুবাদ - (Semantic translation)

৫। অনুকূলন - (Adaptation)

৬। মুক্ত অনুবাদ - (Free translation)

৭। জতুৱা অনুবাদ - (Idiomatic translation)

৮। সংযোজক অনুবাদ - (Communicative translation)

এইকেইটা প্ৰকাৰৰ অৰ্থগত আৰু সংযোজক অনুবাদ বেছি ফলপ্ৰসূ বুলি ভাবিব পাৰি। "অৰ্থগত আৰু সংযোজক অনুবাদে নিৰ্জীৱ আৰু অপ্ৰচলিত ৰূপক, স্বাভাৱিক কথোপকথন, কাৰিকৰী পৰিভাষা, অপভাষা, কথিত শব্দ, মানসম্পন্ন দৃষ্টিভংগী, বাণী আৰু সাধাৰণ ভাষাক একেধৰণে ব্যৱহাৰ কৰে। .......... এই আটাইবোৰৰ উমৈহতীয়া ৰূপক সামগ্ৰিকভাৱেও গ্ৰহণ কৰে। অৰ্থগত অনুবাদ ব্যক্তিগত আৰু ব্যক্তিকেন্দ্ৰিক হ'ব পাৰে, ই লেখকৰ চিন্তাধাৰাৰ অনুসৰণ কৰে। কেতিয়াবা ইয়াত অতি অনুবাদৰো লক্ষণ থাকে। এই অনুবাদে সামান্য অৰ্থ পৰিৱৰ্তন মানি লয় আৰু প্ৰভাৱ সৃষ্টিৰ বাবে কেতিয়াবা মূলপাঠ সংক্ষিপ্তও কৰিব পাৰে। সংযোজক অনুবাদ হ'ল সামাজিক আৰু মূল বাৰ্তাটোৰ ওপৰতে ই মনোনিৱেশ কৰে। ইয়াত মূল পাঠে সহজ, স্পষ্ট আৰু চমু হৈ অনূদিত হোৱাৰ বাট বিচাৰে। ইয়াৰ ৰচনাৰীতি সদায় স্বাভাৱিক আৰু চহকী ৰীতিৰ।

## গোট ২ ঃ অনুবাদৰ সমস্যা, সৃষ্টিশীল সাহিত্যৰ অনুবাদ (অনুবাদীৰ অনুশীলনৰ বাবে ৫ নম্বৰ থাকিব)

### ৪.২.০ উদ্দেশ্য

- অনুবাদৰ সমস্যাসমূহ আলোচনা কৰা।
- সৃষ্টিশীল সাহিত্য অনুবাদৰ সমস্যাসমূহলৈ দৃষ্টিপাত কৰা।
- সমস্যাসমূহ অতিক্ৰম কৰাৰ পথ নিৰ্দেশ কৰা।

### ৪.২.১ প্ৰস্তাৱনা

ইতিমধ্যে তোমালোকে অনুবাদৰ সংজ্ঞা, প্ৰকাৰ আৰু পদ্ধতিৰ বিষয়ে কিছু জ্ঞান আহৰণ কৰিলা। অনুবাদৰ ক্ষেত্ৰত কিছুমান সমস্যাৰো সৃষ্টি নোহোৱাকৈ নাথাকে, বিশেষকৈ সৃষ্টিশীল অনুবাদৰ ক্ষেত্ৰত সমস্যাৰ পৰিমাণ বেছি। কিন্তু প্ৰযত্ন আৰু সঠিক সাধনাৰ দ্বাৰা সমস্যা অতিক্ৰম কৰিব পাৰি। সেইবিষয়ে অলপ আলোচনা কৰো আহাঁ।

### ৪.২.২ অনুবাদৰ সমস্যা

আক্ষৰিক অনুবাদ ওপৰে ওপৰে সহজ যেন বোধ হয়, কিন্তু ইয়াতো সমস্যা আছে। কেতিয়াবা এজন নিমজ হাতৰ সাহিত্য-ৰসিক অনুবাদৰ বাবে আগ্ৰহী হ'ব পাৰে। পিছে ৰসায়ন অথবা অৰ্থনীতিৰ দৰে একোটা বিষয়– যিটোৰ লগত তেওঁৰ পৰিচয় নাই – অনুবাদ কৰাত তেওঁ সফল নহ'বও পাৰে। বিষয়বস্তুৰ সম্যক জ্ঞান অবিহনে আক্ষৰিক অনুবাদ অসম্পূৰ্ণ হোৱাৰ আৰু এনে অনুবাদে পাঠকক বিপথে নিয়াৰ আশংকা থাকে। তদুপৰি আক্ষৰিক অনুবাদৰ প্ৰধান সমস্যা হ'ল– অনুবাদকৰ বাবে প্ৰয়োজন হয় বিষয়বস্তুৰ পৃষ্ঠভূমিৰ এক যথাযথ জ্ঞান। এই জ্ঞানৰ অবিহনে অনুবাদ কৰা অংশত মূলত থকাৰ দৰে প্ৰাণৰ স্পৰ্শ নাথাকিব। বহুতো শব্দ, বাক্য আৰু খণ্ডবাক্যৰ প্ৰয়োগ-কৌশল আৰু তাৎপৰ্য বুজি নাপালে অনুবাদ প্ৰাণৱন্ত কৰা সম্ভৱ নহয়। আখৰে আখৰে, শব্দই শব্দই কৰা অনুবাদে সজীৱতা হেৰুৱায়। আনহাতে অনুবাদ সজীৱ কৰিবলৈ অনুবাদকে যদি কিছু পৰিমাণে স্বাধীনতা গ্ৰহণ কৰে, তেন্তে সি মূলৰ পৰা অলপ হ'লেও আঁতৰি আহিব। অৰ্থাৎ অনুবাদ মূলানুগ

আৰু যান্ত্রিক হ'ব নাইবা প্ৰাণৱন্ত কিন্তু সামান্য ফালৰি কটা ধৰণৰ হ'ব– একেসময়তে মূলানুগ আৰু প্ৰাণৱন্ত নহ'ব। সেয়েহে এজন ফৰাচী সমালোচকে মন্তব্য কৰিছে– অনুবাদ হ'ল নাৰীৰ দৰে– যি নাৰী হয় সুন্দৰী হ'ব নাইবা বিশ্বাসী হ'ব, একে সময়তে দুয়োটা হোৱা সম্ভৱ নহয় (Translation is like a woman who can either be beautiful or faithful but not both. A.L.T.p. 60)।

আক্ষৰিক অনুবাদত প্ৰায়েই এটা বাধা দেখা যায়, প্ৰয়োজনীয় শব্দ-সম্ভাৰৰ বাধা। উৎস ভাষাত ব্যৱহাৰ হোৱা সমাজখনত এনে কিছুমান ফল, ফুল, চৰাই বা যন্ত্র-পাতি-আহিলাৰ প্ৰচলন আৰু ব্যৱহাৰ থাকিব পাৰে– যিবোৰ হয়তো লক্ষ্য ভাষা ব্যৱহাৰ হোৱা সমাজখনত নাই। প্ৰচলিত লোকউৎসৱ, পূজা-পাৰ্বণ, লোকবিশ্বাস, লোকগীত আদিৰ নামসমূহৰ আক্ষৰিক অনুবাদ কৰি থ'লে সেইবোৰ দুৰ্বোধ্য হোৱাৰ আশংকা। আনহাতে মূলৰ কথাখিনি ব্যাখ্যা কৰি বহলাই দিলেও সৌন্দৰ্যহানিৰ ভয় থাকে। এনেক্ষেত্ৰত অনুবাদক হ'ব লাগে অত্যন্ত কৌশলী আৰু সচেতন। পাদটীকা ব্যৱহাৰ কৰাই এই ক্ষেত্ৰত প্ৰকৃষ্ট উপায়।

মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব বহুত বেছি। লেখকে মুকলি মনেৰে চিন্তা আৰু অনুভূতি প্ৰকাশ কৰি কলম চলাব পাৰে। তেওঁ নিজা শব্দৰ নাড়ী-নক্ষত্ৰ ভালদৰে বুজি পায় আৰু সেইমতে ভাব অনুসৰি শব্দ-প্ৰৱাহ বৈ যাবলৈ এৰি দিয়ে। অনুবাদকৰ দায়িত্ব হ'ল মূল লেখকৰ চিন্তা-অনুভূতিক বেলেগ এচাম পাঠকৰ গ্ৰহণযোগ্য ৰূপে তুলি ধৰা। কেতিয়াবা এই নতুনচাম পাঠক হয় কেইবা দশকৰ বা কেইবা শতিকাৰো পাছৰ। গতিকে মূল পাঠ আৰু অনুবাদিত পাঠৰ মাজত সময়, সংস্কৃতি আৰু পৰিৱেশৰ আকাশ-পাতাল পাৰ্থক্যও থাকিব পাৰে। এনে ক্ষেত্ৰত কি কৰা উচিত, তাৰ নিৰ্দেশ দিয়া টান। দক্ষ অনুবাদকে এনে ক্ষেত্ৰত নিজৰ পথ নিজেই বিচাৰি লয়। অনূদিত পাঠ গ্ৰহণীয় কৰি তুলিবৰ বাবে কেতিয়াবা কিছু এৰাধৰা কৰিব লগাও হ'ব পাৰে। মূলপাঠ অৱশ্যে কোনো ক্ষেত্ৰতে বিকৃত হ'ব নোৱাৰিব।

অনুবাদকৰ অন্য এটা সমস্যা হ'ল দীঘল বাক্য অনুবাদ কৰা। মূলৰ ঠাঁচ অক্ষুণ্ণ ৰাখি দীঘল বাক্য অনুবাদ কৰাটো যথেষ্ট কঠিন কাম। এনে ক্ষেত্ৰত বাক্যবোৰ কিছুমান চুটি চুটি বাক্যলৈ পৰিৱৰ্তন কৰিলে

বুজাত সহজ হয়। তেতিয়া পিছে বহু ক্ষেত্রত মূল গল্প বা উপন্যাসত থকা দীঘল বাক্যৰ সুকীয়া আমেজ অনুবাদত হেৰাই যোৱাৰ আশংকা থাকে।

অনুবাদক পুনঃসৃজন বুলি গ্ৰহণ কৰিলে দেখা যায় যে এই ক্ষেত্ৰত লক্ষ্য ৰখা হয় মূলৰ গুৰুত্ব কমি নোযোৱাকৈ লক্ষ্যভাষাত তাক কেনেকৈ প্ৰতিষ্ঠা কৰিব পাৰি সেই কথাত। পুনঃসৃজনত সদায় যাৰ বাবে লেখা হৈছে তেওঁলোকৰ প্ৰতি মনোযোগ দিয়া হয় আৰু প্ৰায়েই বহুতো কথা বাদ দিয়া হয় নাইবা বেলেগ কৰা হয়। এনে কৰোঁতে একোটা কাহিনীক নিজৰ পৰিৱেশত সজাই লোৱা হয়, কেতিয়াবা নাম পৰ্যন্ত সলাই পেলোৱা হয় আৰু ঘটনাৰো ইফাল-সিফাল কৰা হয়। ছুইফ্‌টৰ বিখ্যাত গ্ৰন্থ ‘গালিভাৰ্‌ছ ট্ৰেভেলছ’ যেতিয়া শিশুৰ বাবে অনুবাদ কৰা হয়, তেতিয়া সমগ্ৰ বিশ্বতে তাৰ আমোদজনক ৰূপ দেখা যায়। ছুইফ্‌টৰ মতে, লিলিপুটৰ ৰাজ-কাৰেঙৰ জুই নুমুৱাবলৈ গালিভাৰে জুটিৰ ওপৰত প্ৰস্ৰাৱ ত্যাগ কৰিছিল। পিছে সেইটো বৰ্ণনা বেছিভাগ অনুবাদকে (পুনৰ লেখকে) বাল্‌টিৰে পানী-ঢলা, টুপীটোত পানী ভৰাই অনা আদি কাৰ্যলৈ উচিতভাৱেই ৰূপান্তৰিত কৰিছে। ইয়াৰ দ্বাৰা মূল লেখক নাইবা মূল পাঠৰ মৰ্যাদা হানি হোৱা নাই।

সাহিত্যৰ অনুবাদৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যা হ’ল অলংকাৰৰ অনুবাদৰ সমস্যা। সাদৃশ্য, উপমা, ৰূপক আদি অলংকাৰসমূহ লক্ষ্যভাষাতো মূলৰ দৰে প্ৰয়োগ কৰিব পাৰি– যদিহে লক্ষ্যভাষাৰ পাঠকৰ বাবে সেইবোৰ চিনাকি হয়। ভাৰতীয় সাহিত্যৰ পদুমপাহিৰ দৰে বহল চকু অথবা কলগছৰ দৰে উৰুৰ তুলনাই ভাৰতীয় পাঠকৰ মনত সৌন্দৰ্যানুভূতিৰ সৃষ্টি কৰিলেও ৰাছিয়া বা ফ্ৰান্সৰ পাঠকৰ বাবে সি উপলব্ধিযোগ্য নহ’বও পাৰে। এনে ক্ষেত্ৰত অনুবাদকে আক্ষৰিক অনুবাদতকৈ অৰ্থৰ গ্ৰহণযোগ্যতাৰ ফালেহে মন দিব লাগে। সেয়েহে এন. আৰ. শাস্ত্ৰীয়ে দেখুৱাই দিয়াৰ দৰে (Translation as a Mode of Literary Criticism নামৰ গ্ৰন্থত) মন কৰিব পাৰি যে ৰুছ ভাষাত ‘নল-দময়ন্তী’ নাট প্ৰদৰ্শন কৰোঁতে বিধৱাৰ সাজ বগা বুলি দেখুৱাব পৰা নগৈছিল। কাৰণ ৰুছ সমাজত উৎসৱৰ লগতহে বগা কাপোৰৰ সম্পৰ্ক। দুখ বা বিষাদ বুজাবলৈ সেয়েহে প্ৰচলিত ধাৰণাৰ লগত মিলই ক’লা সাজ দেখুওৱা হৈছিল।

### ৪.২.৩ সৃষ্টিশীল সাহিত্যৰ অনুবাদ

সাম্প্ৰতিক কালত অনুবাদৰ বাঢ়ি অহা গুৰুত্বৰ বিষয়ে সচেতন তত্বজ্ঞ পণ্ডিত আৰু সমালোচকে এই বিশিষ্ট প্ৰক্ৰিয়া অথবা কলাবিধৰ বিষয়ে নানা আলোচনা-বিলোচনা কৰিছে। বৰ্তমান কালত সেয়েহে অনুবাদ-তত্ব এক বিস্তৃত বিষয়ত পৰিণত হৈছে। তাত্বিকসকলে অনুবাদক কেৱল এটা ভাষাৰ অৰ্থ আন এটালৈ কঢ়িয়াই নিয়াৰ, লেখকৰ অনুভূতি বা চিন্তাধাৰাক অন্য এঠাইত স্থাপন কৰাৰ মাধ্যম বুলি মানি নলয়। মূলপাঠৰ দৃঢ়বন্ধী প্ৰকৃতিতো এওঁলোকে বিশ্বাস নকৰে। এওঁলোকৰ মতে অনুবাদ হ'ল এনে এটি প্ৰক্ৰিয়া– য'ত বিভিন্ন সংস্কৃতিৰ গ্ৰহণেৰে চহকী হৈ পৰা দৃষ্টিভংগী আৰু বিভিন্ন সামাজিক আচাৰ আৰু ৰুচিভংগীৰ মিশ্ৰণেৰে মূলপাঠৰ ৰূপটো সামান্য নতুন, অবিকৃত আৰু গ্ৰহণীয় ৰূপত দাঙি ধৰা হয়। অনুবাদ-প্ৰক্ৰিয়া, এওঁলোকৰ মতে, বহুখিনি নিৰ্ভৰ কৰে বোধ আৰু ৰুচিবোধৰ ওপৰত। অনুবাদৰ বিষয়ে থকা সকলো মতবাদ অৱশ্যে সমানে গ্ৰহণীয় নহয়। কিছুমান বিচ্যুতি আৰু বৈপৰীত্য এইবোৰৰ মাজত দেখা যায়।

কোনো লেখকেই সাধাৰণতে ভৱিষ্যতে হ'ব পৰা অনুবাদৰ কথা মনত ৰাখি বা অনুবাদ-তত্বৰ বিষয়ে সচেতন হৈ কলম নোতোলে। পিছতহে কোনোবা অনুবাদকৰ হাতত পৰি সেই ৰচনা অন্য ভাষালৈ বিয়পিব পাৰে। এই বিয়পি পৰা কাৰ্যটো বাইবেল, ৰামায়ণ, মহাভাৰত, কৃষ্ণকৰ্ণামৃত আদি গ্ৰন্থৰ ক্ষেত্ৰত ইমান বিস্তৃত আৰু বৈচিত্ৰ্যপূৰ্ণ যে সেইবোৰ অনুবাদ-কলাৰ বহুতো চৰিত্ৰ জিলিকাই তোলে। প্ৰথমতে, এই অনুবাদ আদিতে আছিল মুখ বাগৰি অহা। প্ৰৱজক, চলমান গোষ্ঠী আৰু ব'ৰাগী শ্ৰেণীৰ যোগেদি দেশান্তৰলৈ বিয়পি পৰা কাহিনীবোৰত ঠায়ে ঠায়ে স্থানীয় ৰহণ সোমাই পৰিছে, চৰিত্ৰৰ নামৰ পৰিবৰ্তন হৈছে, কাহিনীৰ কিছুমান অংগও বেলেগ হৈছে। অথচ মূল ৰূপটো হৈ আছে সমানে শক্তিশালী। কাৰ্বি ৰামায়ণত ৰামে হাবিত চিকাৰ কৰে, সীতাই উৰালত ধান খুন্দে। জৈন ৰামায়ণত ৰাম-সীতাই জৈন ধৰ্ম গ্ৰহণ কৰে। কৃত্তিবাসী ৰামায়ণত ৰামে দুৰ্গা পূজা কৰে, মাৰাঠী ৰামায়ণত বালক ৰাম তীৰ্থযাত্ৰালৈ যায়, কাশ্মীৰি ৰামায়ণত মন্থৰাই ৰামৰ ওপৰত পূৰ্ব অপকাৰৰ প্ৰতিশোধ লয়। এনে

সামান্য আৰু অসামান্য (সীতাক মন্দোদৰীৰ কন্যা বুলিও কোনো কোনো ৰামায়ণত কোৱা হৈছে) পাৰ্থক্য থকা সত্বেও ৰামায়ণৰ গুৰুত্ব আৰু আবেদন মুঠেই কমা নাই। ৰাম-সীতাৰ কাহিনীয়ে সমান প্ৰভাৱেৰে সকলো ঠাইতে মানুহৰ মন মুহি আছে। এই আটাইবোৰ কথাই দেখুৱায় যে অনুবাদ মানে ভাঙনিৰ অতিৰিক্ত এটি গুণ– স্থান, সময় আৰু পৰিৱেশক ভাঙি-ছিঙি গুড়ি কৰি একেটা পাত্ৰতে কৰা উপস্থাপন, য'ত মূল দ্ৰব্যৰ আটাইবোৰ গুণেই অটুট থাকে।

সৃষ্টিশীল সাহিত্যৰ জগতখন জটিল আৰু অস্পষ্ট। মানুহৰ চিৰন্তন আত্মানুসন্ধানৰ বহুতো অভিজ্ঞতা এনে সাহিত্যৰ মাজত নিহিত হৈ থাকে। অনুবাদকে মূল পাঠৰ মাজত ঢাক খাই থকা বহুতো বিস্ময়কৰ উপলব্ধিৰ মুখামুখি হ'ব লগা হয়। নিজা বিচাৰ আৰু বিশ্লেষণেৰে তেওঁ এইবোৰ উজ্বল কৰি তুলিব লাগে। যদি যথাযথ ভাবানুবাদেৰে মূল ৰূপটো ফুটি নুঠে, তেতিয়া মূলক বিকৃত নকৰাকৈ নিজা প্ৰতিভাও তেওঁ ব্যৱহাৰ কৰিব পাৰে। এনে কৰাৰ ফলত অনূদিত পাঠ হৈ পৰে মূল পাঠৰ এক প্ৰতিপাঠ, কেৱল প্ৰতিৰূপ বা প্ৰতিচ্ছবি নহয়।

গতিকে অনুবাদ হৈ পৰে এক নান্দনিক অভিজ্ঞতা। এজন অচিনাকি ব্যক্তিৰ (মূল লেখকৰ) চিন্তাৰ বৃত্ত আৰু অনুভূতিৰ জগতৰ আঁৰ কাপোৰ উদঙাই খোজে খোজে লগ পোৱাৰ নতুন নতুন অভিজ্ঞতাৰ শিহৰণ, তাকে আকৌ আনৰ বাবে যিমান পাৰি একে ৰূপত ৰখাৰ প্ৰচেষ্টাৰ মাজত আনন্দ আছে, শিহৰণ আছে, আৰু আছে এক প্ৰত্যাহ্বান।

### ৪.২.৪ অনুবাদৰ অনুশীলনী (Practical)

**(ক) অনুবাদ ঃ কবিতা**

**মূল বাংলা কবিতা**

— রবীন্দ্রনাথ ঠাকুর

সন্ধ্যারাগে ঝিলিমিলি ঝিলিমের স্রোতখানি বাঁকা
আঁধারে মলিন হল, যেন খাপে-ঢাকা
বাঁকা তলোয়ার;
দিনের ভাঁটার শেষে রাত্রির জোয়ার
ওল তার ভেসে-আসা তারাফুল নিয়ে কালো জলে;
অন্ধকার গিরিতট তলে
দেওদার তরু সারে সারে;
মনে হল সৃষ্টি যেন স্বপ্নে চায় কথা কহিবারে,
বলিতে না পারে স্পষ্ট করি—
অব্যক্ত ধ্বনির পুঞ্জ অন্ধকারে উঠিছে গুমরি।

সহসা শুনিনু সেই ক্ষণে
সন্ধ্যার গগনে
শব্দের বিদ্যুৎছটা শূন্যের প্রান্তরে
মুহূর্তে ছুটিয়া গেল দূর হতে দূরে দূরান্তরে।
হে হংস-বলাকা,
ঝঞ্ঝামদরসে মত্ত তোমাদের পাখা
রাশি রাশি আনন্দের অট্টাহাসে
বিস্ময়ের জাগরণ তরঙ্গিয়া চলিল আকাশে।
ওই পক্ষধ্বনি
শব্দময়ী অপ্সররমণী
গেল চলি স্বব্ধতার তপোভঙ্গ করি।
উঠিল শিহরি
গিরিশ্রেণী তিমিরমগন,
শিহরিল দেওদার-বন।

**অসমীয়ালৈ অনুবাদ**

সন্ধিয়াৰ হেঙুলত জিলিমিলি কৰা
ঝিলমৰ বেকাঁ সোঁতখিনি
আন্ধাৰত ম্লান হ'ল, খাপত সোমালে যেন
তৰোৱাল খনি।
জোৱাৰ-ভাটাৰ দৰে দিন যায় আহে ৰাতি
তৰাফুল বছা যেন ক'লা পানী সেয়া
শাৰী শাৰী দেবদাৰু নিৰ্বাক নিশ্চল
অন্ধকাৰ পাহাৰৰ ছায়া।
অব্যক্ত ধ্বনিৰ পুঞ্জ আন্ধাৰত গুণ গুণ কৰে
এনে লাগে সেয়া যেন সৃষ্টিৰ মুখৰ মাত
সপোনতে ক'বলে' ভাল দৰে।

হঠাতে কাণত পৰে
সন্ধ্যা-আকাশত
শব্দৰ বিদ্যুৎছটা শূন্য প্ৰান্তৰত
মুহূৰ্ততে ল'ৰি গ'ল দূৰ, দূৰ, বহু দূৰলৈ,
হে হংস বলাকা,
ধুমুহাৰ ৰসেৰে সেমেকা
দুখনি দেউকা
অন্তহীন আনন্দৰ অট্টহাঁহি হৈ
উৰি যায় আকাশত বিস্ময়ৰ জাগৰণ থৈ।
ডেউকাৰ সেই ধ্বনি
শব্দময়ী অপ্সৰা ৰমণী
গুচি গ'ল স্বব্ধতাৰ তপোভংগ কৰি
উঠিল শিঞৰি

(খ) অনুবাদ ঃ গদ্য

মূল হিন্দী গল্পৰ এছোৱা — প্ৰেমচান্দ

अकस्मात् एक मनुष्य नदी की तरफ से लालटेन लिये आता हुआ दिखायी दिया – वह निकट पहुँच गया तो पंडित जी ने उसे देखा। आकृति कुछ पहिचानी हुई मालुम हुई किंतु यह विचार न आया कि कहाँ देखा है। पास जाकर बोले — कयों भाई साहब, यहाँ यात्रियों के ठहरने के लिए जगह न मिलेगी? वह मनुष्य रूक गया। पंडित जी की ओर घ्यान से देख कर बोला -- आप पंडित चंद्रधर तो नहीं हैं?

पंडित जी प्रसन्न हो कर बोले – जी हाँ। आप मुझे कैसे जानते है?

उस मनुष्य ने सादर पंडित जी के चरण छुए और बोला – मैं आपका पुराना शिष्य हूं। मेरा नाम कृपाशंकर है। मेरे पिता कुछ दिनों बिल्हौर में डाक-मुंशी रहे थे। उन्हीं दिनों मैं आपकी सेवा में पढ़ता था।

पंडित जी की स्मृति जागी, बोले – ओहो तुम्हीं हो कृपाशंकर! तब तो तुम दुबले-पतले लड़के थे कोई आठ-नौ साल हुए होंगे।

कृपा– जी हाँ, नवाँ साल था। मैंने वहाँ से आकर ईन्ट्रेस पास किया, अब यहाँ म्युनिसिपिल्टी में नौकर हूँ। कहिए आप तो अच्छी तरह रहे। सौभाग्य था कि आपके दर्शन हो गये।

पंडित – मुझे भी तुमसे मिल कर बड़ा आनंद हुआ। तुम्हारे पिता अब कहाँ हैं?

कृपा – उनका तो देहांत हो गया। माता साथ हैं। आप यहाँ कब आये।

पंडित – आज ही आया हूँ पंडों के घर जगह न मिली। विवश होकर यहीं रात काटने की ठहरी।

कृपा – बाल-बच्चे भी साथ हैं?

पंडित जी – नहीं, मैं तो अकेले ही आया हूँ। पर मेरे साथ दारोगा जी और सियाहेनवीस साहब हैं – उनके बाल-बच्चे भी साथ हैं।

कृपा – कुल कितने मनुष्य होंगे?

पंडित जी – हैं तो दस किन्तु थोड़ी-सी जगह में निर्वाह कर लेंगे।

कृपा – नहीं साहब, बहुत-सी जगह लीजिए। मेरा बड़ा मकान खाली पड़ा है। चलिए, आराम से एक, दो, तीन दिन रहिए। मेरा परम सौभाग्य है कि आपकी कुछ सेवा करने का अवसर मिला।

कृपाशंकर ने कई कुली बुलाये। असबाब उठावाया और सबको अपने मकान पर ले गया। साफ-सुथरा घर था। नौकर ने चटपट चारपाइयाँ बिछा दीं। घर में पूरियाँ पकने लगीं। कृपाशंकर हाथ बाँधे सेवक की भाँति दौड़ता था। हृदयोल्लास से उसका मुख-कमल चमक रहा था। उसकी विनय और नम्रता ने सबको मुग्ध कर लिया।

और सब लोग तो खा-पीकर सोये। किंतु पंडित चंद्रधर को नींद नहीं आयी। उनकी विचार शक्ति इस यात्रा की घटनाओं का उल्लेख कर रही थी। रेलगाड़ी की रगड़-झगड़ और चिकित्सालय की नोच-खसोट के सम्मुख कृपाशंकर की सहायता और शालीनता प्रकाशमय दिखायी देती थी।

पंडित जी ने आज शिक्षक का गौरव समझा।

उन्हें आज इस पद की महानता ज्ञात हुई।

यह लोग तीन दिन अयोध्या रहे। किसी बात का कष्ट न हुआ। कृपाशंकर ने उनके साथ जाकर प्रत्येक धाम का दर्शन कराया।

तीसरे दिन जब लोग चलने लगे तो वह स्टेशन तक पहुँचाने आया। जब गाड़ी ने सीटी दी तो उसने सजल नेत्रों से पंडित जी के चरण छुए और बोला, कभी-कभी इस सेवक को याद करते रहिएगा।

पंडित जी घर पहुँचे तो उनके स्वभाव में बड़ा परिवर्तन हो गया था। उन्होंने फिर किसी दुसरे विभाग में जाने की चेष्टा नहीं की।

**অসমীয়ালৈ অনুবাদ ঃ**

অকস্মাৎ এজন মানুহ নদীৰ ফালৰ পৰা লেম এটা লৈ অহা দেখা পালে। মানুহজন কাষ পোৱাত পণ্ডিতে তেওঁক দেখা পালে। আকৃতিত অলপ চিনাকি যেন লাগিল কিন্তু ক'ত দেখিছিল মনত নপৰিল। ওচৰলৈ গৈ ক'লে– 'ভাইটি, ইয়াত যাত্ৰীৰ থাকিবলৈ ক'ৰবাত ঠাই পোৱা যাব নেকি?' সেই মানুহজন ৰৈ গ'ল। পণ্ডিতৰ ফালে মনোযোগেৰে চাই ক'লে– 'আপুনি পণ্ডিত সত্ৰধৰ নহয় জানো?' পণ্ডিতজী প্ৰসন্ন হৈ ক'লে– হয়, পিছে আপুনি মোক কেনেকৈ চিনি পায়?

সেই মানুহজনে সাদৰেৰে পণ্ডিতক সেৱা কৰিলে আৰু ক'লে-- 'মই আপোনাৰ পুৰণি শিষ্য। মোৰ নাম কৃপাশংকৰ। মোৰ পিতা অলপ দিন বিলৌৰৰ ডাক-মুন্সি আছিল। সেই সময়ত মই আপোনাৰ ওচৰত পঢ়িছিলোঁ।'

পণ্ডিতৰ মনত পৰিল, আৰু ক'লে– 'অ', তুমিয়েই কৃপাশংকৰ। তেতিয়াতো তুমি খীন-মীন ল'ৰা আছিলা, খুব বেছি আঠ-ন বছৰীয়া।'

কৃপা– 'হয়, ন বছৰীয়া আছিলো। তাৰপৰা আহি মই এণ্ট্ৰেন্স পাছ কৰিলো, এতিয়া ইয়াত মিউনিচিপেলিটিত কাম কৰোঁ। আপোনালোক ভালে-কুশলে আছে নহয়? মোৰেই সৌভাগ্য যে আপোনাৰ দৰ্শন হ'ল।'

পণ্ডিত– 'তোমাক লগ পাই ময়ো বৰ আনন্দ পালোঁ। তোমাৰ দেউতাৰা এতিয়া ক'ত আছে?'

কৃপা- 'তেওঁ ঢুকাল। বৰ্তমান মা মোৰ লগত আছে। আপুনি ইয়ালৈ কেতিয়া আহিলে?'

পণ্ডিত- 'আজিয়েই আহিছোঁ পাণ্ডাৰ ঘৰত ঠাই নাপালোঁ। উপায় নাপাই ইয়াতে ৰাতি কটাবলৈ ৰৈ দিলোঁ।'

কৃপা- 'ল'ৰা-ছোৱালীও লগতে আছে নেকি?'

পণ্ডিত– 'নহয়, মইতো অকলেই আহিছোঁ। কিন্তু মোৰ লগত দাৰোগা আৰু তহচিলৰ কেৰাণী বাবু আহিছে– তেওঁলোকৰ ল'ৰা-ছোৱালীও লগত আছে।'

কৃপা– 'মুঠতে কিমান মানুহ লগত হ'ব?'

পণ্ডিত– 'দহজন আছে কিন্তু অলপ ঠাই হ'লেও থাকিব পাৰিম।'

কৃপা– 'অ নহয়, বহুত ঠাই ল'ব পাৰে। মোৰ ডাঙৰ ঘৰ খালী

হৈ আছে। বলক, আৰামেৰে এদিন, দুদিন, তিনিদিন থাকিব। মোৰ পৰম সৌভাগ্য যে আপোনাৰ অলপ সেৱা কৰিবলৈ সুযোগ পাইছোঁ।'

কৃপাশংকৰে কেইবাটাও কুলি মাতিলে। আচবাব্ উঠালে আৰু সকলোকে নিজৰ ঘৰলৈ লৈ গ'ল। চাফ-চিকুণ ঘৰ আছিল। চাকৰে খৰধৰকৈ বিচনা পাতি দিলে। ঘৰত লুচী ভাজিবলৈ ধৰিলে। কৃপাশংকৰে হাতজোৰ কৰি সেৱকৰ দৰে দৌৰা-দৌৰি কৰি আছিল। হৃদয়ৰ উল্লাসেৰে তেওঁৰ মুখমণ্ডল জিলিকি আছিল। তেওঁৰ বিনয় আৰু নম্ৰতাই সকলোকে মুগ্ধ কৰিলে। সকলো মানুহে খাই-বৈ শুলেগৈ। কিন্তু পণ্ডিত চন্দ্ৰধৰৰ টোপনি নাহিল। তেওঁৰ বিচাৰশক্তিয়ে এই যাত্ৰাত ঘটা ঘটনাবোৰৰ কথাকে বাৰে বাৰে মনলৈ আনিবলৈ ধৰিলে। ৰেলগাড়ীৰ কাণ্ড-কাৰখানা আৰু চিকিৎসালয়ৰ তলখাপৰ খাম-খেয়ালিতকৈ কৃপাশংকৰৰ সহায়তা আৰু শালীনতাৰ প্ৰকাশ বেছি যেন দেখা পালে।

পণ্ডিতজীয়ে আজি শিক্ষকৰ গৌৰৱ বুজি পালে।

তেওঁ আজি এই পদৰ মহানতা জানিব পাৰিলে।

তেওঁলোকে তিনি দিন অযোধ্যাত আছিল। কোনো কথাৰ কষ্ট নহ'ল। কৃপাশংকৰে তেওঁৰ সৈতে গৈ প্ৰত্যেক ধাম দৰ্শন কৰালে।

তৃতীয় দিনা যেতিয়া মানুহ যাবলৈ ওলাল তেওঁ ষ্টেচনলৈ আগবঢ়াই দিবলৈ আহিল, গাড়ীয়ে উকি মাৰিলে, তেওঁ সজল নয়নেৰে পণ্ডিতৰ চৰণ চুলে আৰু ক'লে– 'কেতিয়াবা কেতিয়াবা এই সেৱকক মনত পেলাব।'

পণ্ডিত ঘৰ পাই তেওঁৰ স্বভাৱৰ বহুত পৰিৱৰ্তন হ'ল। তেওঁ আৰু কেতিয়াও শিক্ষকতা এৰি আন বিভাগলৈ গুচি যাবলৈ চেষ্টা নকৰিলে।

### ৪.২.৫ সাৰাংশ

- অনুবাদৰ বাবে বিষয়বস্তুৰ জ্ঞান থকা উচিত।
- মূল বাক্যৰ গাঁঠনি আৰু ঠাঁচ বুজি নাপালে অনুবাদ প্ৰাণৱন্ত নহয়।
- অনুবাদকৰ দায়িত্ব হ'ল মূল লেখকৰ চিন্তা-অনুভূতিক পাঠকৰ গ্ৰহণযোগ্য ৰূপে তুলি ধৰা।
- সফল অনুবাদ অনুবাদকৰ বাবে এক নান্দনিক অভিজ্ঞতা হৈ পৰে।

### ৪.২.৬ অনুশীলনী

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ ঃ** **শুদ্ধনে অশুদ্ধ বিচাৰ কৰাঁ--**

(ক) আক্ষৰিক অনুবাদত সমস্যা নাথাকে।

(খ) মূল লেখকতকৈ অনুবাদকৰ দায়িত্ব কম।

(গ) সৃষ্টিশীল সাহিত্যৰ জগতখন জটিল আৰু অস্পষ্ট।

(ঘ) অনুবাদক কৌশল আৰু সচেতন হ'ব লাগে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ ঃ** **খালী ঠাই পূৰ কৰাঁ--**

(ক) অনুবাদকৰ অন্য এটা সমস্যা হ'ল .................. অনুবাদ।

(খ) .................. ব্যৱহাৰ ক'ৰাই এই ক্ষেত্ৰত প্ৰকৃষ্ট উপায়।

(গ) কিছুমান .................... আৰু ...................... এইবোৰৰ মাজত দেখা যায়।

(ঘ) কীৰ্তিবাসী ৰামায়ণত ৰামে ................. পূজা কৰে।

(ঙ) কাৰ্বি ৰামায়ণত ৰামে হাবিত ................ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ ঃ** **পাঁচটা বাক্যত উত্তৰ দিয়াঁ--**

আক্ষৰিক অনুবাদৰ সমস্যাৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ।

________________________________________
________________________________________
________________________________________
________________________________________
________________________________________
________________________________________
________________________________________

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ঃ**

**সৃষ্টিশীল সাহিত্যৰ অনুবাদৰ বিষয়ে কি জানা লিখাঁ।**

### ৪.২.৭ সম্ভাৱ্য প্ৰশ্নোত্তৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ১ৰ উত্তৰ--**

(ক) অশুদ্ধ

(খ) অশুদ্ধ

(গ) শুদ্ধ

(ঘ) শুদ্ধ

**আত্মমূল্যায়ন প্ৰশ্ন নং ২ৰ উত্তৰ--**

(ক) দীঘল বাক্য

(খ) পাদটীকা

(গ) বিচ্যুতি, বৈপৰীত্য

(ঘ) দুৰ্গা

(ঙ) চিকাৰ

**আত্মমূল্যায়ন প্ৰশ্ন নং ৩ৰ উত্তৰ--**

আক্ষৰিক অনুবাদৰ প্ৰধান সমস্যা হ'ল– অনুবাদকৰ বাবে প্ৰয়োজন হয় বিষয়বস্তুৰ পৃষ্ঠভূমিৰ এক যথাযথ জ্ঞান। এই জ্ঞানৰ অবিহনে অনুবাদ কৰা অংশত মূলত থকাৰ দৰে প্ৰাণৰ স্পৰ্শ নাথাকিব। বহুতো শব্দ, বাক্য আৰু খণ্ডবাক্যৰ প্ৰয়োগ-কৌশল আৰু তাৎপৰ্য বুজি নাপালে অনুবাদ প্ৰাণৱন্ত কৰা সম্ভৱ নহয়। আখৰে আখৰে, শব্দই শব্দই কৰা অনুবাদে সজীৱতা হেৰুৱায়। আনহাতে অনুবাদ সজীৱ কৰিবলৈ অনুবাদকে যদি কিছু পৰিমাণে স্বাধীনতা গ্ৰহণ কৰে, তেন্তে সি মূলৰ পৰা অলপ হ'লেও আঁতৰি আহিব।

**আত্মমূল্যায়ন প্ৰশ্ন নং ৪ ৰ উত্তৰ**

সাম্প্ৰতিক কালত অনুবাদৰ বাঢ়ি অহা গুৰুত্বৰ বিষয়ে সচেতন তত্ত্বজ্ঞ পণ্ডিত আৰু সমালোচকে এই বিশিষ্ট প্ৰক্ৰিয়া অথবা কলাবিধৰ বিষয়ে নানা আলোচনা-বিলোচনা কৰিছে। বৰ্তমান কালত সেয়েহে অনুবাদ-তত্ত্ব এক বিস্তৃত বিষয়ত পৰিণত হৈছে। তাত্ত্বিকসকলে অনুবাদক কেৱল এটা ভাষাৰ অৰ্থ আন এটালৈ কঢ়িয়াই নিয়াৰ, লেখকৰ অনুভূতি বা চিন্তাধাৰাক অন্য এঠাইত স্থাপন কৰাৰ মাধ্যম বুলি মানি নলয়। মূলপাঠৰ দৃঢ়বন্ধী প্ৰকৃতিতো এওঁলোকে বিশ্বাস নকৰে। এওঁলোকৰ মতে অনুবাদ

হ'ল এনে এটি প্ৰক্ৰিয়া– য'ত বিভিন্ন সংস্কৃতিৰ গ্ৰহণেৰে চহকী হৈ পৰা দৃষ্টিভংগী আৰু বিভিন্ন সামাজিক আচাৰ আৰু ৰুচিভংগীৰ মিশ্ৰণেৰে মূলপাঠৰ ৰূপটো সামান্য নতুন, অবিকৃত আৰু গ্ৰহণীয় ৰূপত দাঙি ধৰা হয়। অনুবাদ-প্ৰক্ৰিয়া, এওঁলোকৰ মতে, বহুখিনি নিৰ্ভৰ কৰে বোধ আৰু ৰুচিবোধৰ ওপৰত। অনুবাদৰ বিষয়ে থকা সকলো মতবাদ অৱশ্যে সমানে গ্ৰহণীয় নহয়। কিছুমান বিচ্যুতি আৰু বৈপৰীত্য এইবোৰৰ মাজত দেখা যায়।

কোনো লেখকেই সাধাৰণতে ভৱিষ্যতে হ'ব পৰা অনুবাদৰ কথা মনত ৰাখি বা অনুবাদ-তত্ত্বৰ বিষয়ে সচেতন হৈ কলম নোতোলে। পিছতহে কোনোবা অনুবাদকৰ হাতত পৰি সেই ৰচনা অন্য ভাষালৈ বিয়পিব পাৰে। এই বিয়পি পৰা কাৰ্যটো বাইবেল, ৰামায়ণ, মহাভাৰত, কৃষ্ণকৰ্ণামৃত আদি গ্ৰন্থৰ ক্ষেত্ৰত ইমান বিস্তৃত আৰু বৈচিত্ৰ্যপূৰ্ণ যে সেইবোৰ অনুবাদ-কলাৰ বহুতো চৰিত্ৰ জিলিকাই তোলে। প্ৰথমতে, এই অনুবাদ আদিতে আছিল মুখ বাগৰি অহা। প্ৰব্ৰজক, চলমান গোষ্ঠী আৰু ব'ৰাগী শ্ৰেণীৰ যোগেদি দেশান্তৰলৈ বিয়পি পৰা কাহিনীবোৰত ঠায়ে ঠায়ে স্থানীয় ৰহণ সোমাই পৰিছে, চৰিত্ৰৰ নামৰ পৰিবৰ্তন হৈছে, কাহিনীৰ কিছুমান অংগও বেলেগ হৈছে। অথচ মূল ৰূপটো হৈ আছে সমানে শক্তিশালী। কাৰ্বি ৰামায়ণত ৰামে হাবিত চিকাৰ কৰে, সীতাই উৰালত ধান খুন্দে। জৈন ৰামায়ণত ৰাম-সীতাই জৈন ধৰ্ম গ্ৰহণ কৰে। কৃত্তিবাসী ৰামায়ণত ৰামে দুৰ্গা পূজা কৰে, মাৰাঠী ৰামায়ণত বালক ৰাম তীৰ্থযাত্ৰালৈ যায়, কাশ্মীৰি ৰামায়ণত মন্থৰাই ৰামৰ ওপৰত পূৰ্ব অপকাৰৰ প্ৰতিশোধ লয়। এনে সামান্য আৰু অসামান্য (সীতাক মন্দোদৰীৰ কন্যা বুলিও কোনো কোনো ৰামায়ণত কোৱা হৈছে) পাৰ্থক্য থকা সত্ত্বেও ৰামায়ণৰ গুৰুত্ব আৰু আবেদন মুঠেই কমা নাই। ৰাম-সীতাৰ কাহিনীয়ে সমান প্ৰভাৱেৰে সকলো ঠাইতে মানুহৰ মন মুহি আছে। এই আটাইবোৰ কথাই দেখুৱায় যে অনুবাদ মানে ভাঙনিৰ অতিৰিক্ত এটি গুণ– স্থান, সময় আৰু পৰিৱেশক ভাঙি-ছিঙি গুড়ি কৰি একেটা পাত্ৰতে কৰা উপস্থাপন, য'ত মূল দ্ৰব্যৰ আটাইবোৰ গুণেই অটুট থাকে।

সৃষ্টিশীল সাহিত্যৰ জগতখন জটিল আৰু অস্পষ্ট। মানুহৰ চিৰন্তন

আত্মানুসন্ধানৰ বহুতো অভিজ্ঞতা এনে সাহিত্যৰ মাজত নিহিত হৈ থাকে। অনুবাদকে মূল পাঠৰ মাজত ঢাক খাই থকা বহুতো বিস্ময়কৰ উপলব্ধিৰ মুখামুখি হ'ব লগা হয়। নিজা বিচাৰ আৰু বিশ্লেষণেৰে তেওঁ এইবোৰ উজ্বল কৰি তুলিব লাগে। যদি যথাযথ ভাবানুবাদেৰে মূল ৰূপটো ফুটি নুঠে, তেতিয়া মূলক বিকৃত নকৰাকৈ নিজা প্ৰতিভাও তেওঁ ব্যৱহাৰ কৰিব পাৰে। এনে কৰাৰ ফলত অনূদিত পাঠ হৈ পৰে মূল পাঠৰ এক প্ৰতিপাঠ, কেৱল প্ৰতিৰূপ বা প্ৰতিচ্ছবি নহয়।

গতিকে অনুবাদ হৈ পৰে এক নান্দনিক অভিজ্ঞতা। এজন অচিনাকি ব্যক্তিৰ (মূল লেখকৰ) চিন্তাৰ বৃত্ত আৰু অনুভূতিৰ জগতৰ আঁৰ কাপোৰ উদঙাই খোজে খোজে লগ পোৱাৰ নতুন নতুন অভিজ্ঞতাৰ শিহৰণ, তাকে আকৌ আনৰ বাবে যিমান পাৰি একে ৰূপত ৰখাৰ প্ৰচেষ্টাৰ মাজত আনন্দ আছে, শিহৰণ আছে, আৰু আছে এক প্ৰত্যাহ্বান।

# খণ্ড ৫

# তুলনাৰ অনুশীলন
# (Comparison Practice)

## গোট ১ ঃ নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' আৰু মহাদেৱী বাৰ্মাৰ 'দীপশিখা'

### ৫.১.০ উদ্দেশ্য ঃ

- নলিনীবালা দেৱী আৰু মহাদেৱী বাৰ্মাৰ প্ৰতিভাৰ তুলনীয় দিশসমূহৰ আলোচনা।
- 'সন্ধিয়াৰ সুৰ' আৰু 'দীপশিখা'ৰ ৰহস্যবাদী আৰু ছায়াবাদী।
- দুটা ভিন্ন ভাষাৰ সাহিত্যত প্ৰকাশ পোৱা অখণ্ড ভাৰতীয় মনৰ সন্ধান।

### ৫.১.১ প্ৰস্তাৱনা

ভাৰতীয় কবিতাৰ জগতৰ দুটি মহান নাম মহাদেৱী বৰ্মা আৰু নলিনীবালা দেৱী। মহাদেৱীৰ কবিতাৰ খ্যাতি ভাৰত বিয়পা। তেওঁৰ কবিতাৰ আলোচনাও যথেষ্ট হৈছে। কিন্তু নলিনীবালা দেৱীৰ কবিতাৰ আলোচনা কেৱল অসমতে সীমাবদ্ধ বুলি ক'লেও অত্যুক্তি নহয়। দুয়োগৰাকীয়েই ঘাইকৈ ৰহস্যবাদী কবি। কবিতাৰ প্ৰকৃতি আৰু সুষমা বিশ্লেষণ কৰিলে দেখা যায় যে নলিনীবালাৰ কবিতাৰ সৌন্দৰ্য মহাদেৱীৰ কবিতাতকৈ কোনো গুণে কম নহয়। বৰং ঠাই বিশেষে বেছি উজ্বলহে।

মহাদেৱীৰ কবিতাৰ পুথিকেইখন হ'ল ঃ ***নীহাৰ, ৰশ্মি, নীৰজ, সান্ধ্যসংগীত*** আৰু ***দীপশিখা***। গোটেইকেইখনৰ মাজেৰে কবিৰ চিন্তাৰ গভীৰতা আৰু অনুভৱৰ কোমলতা প্ৰকাশ পাইছে। তেওঁৰ অন্তৰ যিদৰে সুগভীৰভাৱে সংবেদনশীল, ছন্দকুশলতাও সেইদৰে স্বচ্ছন্দ প্ৰবাহী। মহাদেৱীৰ কবিতাত আছে জীৱনৰ সিপাৰৰ এক মহাজীৱনৰ অমিত শক্তিৰ ইংগিত। মহাদেৱীৰ কবিতাৰ লগত তুলনা কৰি চালে নলিনীবালাৰ কবিতাসমূহক বেছি কোমল আৰু গভীৰ যেন বোধ হয়। গভীৰ এই অৰ্থত, কবিৰ বুকুৰ

তলৰ পৰা অহা প্ৰকৃত শোকৰ পৰা তেওঁ লাভ কৰা ভগৱৎ বিশ্বাস ইয়াত হৃদয় চুই যোৱাকৈ বিয়পি আছে। নলিনীবালাৰ কবিতাৰ পুথিকেইখন হ'ল– ***সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, অলকানন্দা, জাগৃতি*** আৰু ***অন্তিম সুৰ।***

## ৫.১.২ নলিনীবালা দেৱী আৰু তেওঁৰ কাব্য প্ৰতিভা

নলিনীবালা দেৱী অসমীয়া সাহিত্যজগতৰ ৰহস্যবাদী ভাবধাৰাৰ এগৰাকী আগশাৰীৰ কবি। নলিনীবালা দেৱীৰ জীৱনজোৰা কাৰুণ্যৰ অতলৰ পৰা নিগৰি ওলোৱা ঐশী শক্তিৰ বন্দনাই হ'ল নলিনীবালাৰ কবিতাৰ ৰহস্যবাদৰ বুনিয়াদ। নলিনীবালাৰ কবিতাপুথি কেইখন হ'ল-– ***সন্ধিয়াৰ সুৰ*** (১৯২৮), ***সপোনৰ সুৰ*** (১৯৪৮), ***পৰশমণি*** (১৯৫৭), ***যুগদেৱতা*** (১৯৫৮), ***জাগৃতি*** (১৯৫২), ***অলকানন্দা*** (১৯৬৪) আৰু ***অন্তিম সুৰ*** (১৯৭৭)। ***'অলকানন্দা'***ৰ বাবে ১৯৬৮ চনত সাহিত্য অকাদেমিৰ পুৰস্কাৰ লাভ কৰিছিল। অতি কম বয়সতে বিয়া হোৱা নলিনীবালা দেৱী ঊনৈশ বছৰ বয়সতে বিধৱাও হৈছিল। কোনোধৰণৰ আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নহ'লেও নলিনীবালা দেৱীয়ে ঘৰতে গীতা, বেদান্ত-উপনিষদৰ দৰ্শনৰ লগত আৰু ৰবীন্দ্ৰ-কাব্য, নৱবৈষ্ণৱ ধৰ্মৰ কীৰ্তন, নামঘোষা, বৰগীত আদিৰ লগতো ঘনিষ্ঠভাৱে পৰিচিত হৈছিল।

নলিনীবালা দেৱীৰ কবিতাত পাৰ্থিৱ সুখ-দুখৰ প্ৰতি অনাসক্তি আৰু নিজৰ চৌপাশৰ বিশাল বিৰাট প্ৰকৃতিৰ মাজত অপাৰ্থিৱ সৌন্দৰ্যৰ অনন্ত সন্ধান এটি পৰিলক্ষিত হয়। কবিৰ অন্তৰৰ আকুতি যিমানেই সুদূৰৰ অচিনা, অদেখা, অজানা, অনন্ত সৌন্দৰ্যময় পৰমপ্ৰিয়ৰ ফালে ধাৱিত হৈছে, সিমানেই তেওঁৰ ব্যক্তিগত দুঃখ-বেদনা, হতাশা, ঘাত-প্ৰতিঘাতৰ প্ৰতি নিৰ্লিপ্ত হৈ পৰিছে। সুদূৰৰ অজানা পৰমপ্ৰিয়ৰ মাজত কবিয়ে ভগৱানৰ অস্তিত্ব উদ্‌ঘাটন কৰাই নহয়, সেই ভগৱানৰ ওচৰত গভীৰভাৱে আত্মনিবেদনো কৰে। কবিৰ এই আত্মনিবেদনৰ প্ৰেৰণা হ'ল শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মীয় সংস্কৃতিয়ে তেওঁৰ অসমীয়া প্ৰাণত বোৱাই ৰখা নিৰ্গুণ ভগৱানৰ ধাৰণা। বৈষ্ণৱ ভক্তই যেনেকৈ অখণ্ড পৰমব্ৰহ্মৰ প্ৰতিভূ বিষ্ণুৰ পৰম সত্তাত নিজকে বিলীন কৰি দিয়াৰ আকাংক্ষা কৰে, তেনেদৰেই নলিনীবালায়ো তেওঁৰ পৰম প্ৰিয়ৰ লগত একাত্ম হৈ যোৱাৰ আকাংক্ষা কৰে। নলিনীবালাৰ

কাব্যৰ মূল উৎস ভাৰতীয় দৰ্শন আৰু সাংস্কৃতিক পৰম্পৰা। তেওঁৰ কাব্যৰ মূল সুৰ হ'ল ৰহস্যবাদী সুৰ। ভাৰতীয় দৰ্শন আৰু সাংস্কৃতিক ঐতিহ্যৰ মৰ্মাৰ্থ অনুধাৱন কৰি, তাক নিজে হৃদয়ংগম কৰি কবিয়ে নিজৰ কাব্যৰ মাজত সেই আত্ম-উপলব্ধিৰ প্ৰকাশ ঘটায়। নলিনীবালাৰ মতে আত্মা অবিনশ্বৰ। সেয়েহে মানৱদেহৰ সঁজাত বন্দী মানৱাত্মাই চিৰদিন অনাবিল মুক্তিৰ আস্বাদ বিচাৰি হাহাকাৰ কৰে। মানৱাত্মাই দেহৰ সঁজাত বন্দী হৈ থাকিও মুক্তিৰ মহামন্ত্ৰ শুনিবই। সেয়েহে কবিয়ে পৰমাত্মাৰ সৈতে আত্মাৰ এক অভিন্ন বন্ধনক উপলব্ধি কৰিয়েই ক্ষান্ত হোৱা নাই, তাৰ মাজেদি বিশ্বসৃষ্টিৰ পৰম সত্যক প্ৰাণৰ মাজত অন্তৰতম সত্য ৰূপে অনুভৱ কৰে আৰু সেই সত্যৰ পোহৰত অসীম আনন্দ ৰসত নিমজ্জিত হোৱাৰ আকাংক্ষা কৰে। সেয়ে জীৱন আৰু মৰণকো অভিন্ন একক অনুভৱেৰে কবি মৃত্যু যন্ত্ৰণা অথবা মৃত্যুজনিত বেদনাৰ প্ৰতিও নিৰ্লিপ্ত হৈ পৰে। কবিয়ে নশ্বৰ পৃথিৱীৰ পখীৰ কাকলি, নিজৰাৰ কুলু ধ্বনি, শৰতৰ স্নিগ্ধ জেউতি, অৰণ্যৰ সেউজীয়া, নিয়ৰ সিক্ত শেৱালি, পথাৰৰ সোণোৱালী ধানৰ সৌন্দৰ্যৰ মাজেৰে সেই অবিনশ্বৰ, অপৰূপ সৌন্দৰ্যৰ নজনা, নুশুনা, নেদেখা উৎসৰ সন্ধান কৰে অবিৰাম। নলিনীবালাৰ ৰহস্য সন্ধানী কবি চেতনাই জাগতিক সকলো সৌন্দৰ্যৰ অন্তৰালত চিৰসুন্দৰ সেই মহা সৌন্দৰ্যৰ উৎসৰ সন্ধান কৰিছে যেন জন্ম-জন্মান্তৰ ধৰি।

ভাৰতীয় দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মফলবাদ, ভক্তিবাদৰ দ্বাৰা উদ্বুদ্ধ কবিৰ চিন্তাত আত্মাৰ অবিনশ্বৰতা, কৰ্মফল আৰু জন্মান্তৰবাদৰ প্ৰতি গভীৰ আস্থাৰ প্ৰতিফলন ঘটে। তেওঁৰ কবিতাত সীমাৰ মাজত অসীমৰ, কালৰ মাজত মহাকালৰ, ধূলিকণাৰ মাজত নিখিল বিশ্বৰ, পলৰ মাজত অনন্তকালৰ অনুভৱ প্ৰকট হয়। ব্যথাভৰা পাৰ্থিৱ জীৱনৰ দুঃখ-দৈন্য, আশা-হতাশা, প্ৰাচুৰ্য-হাহাকাৰ প্ৰৱলতাক প্ৰশমিত কৰিবলৈকে যেন কবিয়ে অচিনা, অজানা, অধৰা, অদেখা, পৰমপ্ৰিয়ত আশ্ৰয় লয়। ইয়াৰউপৰি নলিনীবালাৰ কবিতাত মানৱ প্ৰেম, স্বদেশ প্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ প্ৰকাশো সততে পৰিলক্ষিত হয়। সুখে-দুখে ভৰা মানৱ জীৱনৰ সংঘাতৰ মাজতো জনমভূমিৰ ধূলিকণাটিৰ লগতো বিলীন হৈ যেন কবিয়ে জনমভূমিৰ সেৱা কৰিব। প্ৰকৃতিৰ অফুৰন্ত সম্ভাৰ জান-জুৰি,

চৰাই-চিৰিকতি, ফুল-পখিলা, জোন-বেলি-তৰা, আকাশ-অৰণ্য, পাহাৰ, পাহাৰৰ কণাই-কণাই কবিয়ে সৌন্দৰ্যৰ বিচিত্ৰ পৰশ দেখা পায়। সেই সৌন্দৰ্য সম্ভাৰৰ জাগতিক ঐশ্বৰ্যৰ অন্তৰালত লুকাই থকা মহাজাগতিক সত্তাত নিজকে বিলীন কৰি পেলোৱাৰ আকাংক্ষা কৰি কবিৰ চিন্তাত ভাৰতীয় দৰ্শনৰ 'ব্ৰহ্ম' স্বৰূপেই ভুমুকি মাৰে। তদুপৰি নিজৰ দেশৰ গুণগৰিমা প্ৰকাশক আৰু মহৎ ব্যক্তিসকলৰ চৰিত্ৰৰ বন্দনা কৰা কিছু সংখ্যক কবিতাও নলিনীবালা দেৱীয়ে ৰচনা কৰিছিল।

### ৫.১.২.১ 'সন্ধিয়াৰ সুৰ'ৰ আলোচনা

অসমীয়া অতীন্দ্ৰিয়বাদী কবিতাৰ মাজত এইখন এখন শ্ৰেষ্ঠ পুথি। ব্যক্তিগত বেদনা ইয়াৰ মূল উৎস। স্বামী আৰু সন্তানৰ বিয়োগত কাতৰ হৈ পৰা নলিনীবালাৰ শান্তি আৰু সান্ত্বনাৰ পথ সন্ধানৰ ফলস্বৰূপে এই কাব্যৰ জন্ম হৈছিল। অভাগী নাৰী-হিয়াৰ বিননিতকৈ ইয়াত স্পষ্ট হৈ আছে কবি-প্ৰাণৰ সংযত বিষাদৰ সুৰ। কবিৰ হৃদয়ত থকা ভাৰতীয় দৰ্শনৰ প্ৰতি আস্থাই তেওঁক ভাঙি পৰিবলৈ দিয়া নাই। জীৱনটো দুখেৰে ভৰা হ'লেও তাক তেওঁ প্ৰীতিৰে গ্ৰহণ কৰিছে। একোকে নিদিয়া পৃথিৱীখনলৈও তেওঁৰ অভিযোগ নাই;–

*'আজিৰে নোহোৱা মোৰ সুন্দৰী পৃথিৱী*
*জনমৰ যুগমীয়া তুমি,*
*তুমি মোৰ জীৱনৰ শান্তিৰ জিৰণি*
*অতীতৰ স্বপ্ন লীলাভূমি।'*

কবি কৰ্মফলত বিশ্বাসী। 'অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ' বাৰে বাৰে পৃথিৱীলৈ অহা মানুহে সহজে জন্মান্তৰৰ হাত সাৰিব নোৱাৰে। কাৰণ মানুহৰ অন্তৰত আছে চিৰন্তন অতৃপ্তিৰ খনি। তাৰ পূৰ্ণতাৰ বাবে আত্মাম্প সংসাৰত অবিৰাম ভ্ৰমণ কৰে।

বিশাল সংসাৰৰ বুকুত নিজাকৈ এখনি পুতলা সংসাৰ পাতি মানুহে দুদিনৰ বাবে ধেমালি কৰে। তেনে এখন সংসাৰ অকালতে হেৰাই যোৱাৰ বিষাদত কবিয়ে অনুভৱ কৰিছে 'সংসাৰৰ অনিত্যতা'। মানুহৰ সমাজত পূৰ্ণতা বিচাৰি নোপোৱা কবিয়ে তেওঁ নিষ্ঠুৰ জীৱন-দেৱতাকো সুন্দৰ ৰূপেৰে চাইছে আৰু জীৱনজোৱা দুখৰ বোজা তেওঁৰ চৰণতলত

নমাই থ'বৰ বাবে আকুল হৈ মাতিছে—

*'অ' মোৰ পৰম প্ৰিয়*
*তুমি ক'ত তুমি ক'ত*
*তুমি ক'ত ?'*

এই পৰম-প্ৰিয়ৰ ৰূপৰ ৰূপ ছবিয়ে কবিৰ অন্তৰ ৰূপে-ৰসে ভৰাই তুলিছে। তেওঁৰ প্ৰতিটি ক্ষণ প্ৰিয়ৰ সান্নিধ্যৰ বাবে ব্যাকুল হৈ পৰিছে, সকলোতে তেওঁ বিচাৰি পায় প্ৰিয়ৰ পৰশ।

সুন্দৰক জীৱনৰ আশ্ৰয় ৰূপে গ্ৰহণ কৰি কবিয়ে কৈ উঠিছে—

*'সহিব নোৱাৰি এই*
*জীৱনৰ ভাৰ*
*সপি দিলোঁ তোমাৰ পাৰত।*
*বৰ শ্ৰান্ত প্ৰভু ! মই*
*লোৱা তুলি মোক*
*দিয়া ঠাই চৰণ তলত।'* (ভাগৰুৱা)

জীৱন যেতিয়া অবাঞ্ছিত হয়, তেতিয়া 'মৃত্যু হয় বাঞ্ছিত সুন্দৰ'। জীৱনৰ সিপাৰৰ সেই দেশখনলৈ যাবলৈ কবিৰ প্ৰাণত আকুল হেপাঁহ। তেওঁৰ প্ৰাণে শুনিছে অসীমৰ আহ্বান—

*'দুৰণিৰ পখী জাকি উৰি যায় ৰিঙিয়াই*
*বিয়াকুল উদাসী সুৰত*
*প্ৰতিধ্বনি বাজে সুদূৰত।*
*মোৰো এই পিঁজৰাৰ অশান্ত পখীটি দেখো*
*মিলি যাব খোজে অনন্তত*
*অসীমৰ অচিন বাটত।'* (পৰমতৃষ্ণা)

মৃত্যু তেওঁৰ বাবে 'চিতাগ্নি হোমাগ্নি' হোৱা মিলনৰ মুহূৰ্ত। জীৱনৰ প্ৰতি ক্ষণে-ক্ষণে যাৰ সান্নিধ্যই তেওঁক সাহস আৰু শক্তি যোগাইছে সেইম্প ভগৱানক প্ৰিয়তম ৰূপেৰে লৈ কবিয়ে তেওঁৰ লগত মৃত্যুৰ যোগেদি মিলনৰ সপোন দেখিছে।

### ৫.১.৩ মহাদেৱী বাৰ্মা আৰু তেওঁৰ কাব্য প্ৰতিভা

মহাদেৱী বাৰ্মা হিন্দী সাহিত্য-সংস্কৃতি জগতৰ এগৰাকী প্ৰখ্যাত কবিয়েই নহয়, এগৰাকী সু-গল্পকাৰ আৰু চিত্ৰকৰো আছিল। তেওঁৰ

ৰচিত কবিতাৰ পুথিকেইখন হ'ল– *নীহাৰ* (১৯৩০), *ৰশ্মি* (১৯৩২), *নীৰজা* (১৯৩৫), *সান্ধ্যগীত* (১৯৩৬), *দীপশিখা* (১৯৪২), *সপ্তপৰ্ণা* (১৯৬০) আৰু *সন্ধিনী* (১৯৬৫)। তেওঁৰ *'নীহাৰ', 'ৰশ্মি', 'নীৰজা'* আৰু *'সন্ধিনী'*ৰ একক সংকলন *'য়ামা'* নামৰ কাব্যপুথিৰ বাবে তেওঁ জ্ঞানপীঠ বঁটা লাভ কৰিছিল।

হিন্দী সাহিত্যৰ সৰহসংখ্যক সমালোচকে মহাদেৱী বাৰ্মাক ছায়াবাদী আৰু বহুতেই তেওঁক ৰহস্যবাদী কবি বুলি ক'ব খোজে। আচলতে মহাদেৱীৰ কবিতাত ছায়াবাদী দৰ্শনৰ পলায়নবাদ আৰু নিৰাশাবাদৰ লগে লগে ৰহস্যবাদৰ অপাৰ্থিৱ অজানা সুদূৰৰ ইংগিতে সহাৱস্থান কৰা দেখা যায়। তেওঁৰ কবিতাত বেদান্ত, উপনিষদ, বৌদ্ধ দৰ্শন, বৈষ্ণৱ দৰ্শন, চুফী দৰ্শন, বিবেকানন্দৰ আধ্যাত্মিক দৃষ্টিভঙ্গী, গান্ধীবাদৰ সংমিশ্ৰণ পৰিলক্ষিত হয়। তেওঁৰ কবিতাত অতি স্পৰ্শকাতৰ অনুভূতি-প্ৰৱণতা, সংবেদনশীলতা আৰু সুকোমল গীতিময়তা প্ৰতিভাত হয়। মহাদেৱী বাৰ্মাই মহাভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰে পৰিচালিত চিন্তাৰে জীৱনৰ অনিত্যতাৰ পৰিপ্ৰেক্ষিতত আত্মসংযম, কষ্ট সহিষ্ণুতা আৰু বাসনাহীন প্ৰেমৰ অনন্য অনুভূতিৰ প্ৰকাশ ঘটাইছিল তেওঁৰ কাব্যত। তেওঁৰ প্ৰেমানুভূতিয়ে দেহৰ মাজেৰে দেহাতীতলৈ, পাৰ্থিৱৰ ভিতৰেদি অপাৰ্থিৱলৈ, ইন্দ্ৰিয়গ্ৰাহ্য আৱেদনৰে ইন্দ্ৰিয়াতীতৰ সাধনা কৰে। অজানা, অচিনা, অদেখা পৰমপ্ৰিয়ৰ মাজত কবিৰ প্ৰেয়স আৰু ভগৱান একাকাৰ হৈ যায়। আত্ম অহং বিসৰ্জন দি পৰমপ্ৰিয়ৰ ওচৰত আত্মনিবেদনৰ মাধুৰ্যৰে নিৰ্মিত মহাদেৱীৰ প্ৰেমৰ ভেটি। পৰমপ্ৰিয়ই হ'ল কবিৰ আকাংক্ষিত পৰমাত্মা। পৰমাত্মাৰ সন্ধানৰ যাত্ৰাপথত কবিয়ে তেওঁৰ প্ৰেমানুভৱৰ মাজত হৰ্ষ-বিষাদ, মিলন, বিৰহ আশা-হতাশা, ঘাত-প্ৰতিঘাতৰ বৰ্ণাঢ্য পৰিক্ৰমা কৰিবলগীয়া হৈছে। কবিৰ দৃষ্টিভঙ্গীত প্ৰেম আৰু সৌন্দৰ্য এটা মুদ্ৰাৰ দুটি পিঠিৰ দৰে অৱস্থান কৰে। লগতে সত্য আৰু শিৱৰ সাধনাও জড়িত হৈ থাকে। তেওঁ সত্যই কাব্যৰ সাধনা আৰু সৌন্দৰ্যক তাৰ পৰা নিৰ্গত সাধন বুলি গণ্য কৰে। মহাদেৱীৰ বাৰ্মাৰ কাব্যত অপাৰ্থিৱ এক ৰহস্যময় ভাবময় জগতক পাৰ্থিৱ প্ৰণয়ৰ ৰূপময়তাৰ মাধ্যমেৰে প্ৰকাশ কৰিবলৈ যত্ন কৰা পৰিলক্ষিত হয়। ভাৰতীয় চিন্তাই তেওঁৰ চেতনাক বেদনাক জয় কৰি আনন্দৰ বন্দনা কৰিবলৈ

প্ৰেৰণা যোগায়। সেয়ে তেওঁৰ বেদনাৰ মাজতো ক'তো নিৰাশা আৰু অকৰ্মণ্যতাৰ স্থান নাই। সংকল্পৰ দৃঢ়তাহে তেওঁৰ বেদনাৰো প্ৰাৰ্থনা হৈ উঠে।

মহাদেৱী বাৰ্মাৰ কাব্যত গভীৰ সমাজ সচেতনতাৰো অলেখ স্বাক্ষৰ পৰিলক্ষিত হয়। মানুহৰ প্ৰতি থকা সহমৰ্মিতা, সহানুভূতি, স্বদেশৰ প্ৰতি প্ৰবল অনুৰাগ কেইবাটিও কবিতাত ব্যক্ত হয়। সমকালীন সমাজৰ পৰিৱেশ-পৰিস্থিতি, সমস্যা আদিৰ প্ৰতি গভীৰ সচেতনতা তেওঁৰ ৰচনাত সততে ব্যক্ত হোৱা পৰিলক্ষিত হয়। নিজে এগৰাকী সফল চিত্ৰকৰ হোৱা কাৰণেই বোধকৰো মহাদেৱীৰ কাব্যতো অনুভূত হয় ভাৰতীয় ভাস্কৰ্যৰ মনোৰম কথকতা, নৃত্যশৈলীৰ ছন্দোময়তা আৰু গীতৰ সুমধুৰ গৰিমা। তেওঁৰ কাব্যৰ মাজত আছে বিৰহৰ চিৰকালীন ঐশ্বৰ্যৰ সাৰ্বজনীন আবেদন। কিন্তু তেওঁৰ বিৰহ-বেদনাৰ মাজতো নিহিত হৈ থাকে দৃঢ়তা আৰু প্ৰত্যাহ্বানৰ সাহসী অভিব্যক্তি; যি অভিব্যক্তিয়ে বেদনাৰ বুকুভঙা হাহাকাৰ অতিক্ৰম কৰি আত্মসত্তাত লুকাই থকা অমিত শক্তিৰ প্ৰতি এক সচেতনতা জাগ্ৰত কৰে। আত্মসত্তাৰ প্ৰতি স্বীকৃতিৰ মনোভাৱে কবিক প্ৰবল আত্মবিশ্বাসী কৰি তোলে। আৰু অৱশ্যেই সেই আত্মসত্তাত লুকাই থকা অমিত শক্তি ভগৱানৰেই অন্যৰূপ অৰ্থাৎ ভগৱানৰ সৈতে অভিন্ন আৰু একক বুলিও অনুভৱ কৰে। সেয়েহে কবিৰ ভগৱানৰ ওচৰত আত্মসমৰ্পণতো এক অনন্য সৌন্দৰ্য প্ৰতিভাত হয়।

### ৫.১.৩.১ 'দীপশিখা'ৰ আলোচনা

ছাঁয়াবাদী কবি মহাদেৱী বাৰ্মাৰ 'দীপশিখা' পুথি কিছুমান গীতি-কবিতাৰ সমষ্টি। কবিতাবোৰ দুখৰ প্ৰকাশ আৰু মনোবলৰ আভাস সমানে প্ৰতিফলিত হৈছে। ব্যক্তিগত জীৱনৰ আত্ম-প্ৰতিষ্ঠাৰ সংগ্ৰামে কবিগৰাকীক কঠিন কৰি তুলিছে। তাৰ লগতে প্ৰকাশিত হৈছে জীৱনৰ প্ৰতিটো আঘাত হাঁহি মুখেৰে গ্ৰহণ কৰাৰ প্ৰস্তুতি। কবিতাবোৰত দুখ আৰু সুখক একেটা পাত্ৰতে থৈ বিচাৰ কৰাৰ প্ৰৱণতা দেখা যায়। অশ্ৰুৰ টোপালো তেওঁৰ বাবে পৰিণত হৈছে নিজকে সজাই তোলাৰ এক আহিলাত। তেওঁ কৈছে– 'অশ্ৰু নহ'ব কিয় শৃংগাৰ মোৰ?' অন্য এটি কবিতাত শত ধুমুহাৰ আঘাতৰ মাজতো আত্মশক্তিৰ দীপশিখা অটল

হৈ জ্বলি থকাত তেওঁ গুৰুত্ব আৰোপ কৰিছে। নিজৰ ক্ষুদ্ৰ জীৱন আনৰ মংগলৰ বাবে কামত লগোৱা উচিত, এই মহামন্ত্ৰৰে তেওঁৰ কবিতা উজ্জীৱিত।

'দীপশিখা'ৰ কবিতা মুঠিৰ মাজত কাৰুণ্য, বিষাদ আৰু শূন্যতাবোধৰ মনোভাৱে এক গভীৰ অনুভূতিৰ প্ৰকাশ ঘটাইছে। ভগৱানক তেওঁ সুখ আৰু দুখ দুয়োটাৰে দাতা বুলি স্বীকাৰ কৰি সকলো বেদনা, প্ৰতিঘাত আৰু অৱহেলাক পৰম প্ৰাপ্তি বুলি মানি লৈছে। 'দীপশিখা'ত বিষাদে আত্মশক্তি সংগ্ৰহণত সহায়কৰ ভূমিকা গ্ৰহণ কৰিছে।

মহাদেৱী বাৰ্মাৰ সকলো কবিতাৰ মাজত তেওঁৰ স্পৰ্শকাতৰ মনৰ উমান পোৱা যায়। জীৱনৰ সুন্দৰতম দিশটো আৰু তাৰ মাজৰ পৰা পাব পৰা প্ৰতিটো শুভ শক্তিৰ প্ৰতি তেওঁ সজাগ আছিল। তেওঁৰ কথাত ''কোনো ৰোগীৰ বিশেষ অসুখৰ বাবে ঔষধ আৰু চিকিৎসা-অস্ত্ৰৰ প্ৰয়োজন হ'ব পাৰে, কোনো সহৃদয়ে তেওঁৰ শিতানত থৈ যোৱা গোলাপ পাহৰ প্ৰয়োজনো কিন্তু তাতোকৈ কম নহয়। নিজৰ বেদনাত ককবকাই থকা তেওঁ সেই ফুল পাহৰ ধীৰে ধীৰে মেলখোৱা আৰু তাৰ পাপৰিৰ লয়লাস চাই কিমানবাৰ বিশ্ৰামৰ উশাহ লয়, কেনেকৈ নিজৰ নিঃসংগতাক পূৰ্ণ কৰি তোলে, কিমান ধৰণৰ ভাৱ সাগৰত উটি-বুৰি ফুৰে, চিন্তামগন কিমান ক্ষণত নিজক হেৰুৱাই পায়, এইবোৰ কথা আমাৰ বাবে প্ৰত্যক্ষ নহ'লেও ৰোগীৰ জীৱনৰ বাবে এইবোৰ সত্য।'' চকুৰে দেখা পোৱা জীৱনৰ স্থূল দিশটোৰ বাহিৰে যিটো সূক্ষ্মতম দিশ আছে, সেইটো দিশৰ সকলো ৰহস্যময়তাৰ প্ৰতি কবিগৰাকী সজাগ আছিল। ''দীপশিখাৰ'' কবিতাসমূহৰ মাজত তাৰেই প্ৰকাশ দেখা যায়।

### ৫.১.৪ 'সন্ধিয়াৰ সুৰ' আৰু 'দীপশিখা'ৰ তুলনা

নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' আৰু মহাদেৱী বাৰ্মাৰ 'দীপশিখা' ভাৰতীয় সাহিত্যৰ দুখন উজ্জ্বল কাব্যকৃতি। অতিন্দ্ৰীবাদী কবি নলিনীবালা আৰু ছায়াবাদী কবি মহাদেৱীৰ কাব্য চিন্তাৰ মাজত কিছু সাদৃশ্য দেখা যায়। ভাৱগত দিশত এই সাদৃশ্য বেছি স্পষ্ট। মহাদেৱী বাৰ্মাৰ কবিতাই সৰ্বভাৰতীয় আলোচনাত বিশেষ স্থান দখল কৰিছে যদিও নলিনীবালা দেৱীৰ কবিতাই বহুল পৰিমাণে সৰ্বভাৰতীয় ক্ষেত্ৰলৈ বিস্তাৰিত হোৱা

নাই। অথচ দুইগৰাকী কবিৰ ৰচনাৰীতি আৰু কবিপ্ৰতিভাৰ মান যে সমপৰ্যায়ৰ, সেই কথা তুলনামূলক অধ্যয়নৰ দ্বাৰা স্পষ্ট হৈ পৰে। সেয়েহে 'সন্ধিয়াৰ সুৰ' আৰু 'দীপশিখা'ৰ মাজেৰে দুয়োগৰাকী কবিৰ কাব্যিক অনুভূতিৰ তুলনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

মহাদেৱীৰ কবিতাৰ পুথিকেইখনৰ মাজেৰে কবিৰ চিন্তাৰ গভীৰতা আৰু অনুভৱৰ কোমলতা প্ৰকাশ পাইছে। তেওঁৰ অন্তৰ যিদৰে সুগভীৰভাৱে সংবেদনশীল, ছন্দকুশলতাও সেইদৰে স্বচ্ছন্দ প্ৰবাহী। মহাদেৱীৰ কবিতাত আছে জীৱনৰ সিপাৰৰ এক মহাজীৱনৰ অমিত শক্তিৰ ইংগিত। মহাদেৱীৰ কবিতাৰ লগত তুলনা কৰি চালে নলিনীবালাৰ কবিতাসমূহক বেছি কোমল আৰু গভীৰ যেন বোধ হয়। গভীৰ এই অৰ্থত, কবিৰ বুকুৰ তলৰ পৰা অহা প্ৰকৃত শোকৰ পৰা তেওঁ লাভ কৰা ভগৱৎ বিশ্বাস ইয়াত হৃদয় চুই যোৱাকৈ বিয়পি আছে।

নলিনীবালাৰ দৰেই মহাদেবীৰো আছিল দুখক ভগৱানৰ আশীৰ্বাদ বুলি মানি লোৱা এক দৃঢ় মানসিক শক্তি। চিৰ বেদনাৰ ভাবো তেওঁ সহ্য কৰিছিল হাঁহিৰে বোলাই। তেওঁ দেখিছিল তেওঁৰ ব্যক্তিগত বেদনাই যেন চমকিত কৰিছে বিশ্বসংসাৰ। তাৰ প্ৰতিফলন চৰ্তুদিশে বিষাদ বিয়পি পৰিলেও ক্ষুদ্ৰ বেদনাক বিশালতাৰ মাজলৈ বিয়পাই দি তেওঁ শোকৰ ভাৰ লাঘৱ কৰিব পাৰিছে। এটি কবিতাত তেওঁ কৈছে–

*'পৰাণে যেতিয়া হাঁহি হাঁহি ল'লে*
*চিৰ বেদনাৰ ভাৰ*
*ভয়ত সিন্ধু পাৰৰ বালিত*
*পৰিল উবুৰি খাই,*
*গিৰি কপালৰ অশ্ৰুৰ ৰেখা*
*মঁচ খাই যোৱা নাই।*
*তেতিয়াৰ পৰা ধূলিৰ বুকুতো*
*মাথোন হাহাকাৰ।'* (অনুবাদ)

ঘাত-প্ৰতিঘাত আৰু বেদনা ভৰা মানুহৰ জীৱনত ভগৱান একমাত্ৰ আশ্ৰয়। নলিনীবালাৰ দৰে মহাদেৱীও ভগৱানক বিচাৰি পাইছে সকলো মানুহৰ দুখৰ শেষৰ সুখৰূপে। কিন্তু তেওঁৰ দুখৰ ভাষা মাজে মাজে নলিনীবালাতকৈ বেছি তীব্ৰ আৰু উগ্ৰ। অন্ধকাৰে ঢাকি পেলোৱা জীৱনত

তেওঁৰ বাবে সত্য হ'ল দীপক ৰাগিনীৰ প্ৰখৰ উত্তাপ। তেওঁ দেখে—

*'ভীত তাৰকা মুদ্ৰিত দিশ*
*শ্ৰান্ত মাৰুতে নাপায় পথ,*
*আকাশ তিয়াগি খহিছে উল্কা*
*হৰহৰ্ শৰদত।'* (অনুবাদ)

চাৰিওফালে যেন মৰণ-যজ্ঞ। তাৰ মাজতে জুইৰে খেলা কৰা জীৱনৰ ছাই হৈ যোৱা সকলো সুকুমাৰ সপোন দুহাতেৰে বুটলি কবিয়ে বাট চাইছে তেওঁৰ প্ৰিয়তম ভগৱানলৈ। এবাৰ তেওঁৰ আহ্বান পালেই কবি যেন গুচি যাব প্ৰলয়ৰ হেঙাৰ নেওচি। দুখৰ সাগৰত সান্ত্বনাৰ তৰী লৈ অহা সেই প্ৰিয়তমলৈ তেওঁ আকুলভাৱে বাট চাইছে নলিনীবালাৰ দৰেই। তেওঁৰ অনুভৱ হৈছে, পৃথিৱীৰ সমস্ত শৰীৰ যেন বিষৰ জ্বালাত আচ্ছন্ন। সেই বিষৰ ৰাগীত আকাশো হৈ পৰিছে নীলা। সেই দুখ আৰু যন্ত্ৰণা যিজনে দান কৰে, তেওঁৰ অপূৰ্ব ৰহস্যময়তাৰ প্ৰতিও কবি

*'সীমাহীন তেওঁৰ ছায়া*
*আপোনদেহত জিলিকি উঠিল*
*শৃংগাৰ যেন কাৰোবাৰ।'* (অনুবাদ)

প্ৰায় একে সুৰতেই নলিনীবালাই কৈছে—

*'শিতানত থকা বকুল জোপাত*
*শুনিলো বাঁহীৰ মাত*
*সাৰ পাই দেখো চন্দন সুবাস*
*আমোল মোলাই গাত।'*

প্ৰকৃতি জগতৰ মেঘ, সাগৰ, নিজৰা সকলোৰে মাজতে দুয়োগৰাকী কবিয়ে চিৰসুন্দৰৰ পৰশৰ উমান পাইছে। মহাদেৱীৰ বাবে মেঘ যেন এক ৰহস্যময় শক্তিৰ প্ৰতীক। অঘৰী মেঘে আহি পৃথিৱীত তাণ্ডৱৰ সৃষ্টি কৰে, অথচ বৰষুণৰ টোপালেৰে সৈতে এই মেঘেই প্ৰাণীক দিয়ে আৰ্শীবাদ। কাজলবুলীয়া মেঘে যেন দুখৰ পাথেয় লগত লৈ অহা এক যাযাবৰ পথিক। নলিনীবালাই শুনিছে পৰ্বতীয়া জুৰিটিৰ জিৰ্জিৰণিৰ মাজত বিননিৰ সুৰ। তেওঁক মুগ্ধ আৰু বিস্মিত কৰিছে পূৰ্ণিমাৰ ভৰা জোনে। প্ৰকৃতি জগতৰ নানা ৰূপ ছবিৰ মাজত প্ৰিয়তম ভগৱানৰ অসীম প্ৰভাৱকে তেওঁলোকে প্ৰত্যক্ষ কৰিছে।

দৃশ্যমান জগতৰ প্ৰতিটো বস্তুতে যাৰ আভাস ফুটি উঠে, সেই মঙ্গলময়ৰ দানস্বৰূপে সীমাহীন যন্ত্ৰণাও কেতিয়াবা হৈ পৰে পৰম কাম্য। মহাদেৱীয়ে তেনেবোৰ ক্ষণতে যেন কৈ উঠে— ‘অশ্ৰু নহ’ব কিয় শৃংগাৰ মোৰ।’ নৌখোজোতেই ভগৱানে তেওঁক দিছে কৰুণাৰ এক সাগৰ, সুখ আৰু দুখেৰে বন্ধোৱা তাৰ দুটি পাৰ। দুখৰ লহৰে বুৰাই পেলোৱা হিয়াৰে তেওঁ দেখে ধৰণীৰ অন্তহীন মমতা, ই কেনেকৈ হাত বাউলি দিছে। আশা আৰু সপোনেৰে ভৰা পৃথিৱীত ব্যথাও হৈ পৰে জীৱনৰ সজাগ লগৰী। সেয়েহে অশ্ৰুও হ’ব পাৰে শৃংগাৰৰ আহিলা। নলিনীবালাৰ বাবেও অশ্ৰু এক পূজাৰ উপচাৰ। তেওঁৰ অশ্ৰু যেন হিয়াভৰা তপত শোণিত, যি চকুৰে নিগৰি আহে। সেই চকুলোৰে অৰ্ঘ্য সজাই তেওঁ প্ৰিয়তমৰ সৈতে মিলনৰ ক্ষণ গণিছে।

প্ৰিয় অভিসাৰৰ মধুৰ ছবি এখনিৰ ৰূপ-কল্পই দুয়োগৰাকীয়ে কবিতাত মনোমোহা কোমলতা দান কৰিছে। নলিনীবালাই শুনিছে—

*‘বকুল তলেৰে তোমাৰ চৰণ ধ্বনি*
*শুনিলো মধুৰ নূপুৰৰ ৰিণিজিনি।*
*মদিৰ সমীৰ তোমাৰ সুৰভি শ্বাসে*
*আকুলিত বন তোমাৰ মধু পৰশে।’*

তেওঁ জানে, যিজনে তেওঁক যন্ত্ৰণা সঁপিলে, সিজনেই তেওঁলৈ অমৃত সিঁচিলে। সেয়েহে সেই সুন্দৰৰ সৃষ্টি দুখপূৰ্ণা পৃথিৱীতে কবিয়ে ৰং-ৰূপৰ মেলা বিচাৰি পায়—

*‘বুটলি গোটাই লোৱা সকলো পলত*
*নিশাহৰ নব ৰেখা বিচাৰো,*
*প্ৰতিটো দিনৰে মোৰ ভঙা-গঢ়াবোৰ*
*হেঁপাহৰ ক্ষণ তাতে বুটলো*
*জ্বলি থকা, ফুলি থকা, বাঢ়ি থকা পৃথিৱীত*
*অকলশৰীয়া প্ৰাণ এতিয়া*
*সপোনৰ ওপচত*
*দিঠক ভাগৰি পৰে যেতিয়া।’*

নিঃসংগতাৰ বুকু চুই যোৱা সুৰ এটি দুয়োগৰাকী কবিৰ কবিতাত বিয়পি আছে। নলিনীবালাৰ ‘নাৰৱীয়া’ কবিতাটোত আছে—

*'আজি এই মহাসমুদ্ৰৰ*
*সীমাহীন অসীম বুকুত*
*ভাঁহিছো তোমাৰ সতে*
*যাত্ৰী মই অকলশৰীয়া'*

মহাদেৱীও যে অভিমানেৰে মানি লৈছে।

*'পথ হ'বলৈ দিয়া অপৰিচিত*
*প্ৰাণ হওক অকলশৰীয়া'*

বিষাদৰ গৰলক অমৃতলৈ পৰিণত কৰি দুয়োগৰাকী কবিয়ে তেওঁলোকৰ কবিতাত ছয়াময়া ৰহস্যৰ অনুপম ছবি অংকন কৰিছে। তেওঁলোকৰ বাবে দুখৰ দেৱতাই হৈ পৰে সুখৰো গৰাকী। নলিনীবালাৰ 'প্ৰহৰী' কবিতাত আছে–

*'বিশ্ব মাধুৰী য'ত*
*ধৰে শোভা বেথাৰ গীতত*
*চৰম দুখত সানে*
*সান্ত্বনাৰ অমিয়া বুকুত*
*থাকা তুমি থাকা তুমি ত'ত।'*

মহাদেৱীৰো অনুভৱ–

*'নয়ন মণিত সোমালে আকাশ*
*বিজুলীৰ দেশ জিলিকা এতিয়া হিয়া*
*অংগৰাগ হৈ বিয়পি পৰিল'*

মহাদেৱীৰ বাবে তেওঁৰ প্ৰিয় অভিসাৰ মধুৰ সমস্যাৰে ভৰা। অলিৰ হাতত তেওঁ কালৈ বাতৰি পঠিয়াব, কোন দেশলৈ বাতৰি পঠিয়াব ভাবি পোৱা নাই। কাৰণ প্ৰিয় এতিয়া তেওঁৰ মাজতে বিলীন হৈ আছে। *'মোৰেই মাজত মিলি গ'ল প্ৰিয়, এতিয়া দূতক পঠাওঁ কোন দেশলৈ।'* তেওঁক নিজৰ মাজতে পোৱাৰ আগলৈকে কবিয়ে অনুভৱ কৰিছিল কল্প যুগব্যাপী বিৰহৰ জ্বালা। শূন্যতাৰে ভৰা তৰল মুকুতাৰ দৰে অশ্ৰুৰে ভৰিছিল তেওঁৰ ক্ষণ, প্ৰতি শিৰাত বিদ্যুৎ হৈ প্ৰবাহিত হৈছিল অন্তহীন তৃষ্ণা। এবাৰ প্ৰিয়ক চিনি পোৱাৰ পাছত শান্ত সমাহিত মনেৰে তেওঁ অনুভৱ কৰিছে, *'নিমিষতে পাৰ হ'ল বিৰহৰ কাল।'*

মহাদেৱীৰ কবিতাৰ ৰহস্যবাদী চিন্তাত ভগৱানলৈ বাটচোৱা তেওঁ যেনে চিৰকালৰ প্ৰেমিকা, প্ৰিয়ৰ এটি ইংগিতৰ বাবে তেওঁ যেন পাৰ কৰে

শত শত ৰাতি। মেঘৰ মাজত তেওঁ দেখে প্ৰিয়ৰ সজল আমন্ত্ৰণ, নিজৰাৰ মাজত দেখে প্ৰিয়ৰ হাঁহিৰ উচ্ছাস। মমৰ দৰে গলি যোৱা দেহ আৰু মনেৰে তেওঁ নিজক কল্পনা কৰে চিৰকালৰ পথিক বুলি। সমুখত অজান পথ, সেই পথত হাতধৰি নিবলৈ প্ৰিয়তমেই তেওঁৰ একমাত্ৰ সম্বল। নলিনীবালায়ো একে সুৰতে কৈ উঠে–

*'দূৰণীয়া বাট ধৰি যাওঁতে যাওঁতে*
*উঠে যদি ভৰিৰ কঁপনি,*
*হাতধৰি লাহেকৈ লৈ যাবা মোক*
*তুমি যে নোপোৱা আমনি।'*

বাৰে বাৰে ধৰা দিবলৈ খুজি আঁতৰি যোৱা প্ৰাণপ্ৰিয়ৰ সন্ধানত কাতৰ কণ্ঠেৰে নলিলীবালাই কয়, *'অ মোৰ পৰম প্ৰিয়, তুমি ক'ত, তুমি ক'ত?'* কবিৰ শূন্য কুটীৰৰ নিৰল শয়ন মধুৰ স্বপ্নেৰে ভৰাই অগৰু ধূপৰ সুবাসেৰে গোপন আগমন ঘটে প্ৰিয়তমৰ। চাৰিওফালে তেওঁৰে পৰশ। অথচ দিঠকত তেওঁ ধৰা নিদিয়ে। তথাপিও সেই পৰশৰ মাজতে পূৰ্ণতাৰ সম্ভেদ পোৱা কবিয়ে অনুভৱ কৰে–

*'তোমাৰ পৰশে মোৰ*
*মঁচি দিয়ে হিয়াৰ দীনতা*
*লক্ষ্যহীন জীৱনত*
*দিয়া নিতে শান্তিৰ বাৰ্তা।'*

নলিনীবালাই মৃত্যুক এক নতুন মহান ৰূপদান কৰিছে আৰু মৃত্যুৰ মাজত মিলনৰ মধুৰ ছবি অংকন কৰিছে। 'চিতাগ্নিক হোমাগ্নি' বুলি কৰা তেওঁৰ কল্পনাত নাৰী হৃদয়ৰ সকলো কৰুণ আকূতি আৰু ব্যথা সোমাই আছে। মাজে মাজে তেওঁ জন্মান্তৰবাদ, কৰ্মফল আদি গভীৰ তত্ত্বসমূহৰ জটিলতাৰে ভৰা চিৰন্তন প্ৰশ্নসমূহৰো উত্তৰ বিচাৰিছে, কিন্তু এই সকলোবোৰ সিক্ত হৈ আছে তেওঁৰ ব্যথিত কাব্যিক অভিব্যক্তিৰে, ঠিক যেন নিয়ৰত তিতা শেৱালি ফুলহে।

মহাদেৱী বাৰ্মাৰ কবিতাত এক দৃঢ়তা আৰু প্ৰত্যাহ্বানৰ সুৰ শুনা যায়। তেওঁৰ ব্যথা আৰু বেদনাই বুকুভঙা ৰূপ গ্ৰহণ কৰা নাই। মাজে মাজে কৰুণ অনুভূতিৰ প্ৰকাশে পাঠকৰ হৃদয় স্পৰ্শ কৰে যদিও কবিৰ বাবে বেদনাৰ ৰূপান্তৰ ঘটিছে কিছুমান মিশ্ৰিত অনুভৱত। নিজৰ মাজতে থকা অমিত শক্তিৰ প্ৰতি তেওঁ সজাগ। সেই শক্তি ভগৱানৰে কৰুণাৰ দান বুলি কৰা উপলব্ধিয়ে তেওঁক ভগৱানৰ প্ৰতি সমৰ্পিতা কৰি তুলিছে। নলিনীবালাৰ কবিতা তুলনামূলকভাৱে বিষাদৰ ৰাগিনীৰে ভৰা। নিজৰাৰ

দৰে স্বচ্ছন্দ প্ৰবাহী তেওঁৰ কবিতা বেদনা জলেৰে উপচি পৰি ভগৱানৰ চৰণ ধিয়াই বৈ যায়। ভগৱানক কেৱল ভগৱান বুলি নহয়, চিৰসুন্দৰ আৰু পৰমপ্ৰিয়ৰূপে গ্ৰহণ কৰি বেদনাক শান্তিলৈ পৰিণত কৰিব পৰাতে দুয়োগৰাকী কবিৰ ৰহস্যবাদী চিন্তাধাৰাৰ সাৰ্থকতা।

### ৫.১.৫ সাৰাংশ ঃ তুলনা কৰি পোৱা সিদ্ধান্ত

- দুয়োগৰাকী কবিয়েই দুখক ভগৱানৰ আশীৰ্বাদ বুলি গ্ৰহণ কৰিছে।
- প্ৰকৃতিজগতৰ সৌন্দৰ্যৰ মাজত চিৰসুন্দৰৰ পৰশ বিচাৰি পাইছে।
- প্ৰিয় অভিসাৰৰ মধুৰ ছবি এখনিৰ চিত্ৰকল্প দুয়োগৰাকী কবিৰ কবিতাতে পোৱা যায়।
- নলিনীবালাই মৃত্যুৰ মাজেদি ভগৱানৰ সৈতে মিলনৰ ছবি আঁকিছে।
- নলিনীবালাৰ কবিতাত বিষাদৰ কাৰুণ্য আৰু কোমলতা অধিক।
- মহাদেৱী বাৰ্মাৰ কবিতাত এক দৃঢ়তা আৰু প্ৰত্যাহ্বানৰ সুৰ শুনা যায়।
- বিষাদক আনন্দলৈ উত্তৰণ ঘটোৱাতেই দুয়োগৰাকী কবিৰ ৰহস্যবাদী চিন্তাধাৰাৰ সাৰ্থকতা।

### ৫.১.৬ তুলনাৰ অনুশীলন

মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড' আৰু কীৰ্তিবাসৰ 'অযোধ্যাকাণ্ড'ৰ তুলনা কৰাঁ।

### ৫.১.৬.১ তুলনাৰ নিৰ্দ্দেশনা ঃ

তলত দিয়া দিশসমূহ অনুসৰণ কৰি আলোচনা কৰিলে তোমালোকৰ অনুশীলন সম্পূৰ্ণ হ'ব—

(ক) কবি পৰিচয়
(খ) তুলনীয় অধ্যায়কেইটিৰ বিষয়বস্তুৰ চিনাকি
(গ) কাহিনী উপস্থাপন কৌশলৰ তুলনা
(ঘ) চৰিত্ৰ চিত্ৰণ বৈশিষ্ট্যৰ তুলনা
(ঙ) ছন্দ আৰু অলংকাৰ প্ৰয়োগৰ তুলনা
(চ) অন্যান্য দিশৰ তুলনা
(ছ) সিদ্ধান্ত

## গোট ২ ঃ সুৰদাস আৰু মাধৱদেৱৰ ৰচনাৰ বাৎসল্য ৰস

### ৫.২.০ উদ্দেশ্য

- সুৰদাস আৰু মাধৱদেৱৰ বিশেষ দিশ একোটিৰ লগত পৰিচয় কৰোৱা।
- ভাৰতীয় বৈষ্ণৱৰ সাহিত্যৰ বিশেষত্বৰ ধাৰণা দিয়া।
- দুজন সন্ত কবিৰ ৰচনাৰ বাৎসল্যৰসৰ সাদৃশ্য অনুধাৱন কৰা।

### ৫.২.১ প্ৰস্তাৱনা

সুৰদাস আৰু মাধৱদেৱ ভাৰতৰ দুটা অঞ্চলৰ দুজন বিশিষ্ট বৈষ্ণৱ কবি। দুয়োজনেই শিশুকৃষ্ণৰ ৰূপ ধ্যান কৰি আনন্দ পাইছিল। ভাষা আৰু আঞ্চলিকতাৰ পাৰ্থক্য থকা স্বত্বেও দুয়োৰে ৰচনাত বাৎসল্য ৰস প্ৰয়োগৰ মাজত আশ্চৰ্যজন সাদৃশ্য পৰিলক্ষিত হয়। সেই কথাকে অলপ বহলাই আলোচনা কৰোঁ আহাঁচোন।

### ৫.২.২ কবি সুৰদাস আৰু তেওঁৰ ৰচনাৰ পৰিচয়

সুৰদাসৰ বিষয়ে জনা যায় বল্লভাচাৰ্য পৰিত্ৰ পুথি 'চৌৰাশি বৈষ্ণৱো কি বাৰ্তা'ৰ পৰা। ইয়াত পোৱা আলোচনামতে আনুমানিক ১৪৭৮ শকত তেওঁৰ জন্ম হৈছিল, গুৰু বল্লভাচাৰ্যৰ ওচৰত দীক্ষা লৈছিল ১৫০৬ শকত আৰু তেওঁৰ মৃত্যু হৈছিল ১৫৭৫ শকৰ পিছত আৰু ১৫৮৫ শকৰ আগত। মথুৰাৰ ওচৰৰ গৌ-ঘাট নামে ঠাইত তেওঁ জীৱনৰ সৰহ কাল কটাইছিল।

সুৰদাসৰ অসংখ্য গীতৰ সংগ্ৰহক থুপ খুৱাই 'সুৰ-সাগৰ' নাম দিয়া হৈছিল। তেওঁৰ গীতৰ সংখ্যা 'চোৱা লাখ' বুলি কোৱা হয়, ঠিক যিদৰে মাধৱদেৱৰ ঘোষাৰ সংখ্যা এহাজাৰ বুলি ধৰা হয়। মাধৱদেৱৰ সাহিত্য প্ৰতিভাই বহুমুখী গতি লাভ কৰিছিল। সুৰদাসে কিন্তু কেৱল গীতহে ৰচনা কৰিছিল। 'সুৰ-সাৰাৱলী' আৰু 'সাহিত্যলহৰী' নামে আৰু দুখন পুথিও তেওঁৰ নামত পোৱা যায়।

### ৫.২.৩ কবি মাধৱদেৱ আৰু তেওঁ ৰচনাৰ পৰিচয়

মহাপুৰুষ মাধৱদেৱ অসমৰ এজন প্ৰসিদ্ধ ধৰ্মগুৰু আৰু কবি সাহিত্যিক। শংকৰদেৱৰ অনুসৰণত মাধৱদেৱে কৃষ্ণ ভক্তি প্ৰকাশক গীত, ঝুমুৰা, কাব্য আৰু তত্ত্বপুথি ৰচনা কৰিছিল। তাৰ ভিতৰত 'নামঘোষা' অন্যতম। 'ভক্তিৰত্নাৱলী', 'ৰাজসূয় কাব্য', 'অৰ্জুনভঞ্জন' আদি ঝুমুৰা আৰু অসংখ্য গীত, ভটিমা ৰচনা কৰি মাধৱদেৱে নৱবৈষ্ণৱ সাহিত্যৰ ভঁৰাল চহকী কৰিছিল।

### ৫.২.৪ সুৰদাস আৰু মাধৱদেৱৰ বাৎসল্য ৰসৰ তুলনা

সুৰদাসে ভগৱান কৃষ্ণৰ সমগ্ৰজীৱনৰ ছবি আঁকিছে, মাধৱদেৱ কিন্তু সন্তুষ্ট হৈ আছে শিশু কৃষ্ণৰ মনোৰম ৰূপৰ মাজত। মাধৱদেৱৰ ৰচনাত ঘাই ৰস হ'ল বাৎসল্য, হাস্য আৰু অদ্ভুত। শিশুকৃষ্ণৰ চোৰ-চাতুৰীক কেন্দ্ৰ কৰি এই আটাইবোৰ ৰস জাগ্ৰত হৈছে। বাৎসল্য ৰসৰ ক্ষেত্ৰত সুৰদাসৰ নিপুণতাও লক্ষ্যণীয়। এই ক্ষেত্ৰতে মাধৱদেৱ আৰু সুৰদাসৰ সাদৃশ্য সৰ্বাধিক। সুৰদাসৰ গীতত আছে, মাক যশোদাই কৃষ্ণক ভয় খুৱায় 'হৌৱা' আহিব বুলি। এই 'হৌৱা' যেন আমাৰ কাণখোৱাটোহে! গাখীৰ খালে টিকনিডাল সোনকালে বাঢ়িব বুলি মাকে ফুচলাই গাখীৰ খুৱায়। পিছে কৃষ্ণই আপত্তি কৰে, টিকনি দেখোন নাবাঢ়েহে নাবাঢ়ে। এটি গীতত আছে–

*'দূৰৰ পৰাই গোপালে মাখন খাইছে।*
*মনোহৰ শ্যাম গাৰ শোভা সখী সবে দেখিছে।*
*উঠি, চাৰিওফালে চাই চুৰকৈ মাখন খাইছে।'*

আৰু এটি গীতত আছে–

ভৰিৰ আঙুলি হাতেৰে নি মুখত ভৰাই চুহিছে। পালেঙত প্ৰভুৱে অকলে অকলে হৰিষ মনেৰে খেলিছে। শিৱই ভাবিছে, ব্ৰহ্মাই চিন্তা কৰিছে-– সাগৰ বাঢ়িছে, বান উঠিছে, প্ৰলয়ৰ সূচনা কৰি বিজুলী মাৰিছে, দিক্পাল-দিক্দৃস্তিনী একেঠাই কৰিছে, মুনিসকলে ভয় খাইছে, ভূমি কঁপিছে, শেষনাগ কোঁচমোচ খাইছে, কিন্তু ব্ৰজবাসীসকলে একো বুজা নাই, তেওঁলোকে ভাবিছে বালকৃষ্ণই ভৰিখন বৰকৈ ঠেলি দিছেহে মাত্ৰ।

এই গীতটো শুনিলে মনলৈ আহে মাধৱদেৱৰ সেই বৰগীতটিৰ কথা, য'ত আছে– কৃষ্ণই বিছনাত পৰি পদুম যেন হাতেৰে পদুম যেন

ভৰিখন ধৰি পদুমৰ দৰে সুন্দৰ মুখত ভৰাইছে এই কথা জানিবৰ বাবে-
– যোগীসকলেনো বাৰু তেওঁৰ চৰণত কিহৰ অমিয়া লাভ কৰে?

এই দুয়োটা গীততে শিশু কৃষ্ণৰ মানৱী লীলাৰ মাজত পৰমব্ৰহ্মত্বৰ গভীৰ অৰ্থব্যঞ্জক অথচ প্ৰাণ চুই যোৱাকৈ মনোৰম ছবি প্ৰকাশ পাইছে।

দুয়োজন ব্যক্তি আন্তৰিক প্ৰতিভাৰ ফালৰ পৰা আছিল সঁচা কবি আৰু গীতিকাৰ। এওঁলোকৰ গীতসমূহৰ উমৈহতীয়া সৌন্দৰ্য হ'ল বাৎসল্য প্ৰেম, আত্মলঘিমা, একান্ত ভক্তি আৰু অলংকাৰ প্ৰয়োগৰ নৈপুণ্য। সুৰদাসৰ মিলন-বিৰহৰ গীতবোৰো সুকীয়া সৌন্দৰ্যৰে পূৰ্ণ, অলংকাৰৰ সু-প্ৰয়োগেৰে সমৃদ্ধ এটি পৰমাৰ্থক গীতত সুৰদাসে কৈছে–

*'অ' মন, মাধৱৰ সতে প্ৰীতি কৰ*
*কাম-ক্ৰোধ লোভ মদ সকলো এৰ*
*এইবোৰ (সকলো) বিপৰীত।*
*ভোগী ভোমোৰা বনত ভ্ৰমি ফুৰে,*
*আনন্দই নেমানে দুখ বেদনা।'*

*(আনন্দত ভোগতৃষ্ণা অধিকহে হয়)*

তেওঁৰ মতে, ৰত্নৰ সমান মানৱদেহ পাই, দিনে-ৰাতিয়ে প্ৰেমকথা শুনি আৰু ভগৱান সদয় সহায়ক বুলি জানিও আমি তেওঁক পাহৰি থাকোঁ। সুৰদাসৰ ভক্ত কবি হৃদয়ে কিন্তু এটি ক্ষণৰ বাবেও সেই পদুমৰ দৰে সুন্দৰ মুখৰ শ্যামল-শৰীৰ ভগৱানৰ ৰূপ মনৰ চকুৰ পৰা আঁতৰ কৰিব পৰা নাই। এই লক্ষণ মাধৱদেৱৰ লগত একে। মাধৱদেৱৰ গীত আৰু নামঘোষাৰ মাজত অৰূপ ৰূপৰ গৰাকী সীমাহীন সুন্দৰতাৰে ভৰপূৰ ভগৱানৰ ধ্যানত তন্ময় অৱস্থা এটা ফুটি উঠে।

দুয়োজনৰে ৰচনাৰ অন্যতম বৈশিষ্ট্য নিজা নিজা গুৰুৰ প্ৰতি সীমাহীন ভক্তি আৰু প্ৰীতি। দুয়োজনে গুৰু আৰু ভগৱানক একে আসনতে স্থাপন কৰিছিল।

সুৰদাস আৰু মাধৱদেৱৰ ভক্তিৰ ঐকান্তিকতা সমপৰ্যায়ৰ, কিন্তু তাৰ প্ৰকাশৰ ৰীতি বেলেগ। মাধৱদেৱে দাস্যভক্তিৰ দ্বাৰা ভগৱানৰ ওচৰত দাসৰো দাস বুলি আত্মসমৰ্পণ কৰিছিল। সুৰদাসৰ ভক্তি হ'ল সখ্য ভাৱৰ। তদুপৰি তাত পৰিছিল মধুৰ ভাৱৰ ৰহণ। কিন্তু কিছুমান অভিমান আৰু বিনয়পূৰ্ণ ভাব দুয়োজনৰে ক্ষেত্ৰত অবিকল একে হৈ প্ৰকাশ পাইছে।

মাধৱদেৱে অভিমান কৰি কৈছিল—

*'মোক নিজ দাস কৰি লৈলে*

*হৰি এ*

*কহিয়ো কৃপাল কি হয় তোমাৰ হানি'*

সুৰদাসে কৈছিল, ''তুমি বোলে পতিতক উদ্ধাৰ কৰা। অজামিল, পুতনা আৰু কুঁজিক তুমি উদ্ধাৰ কৰিলা। কিন্তু মোৰ দৰে পাপীক তুমি উদ্ধাৰ নকৰা কিয়? তোমাৰ এই অৱহেলা দেখি বাকীবোৰ পাপীৰ আগত লাজতে মই মৰি যাওঁ।''

প্ৰকৃততে এই তীব্ৰ প্ৰেমে জন্ম দিয়া সহজ সম্পৰ্কটোৰ সাৰ্থক প্ৰকাশতহে মাধৱদেৱ আৰু সুৰদাসৰ অধিক সাদৃশ্য দেখা যায়। দুয়োজনৰে জীৱন আৰু প্ৰতিভাৰ ধাৰা বেলেগ। একে মাথোন কৃষ্ণভক্তি আৰু ইয়াৰ ঐকান্তিকতা।

### ৫.২.৫ সাৰাংশ ঃ তুলনা কৰি পোৱা সিদ্ধান্ত

- মাধৱদেৱ আৰু সুৰদাসৰ ৰচনাৰ সবাতোকৈ আকৰ্ষণীয় দিশটো হৈছে বাৎসল্য ৰসৰ প্ৰকাশ
- দুয়োজন কবিয়েই পৰম পুৰুষৰ মাজত মানৱ শিশুৰ ৰূপ আৰোপ কৰিছে, অথচ একেসময়তে শিশুকৃষ্ণৰ ঈশ্বৰত্বও স্বীকাৰ কৰিছে।
- শিশুমনস্তত্ত্ব অধ্যয়নত দুয়োজনৰে ক্ষমতা প্ৰকাশ পাইছে।
- দুয়োজনৰ শিশু চৰিত্ৰ বিশ্লেষণৰ মাজত সাদৃশ্য দেখা যায়।

■ *তুলনামূলক ভাৰতীয় সাহিত্যৰ বিশদ অধ্যয়নৰ বাবে তলত দিয়া গ্ৰন্থসমূহৰ সহায় ল'ব পাৰিব—*


১. তুলনামূলক ভাৰতীয় সাহিত্য - নীৰাজনা মহন্ত বেজবৰা
প্ৰথম প্ৰকাশ ঃ ফেব্ৰুৱাৰী, ১৯৯৯ চন।

২. পট ভূমিকাত তুলনামূলক সাহিত্য - ড° নীৰাজনা মহন্ত বেজবৰা
প্ৰথম সংস্কৰণ ঃ নবেম্বৰ, ২০০২ চন।

৩. তুলনামূলক সাহিত্য আৰু অনুবাদ বিচাৰ - ড° প্ৰফুল্ল কটকী
দ্বিতীয় প্ৰকাশ ঃ নবেম্বৰ, ২০০২ চন।

৪. তুলনামূলক সাহিত্য বিকাশ আৰু বিৱৰ্তন - ড° কৰবী ডেকা হাজৰিকা
ড° পল্লবী ডেকা বুজৰবৰুৱা
প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০০৮ চন।

৫. অনুবাদ কলা - ড° নীৰাজনা মহন্ত বেজবৰা
প্ৰথম প্ৰকাশ ঃ জুন, ১৯৯৭ চন।

৬. Anubad Kala - Dr. N.E. Biswanath Ayer
Prabhat Prakashan, New Delhi, Sanskaran, 2003.

৭. Literary Teory (Re) Reading Culture and Aesthetics - Jameela Begum & B. Hariharan (ed.)
First published 1997, Pencraft International, Delhi.

৮. Aspects of Comparative Literature - Chandramohan (ed.)
India Publishers and Distributors, New Delhi, 1989.

| | |
|---|---|
| ৯. Comparative Indian Literature- Some Perspective | - Indranath Chowdhury New Delhi, 1992. |
| ১০. Comparative Literature | - Amiya Dav, Sisir Kr. Das (ed.) Indian Institute of Advance Study, Shimla, in association with Allied, New Dehli, 1989. |
| ১১. Issue in General & Comparative Literature | - W. Dollwe Fokkema First Published in 1987, Papyrus 2 Ganendra Mitra Lane, Calcutta. |
| ১২. Indian Literature : Personal Encounters | - Umashankar Joshi First published 1988, Papyrus, 2 Ganendra Mitra Lane, Calcutta. |
| ১৩. Language Culture and Nation building challen-ges of Modernization | - Lachman M. Khubchandai First published 1991, Indian Institute of Advance Study, Shimla, in association with Monohar Publications, New Dehli. |
| ১৪. Comparative Literature, Indian Dimension | - Swapan Majumder Papyrus, 2 Ganendra Mitra Lane, Calcutta, 1987. |

১৫. Approach to Literary, Translation - G.R. Malok & Mohanmad Amin, Post Graduate Department of English, University of Kashmir Srinagar, 2002

১৬. India and World, Literature - Abhi Maury (ed) First Publication 1990, Indian Council for Caltural Relation, New Delhi.

১৭. Spot klight on compur-, ative Indian Literature - K. Ayyapa Panikar Papyrus, Calcutta, 1992

১৮. Essays in Comparative, Literature - Chandra Suresh Anmol Publisher Pvt. Ltd., New Delhi.

১৯. Translation Across, Culture - Gideon Toury First published 1987. Bahri Publications Pvt. Ltd., New Delhi.

২০. A History of Modern, Criticism - Rene Wellik Vol. - V, London, 1986.